

# কবি



ব্লগ
অসম

সৌৰভ কুমাৰ চলিহা

# কবি

সৌৰভ কুমাৰ চলিহা

# বেটুপাতৰ ছবি

জাৰ্মান শিল্পী টিশ্‌বাইন্(Tischbein 1751-1829)-য়ে অঁকা ৰোমত তেওঁৰ কোঠালিৰ খিৰিকীৰে বাহিৰৰ ৰাস্তালৈ চাই থকা গয়েথ ; ৰোমান বহিৰাঞ্চলৰ দৃশ্যাৱলীৰ মাজত গয়েথ।

# ফাউষ্টা

ঢোলত মিলিটাৰী টেট্টু-বাজনাৰ দৰে এটা তীক্ষ্ণ, দ্ৰুত লহৰ পৰিল আৰু থামিল। এজোৰা চমৎকাৰ ক'লা, মম-দিয়া মোচৰ ওপৰত স্পটলাইটৰ আলোক নিক্ষিপ্ত হল: মহিলামৰ্দক লুইজি, "লুইজি দি লেইডীকিলাৰ"।

"ভ - দ্ৰমহিলা আৰু ভ – দ্ৰমহোদয়সকল," চকু পিৰিকপাৰাক কৰি বিকশিত দন্ত হাঁহিৰে লুইজিয়ে "ৰ"-বোৰ জিভাৰে বগৰাই বগৰাই চিঞৰিলে, "আপোনালোকক চিনাকি কৰি দিবলৈ পাই আজি মই প-ৰ-ম আনন্দিত, অ-তুলনীয়, অ-ননুকৰণীয়, এ-ক ও অ-দ্বিতীয়, ভয়-হীনা (বেহেলাত এটা দীঘল ৰেপ) – "ফাউষ্টা" (বেহেলাত এটা দীৰ্ঘতৰ ৰেপ)।

"ফিয়াৰলেচ ফাউষ্টা"।

আৰু এবাৰ ঢোলক-লহৰ, আৰু লুইজিৰ বাওঁহাতে দ্বিতীয় এটা স্পটলাইট পৰিল, আৰু তাৰ উজ্জ্বল আলোকৰ বৃত্তত দৃষ্টিগোচৰ হৈ পৰিল হাস্যময়ী, গাঢ়বৰ্ণা, শুভ্ৰকেশা, চতুলনয়না ফাউষ্টা, প্ৰায় ২৩ কি ২৪, সন্তৰণ-সজ্জা "বিকিনি"ৰ দৰে এটুকুৰা বক্ষাৱৰণ আৰু এটা ক'লা মখমলৰ হ্ৰস্ব "পেণ্টি", দুই হাত দুই উৰুত বিলম্বিত (আৰু কি উৰু!)। লুইজি আৰু ফাউষ্টাই মূৰ দোঁৱাই দৰ্শকক অভিবাদন কৰিলে, এটা বহল, বিস্তীৰ্ণ অভিবাদন (হৰ্ষধ্বনি, হাতচাপৰি, 'কুকুৰনেচীয়া বাঘ'ৰ সুহুৰি, দীৰ্ঘতৰ হাতচাপৰি)।

লুইজি আচল কথালৈ আহিল। লুইজিয়ে মোচত তাও দিলে, দুই হাত মেলি দিলে আৰু দুই হাত জোকাৰিলে, আৰু ক'লে যে ভয়হীনা ফাউষ্টা তাইৰ বিশেষণৰ নহয় অযোগ্যা, ভদ্ৰমহিলা আৰু ভদ্ৰমহোদয়সকল, আপোনালোকে নিজ চকুৰে দেখিব। ফাউষ্টাৰ নাই বিপদৰ প্ৰতি তিলমাত্ৰ শঙ্কা, ফাউষ্টাৰ নাই বিপদৰ মাজলৈ সোমাই যাবলৈ অনুমাত্ৰ দ্বিধা। তৰোৱাল? গুলী? পাঃ!

একোলৈকে ভয় নাই ? এ-ঠিক ক'ব নোৱাৰিছো কিন্তু দেই (গৰগৰাই লুইজিয়ে কৈ গল, যেন কথাটো এইমাত্ৰ মনত খেলালে) - কি জানেনে, ভদ্ৰমহিলা আৰু ভদ্ৰমহোদয়সকল, পাঁচবছৰ ধৰি মই ফাউষ্টাৰ পাণিগ্ৰহণৰ আবেদন কৰি আহিছো (এইটো অংশ অৱশ্যে লুইজিয়ে সঁচা কথা নক'লে) – আঃ তাৰ কাৰণে কি আপোনালোকে মোক দোষ দিব পাৰে? এবাৰ ফাউষ্টালৈ চাওক! (তুমুল সুহুৰি) কিন্তু কি কয় তাই? (ৰুদ্ধশ্বাস দৰ্শক)। তাই কয় -- বিশ্বাস কৰক বা নকৰক, ভদ্ৰমহিলা আৰু ভদ্ৰমহোদয়সকল - যে স্ত্ৰী হলে তাইৰ এগৰাকী শাহুআইও হ'ব। আৰু শাহুআই বস্তুটোৰ কথা ভাবিলেই হেনো ভয়ত ফাউষ্টাৰ অণ্ঠ কণ্ঠ শুকাই – (তুমুল হাস্যধ্বনিত লুইজিৰ কথা তল পৰি গল)।

আৰু এনেকৈ, উৎকণ্ঠাপূৰ্ণ মুহূৰ্তবোৰ হাস্যৰসেৰে পৰিপূৰণ কৰি লুইজিয়ে ফাউষ্টাক এবাৰ দুবাৰ তিনিবাৰ হত্যা কৰিবৰ চেষ্টা কৰিলে। কফিনৰ দৰে এটা দীঘল, চেপেটা বাকচৰ ভিতৰত তাইক আটিলকৈ বন্ধ কৰি লৈ বাকচটোত চাৰিওপিনৰ পৰা দহ বাৰখন তৰোৱালেৰে, খুচি-খুচি দিলে, বাকচ ভেদ কৰি তৰোৱাল ইফালৰ পৰা সিফাললৈ বাহিৰ হৈ গ'ল, কোনো সন্দেহ নাই যে তাইৰ দেহ ভেদ কৰিয়েই গ'ল। আৰু অৱশেষত তৰোৱালবোৰ আঁতৰাই আনি যেতিয়া বাকছটো খুলিলে, ভিতৰত পৰা মধুৰ হাঁহিৰে ওলাই আহিল অক্ষতদেহা ফাউষ্টা। তাৰ পাছত তাইক তেনেকুৱা বাকচ এটাত বন্ধ কৰি লুইজি আৰু তাৰ সহকাৰীয়ে বহুত ঘামি-জামি কৰতেৰে বাকচটো ৰুটি কটাৰ দৰে চকল চকলকৈ কাটিলে, প্ৰথমে কাঠমিস্ত্ৰিৰ সাধাৰণ কৰত, তাৰ পাছত বৈদ্যুতিক কৰত। ওলাই আহিল – চতুলনয়না ফাউষ্টা। অৱশেষত তাইক তৃতীয় এটা বাকচত বন্ধ কৰি লুইজিয়ে উন্মত্তৰ দৰে ৰিভলভাৰেৰে গুলীবৰ্ষণ কৰিলে, প্ৰেক্ষাগৃহ কপাই জাঁই জাঁই গুলী বাকচটো বিদীৰ্ণ কৰি ওলাই গ'ল – আৰু ক্লান্ত হৈ লুইজিয়ে ছিদ্ৰ-বিছিদ্ৰ বাকচটো খুলিলে, ভিতৰৰ পৰা ওলাই আহিল –

অৱশ্যেই! – সংকীৰ্ণ-কোমৰা, স্ফীত-বক্ষা, হাস্যমুখ, হিল্লোলিত-যৌৱনা, মৃত্যুহীনা, ভয়হীনা ফাউষ্টা।

====================================

গ্ৰীণৰুমৰ ঢাক-নোহোৱা উত্তপ্ত এশ-ৱাট বাল্বটোৰ তীব্ৰ পোহৰৰ তলত লুইজিৰ মুখভঙ্গী পৰিৱৰ্তিত হ'ল। চকুৰ মণি দুটাৰ ঘূৰ্ণন বন্ধ, মুখৰ অনৰ্গল বাক্যস্ৰোত স্তব্ধ, মে'ক্ আপৰ পাউদাৰৰ ওপৰত ঘামৰ বিন্দু বিন্দু পেটাৰ্ণ।

উইংচেৰে দৰ্শকৰ হৰ্ষধ্বনি ভাঁহি আহিছে, মঞ্চত এতিয়া জাপানী কুস্তিগীৰ য়ামামটৰ দলৰ দুঃসাহসিক ক্ৰীড়া-কৌশল চলিছে। ড্ৰেচিং টেবুলৰ এচুকত বহি সমুখৰ আয়নাখনত এইদিয়ে গোফজোৰ চালে। ইতিমধ্যেই সি ধূসৰ হ'ব আৰম্ভ কৰিছে? মাম্মা মিয়া! ধূসৰ বা বগা গোফেৰে নাৰী-হন্তা, যাদুকৰ সজা নচলে, সেইটো " শ্ব' বিজিনেচৰ" নিয়মেই নহয়। ক'লা ৰং দি লবৰ সময় কি আহিলেই, ভিয়েনাৰ ম্যুজিক-স্পিল্‌হাউচৰ যাদুকৰ মাৰ্লিনৰ দৰে?

যাদুকৰৰ ক'লা ফ্ৰককোটটো খুলি লুইজিয়ে এটা সাধাৰণ জেকেট পিন্ধিলে, আয়নাত প্ৰতিবিম্বিত হ'ল এটা শকট, স্ফীতবপু মূৰ্তি, মুখত এটা দৈত্যাকাৰ চিগাৰঃ সেয়া উইনষ্টন চাৰ্চ্চিলৰ বেশত বিল মেক্‌গ্ৰু, বিখ্যাত লোকসকলৰ কেৰিকেচাৰ কৰা যাৰ বিশেষত্ব। মেক্‌গ্ৰুয়ে দুই আঙুলিৰে চাৰ্চ্চিলৰ দৰে এটা "ভি" চিহ্ন দিলে, আৰু ক'লে "ৰাণী আৰু সাম্ৰাজ্যৰ নামত – তোমাৰ আজি আকৌ কি হ'ল, লুইজি, অ'ল্ড্ মেন? যাবলৈ সাজুতো?"

বিল মেক্‌গ্ৰুৰ অলপতে এটি পুত্ৰসন্তান জন্ম হৈছে, এতিয়াও আস্পাতালত; "হিকৰি -ডিকৰি ভগ্নীদ্বয়ে" মেক্‌গ্ৰুক ধৰি বহিছে , এখন ভাল – সচাঁকৈয়ে ভাল – ৰেষ্টুৰেন্টত খুৱাই দিব লাগিব। "হিকৰি-ডিকৰি কিড়্চ্"দুজনী আকোৰগোঁজালি বাইভনী, এজনী ১৮, এজনী ২০ (তাইহঁতে ষ্টেজত দুখন ওখ চলন্ত এচকীয়া চাইকেলৰ ওপৰত নাচে আৰু গান গায়)। পকেটৰ দুৰৱস্থাৰ কথা

কৈ মেক্‌গ্ৰুৱে তাইহঁতক নিবৃত্ত কৰিব পৰা নাই। গতিক আজি ৰাতি শ্ব' শেষ হোৱাৰ পাছত মেক্‌গ্ৰুয়ে তাইহঁতক ৰেষ্ট এ'গুৰ এখন জব্বৰজষ্ট ৰেষ্টুৰেন্টলৈ লৈ যাব, এই সুযোগতে লুইজি আৰু ফাউষ্টাকো নিমন্ত্ৰণ কৰিছে।

"জৰুৰ," আয়নাৰ পৰা মুখ ঘুৰাই লুইজিয়ে ক'লে, কিন্তু কণ্ঠত কোনো উৎসাহ ফুটি নুঠিল। মেক্‌গ্ৰুৱে মুখৰ পৰা চিগাৰডাল আঁতৰাই কৌতুহলেৰে লুইজিৰ মুখলৈ চালে।

"কি জানা, মোৰো যেন কিবাকৈ মনত খেলাইছিল, আজি ষ্টেজত তুমি মাজে মাজে হঠাৎ অলপ অন্যমনস্ক হৈ পৰিছা।নাই নাই, চকুত লগাকৈ একো নহয় –দৰ্শকে কোনেও একো ধৰিব পৰা নাই, তেওঁলোকেতো আৰু তোমাক নাজানে। অৱশ্যে মোৰো ভুল হব পাৰে। কিবা হৈছে? ফাউষ্টা ?"

জেকেটৰ পকেটৰ পৰা লুইজিয়ে এখন চিঠি বাহিৰ কৰিলে। ওপৰত ফাউষ্টাৰ ঠিকনা, ইটালীয় ডাক-টিকেট।

"বাপেকৰ পৰা।" লুইজিয়ে ক'লে।

"আঃ, তোমাৰ অনিচ্ছুক শ্বশুৰ, গুড্ অ'ল্ড্ পাপা। কি বক্তব্য ?"

"কেনেকৈ জানিম ? ফাউষ্টাক এতিয়াও দিয়াই নাই। তাইৰ পালটো হৈ যোৱাৰ আগেয়ে কি তাইৰ হাতত দিব পাৰি? এইবাৰ বা আকৌ কি লিখিছে কোনে জানে ! তুমিয়েই কোৱা ?"

"ঠিকেই", মেক্‌গ্ৰুৱে ক'লে, "ঠিকেই কৰিছা।" ঘৰৰ চিঠিত লুইজি আৰু ফাউষ্টাৰ প্ৰতি যিবোৰহে কথা থাকে, চিঠি পোৱাৰ পাছত ছয়-সাত ঘণ্টা ফাউষ্টাৰ মেজাজ একেবাৰে শূণ্যলৈ নামি যায়(বোধকৰো ঘৰৰ কথাও মনত পৰে)। সেই সময়ত অতি অলপ কথাতেই তাইৰ খং উঠি যায়, কথাবোৰ চব খেলিমেলি কৰি পেলায়। এবাৰ এনেকুৱা এখন চিঠি পোৱাৰ পাছতেই তাইৰ মঞ্চলৈ যোৱাৰ পালা পৰিল, সেইদিনা তাই কি কৰিব লাগে গণ্ডগোল কৰি পেলালে - কাষলতিৰ

তলতে কৰতৰ ৰেপ এটা পৰিল - ভাগ্যে লুইজিয়ে উপস্থিত বুদ্ধিৰে পৰিস্থিতিটো বচালে নহ’লে !

“চোৱা – মই এটা কথা কওঁ।” মেক্গ্ৰুৱে ক'লে, “ফাউষ্টাই কাপোৰ সলাব ধৰিছে, এতিয়াই আহি ওলাব। চিঠিখন ভৰাই থৈ দিয়া। এতিয়া নিব নালাগে। মোৰ পাৰ্টিটো হৈ যাওক। কি কোৱা ?”

লুইজিয়ে ক’লে যে কথাটো যুক্তিসংগত, কিন্তু পাছত যেতিয়া তাই গম পাব যে সি চিঠিখন অত সময় আঁতৰাই থৈ দিছিল, ফাউষ্টাই কি তল-ওপৰ লগাই চিঞৰ বাখৰ কৰি তাৰ মূৰৰ চুলি (গোফ ?) বগা কৰি নেপেলাব? মেক্গ্ৰুৱে ক’লে, “সেইখন দলং যেতিয়া পাবা তেতিয়া পাৰ হবা। এতিয়া আমাৰ পাৰ্টিটো নষ্ট নকৰিবা। কৰিব নোৱাৰা।”

অনিশ্চিত ভাবে লুইজি ৰাজী হল। মেক্গ্ৰুৱে ক’লে, “বাচ, সেয়ে ঠিক হ’ল তেনেহ'লে। চিন্তা নকৰিবা।” ড্ৰেচাৰৰ তলৰ পৰা মেক্গ্ৰুৱে এটা পেইল্ এইলৰ বটল উলিয়াই দুটা বীয়াৰ মগত দুই পাইন্ট বাকী উলিয়ালে। “এঢোক ? ভোক দিব।”

লুইজিয়ে নিৰ্লিপ্তভাৱে মগটো ল’লে।

“অৱশ্যে পাপাই মাজে মাজে অলপ গৰ্জিবই”, ওঠৰ পৰা বীয়াৰৰ ফেন মচি সন্তুষ্টভাৱে মেক্গ্ৰুৱে ক’লে, “পাপাৰ অৱস্থাত পৰা হ’লে, মইও গৰ্জিলোহেঁতেন। তেওঁলোকৰ একেজনী ছোৱালীক তুমি এনেকৈ পলুৱাই লৈ আহিলা -”

“বাৰে বাৰে একেটা কথাকে কোৱা কিয়?” বিৰক্ত হৈ লুইজিয়ে ক’লে, “কৈছোৱেই দেখোন, তাই তেতিয়া সাবালিকা।”

“বয়সত”, মেক্গ্ৰুৱে ক’লে “লুইজি, অ’ল্ড্ মেন, বয়সত।”

অৰ্থাৎ (বোধকৰো), বিবেচনা বুদ্ধিত নহয়। ঘটনাখিনি মেক্‌গ্ৰুৱে জানে। “ৰিণাল্ডিৰ ভ্ৰাম্যমান ভেৰাইটি পাৰ্টি” ঘূৰি ঘূৰি গৈ এদিন পিচা চহৰৰ কাষৰ চান্-জ্যভানি গাওঁখনত (জনসংখ্যা ৭২৩) উপনীত হৈ তম্বু তৰিলে, লুইজিয়ে তেতিয়া, ৰিণাল্ডিৰ পাৰ্টিত জুই, কাঁচ আৰু তৰোৱাল খায় (“সৰ্ব্বভুক লুইজি”) ! প্ৰথম সন্ধিয়াই প্ৰথম শাৰীত লুইজিৰ সৰ্ব্বভুক চকুত পৰিল ফাউষ্টাৰ মুগ্ধ মুখ আৰু বিস্ময়বিস্ফোৰিত চকু, আৰু ফাউষ্টাই দেখিলে লুইজিৰ ৰোমান নাক, বুভুক্ষু ওঁঠ, ঘন ক'লা চুলি আৰু মম-মসৃণ গোঁফ ... সংক্ষেপে, বাপেক-মাকৰ বাধা নুশুনি ৰিণাল্ডিৰ দলৰ লগত ফাউষ্টা গুচি আহিল .... বহু চহৰ আৰু গাঁৱৰ মাজেৰে খেল দেখুৱাই দেখুৱাই ৰিণাল্ডি ভ্ৰাম্যমান দল চান্ জ্যভানিৰ পৰা দিনে দিনে আঁতৰি গ'ল কাৰাৰা... লা স্পেৎচিয়া ...ৰাপাল ...পৰ্টফিন'...তাৰ পাচত জেনোৱা, আৰু জেনোৱা পাই সিহঁতৰ বিয়া হৈ গ'ল।

তাৰ পাছত তাই দুবাৰ চান্ জ্যভানি গাঁৱলৈ গৈছে, এবাৰ লুইজিকো জোৰ কৰি লৈ গৈছে। মাক-বাপেকৰ লগত মোটামোটি এটা “মিটমাট” হৈ গৈছে, তেওঁলোকৰ খং লাহে লাহে পাতলিছে, পৰিস্থিতিটো মানি লৈছে। কিন্তু এতিয়াও তেওঁলোকৰ অসন্তোষ সম্পূৰ্ণ গুচা নাই : এয়া কি এজনী গাভৰু ছোৱালীৰ, স্বাভাৱিক ইটালীয় গৃহিণীৰ জীৱন? ঘৰলৈ উভতি আহা, তুমি আৰু লুইজিয়ে নিজৰ দেশতে বহুত ভাল কিবা এটা কৰি খাব পাৰিবা, এই অঘৰী জীৱন এৰি আহা। তোমালোকৰ জীৱন কি এটা সুস্থ জীৱন? তোমাৰ বেয়া নালাগেনে ফাউষ্টা, কাৰা মিয়া, এনেকৈ দিনৰ পাছত দিন সপ্তাহত ছয়দিন এন্ধাৰ-মুন্ধাৰ চেপখোৱা বাকচ এটাৰ ভিতৰত কোঁচমোচ খাই দম বন্ধ হৈ তৰোৱালৰ “খোচ”, পিষ্টলৰ “গুলী”, কৰতৰ “ৰেপ” .... দিনে দুবাৰকৈ ..... ৰাজ্যৰ হাজাৰ হাজাৰ মানুহৰ সমুখত .. চিড়িয়াখানাৰ গৰালৰ ভিতৰৰ জন্তুৰ দৰে.....।

মেক্‌গ্ৰুৰ মুখলৈ চাই লুইজিয়ে নীৰৱে পেইল্ এইল খাব ধৰিলে, আৰু সিদিনাৰ চান্-জ্যভানি গাঁৱৰ তম্বুৰ তলত ফাউষ্টাৰ আগত সকণ্ঠে কৈ যোৱা

কথাবোৰৰ কথা ভাবিলে। ৰঙীন পৰিকল্পনা। সি ৰিণাল্ডিৰ দল এৰি দিব, নিজৰ ট্ৰুপ গঠন কৰিব ... য'ত আৰু সি সামান্য তৰোৱাল-খাদক লুইজি নহয়, কৰ্ত্তা, মালিক। চিন্যৰ লুইজি ফেৰাৰী। আঙুলিৰ উঠা-নমাত চলিব জগদ্বিখ্যাত "ভেৰাইটি ফেৰাৰী", ফাউষ্টাৰ গাত মিল্ক কোট আৰু ৰুচ চেব্‌ল্, আৰু ফাউষ্টাৰ গলৰ মুক্তাবোৰ আমাষ্টাৰ্ডামত কটা। আৰু "ভেৰাইটি ফেৰাৰী"য়ে যেতিয়া প্ৰদৰ্শনী দিব লণ্ডনৰ পেলেডিয়ামত, ব্ৰাচেল্‌চৰ পেল্যে ড্য গ্লাচ্ আৰু বাৰ্লিনৰ থিয়াটাৰ আম্ শ্লচপাৰ্কত, চিন্যৰ আৰু চিন্যৰা ফেৰাৰী গৈ উঠিব হিল্টন হোটেলত, গ্ৰেণ্ডত, ডৰ্ছেষ্টাৰত....!

নাই, এনেকৈ ফাউষ্টাক দুপৰীয়া এবাৰ সন্ধিয়া এবাৰ বাকচৰ ভিতৰত বন্ধ কৰাৰ কথা সেইদিনা আছিল লুইজিৰ চিন্তাৰ পৰা সহস্ৰ যোজন দূৰত.......

কিন্তু যুদ্ধৰ পাছত যেতিয়া আকাল আৰু অনাটন আহিল দেশত, ৰিনাল্ডিৰ ভেৰাইটিয়ে লালবাত্তি জলালে, সিঁচৰতি হৈ পৰিল বিভিন্ন পিনে দলৰ গায়ক-গায়িকা-বাজনাদাৰ-বহুৰা-কুস্তিগীৰ, চাৰিওপিনে মাথোঁ অভাৱ আৰু ভোক আৰু কৰ্মহীনতা, উৰি গ'ল সকলো পৰিকল্পনা... আৰু আজি অ'ত, কালি ত'ত, এনেদৰে লক্ষ্যহীনভাবে ভাঁহি ভাঁহি অৱশেষত সিহঁত আহি লাগিল লণ্ডনৰ চুবুৰী বে'ল্‌চাইজ্ পাৰ্কৰ এই অখ্যাত, অবন্দিত "মিউজিক হলত", ডৰ্চেষ্টাৰ হোটেলৰ চুইটৰ ঠাইত ইষ্ট-এণ্ডৰ এটা ৱালপে'পাৰ উঠিযোৱা ফ্লেট, চেল'ফ- চাৰ্ভিচ্ দোকানৰ মেনুৰ একঘেয়ে নিম্ন-মধ্যবিত্ত খাদ্য, সেমেকা পাকঘৰ এটাৰ গেচ্-ৰিং এটাত কফি উতলোৱা আৰু চচেজ্ ভজাৰ ৰুটিন....

আৰু ফাউষ্টাই কি কয় ? "....কিন্তু মৰমৰ পাপা আৰু মামা, মোৰ ইয়াত অকণো বেয়া লগা নাই, অস্বাভাবিক জীৱন যেন লগা নাই। লুইজিয়ে ষ্টে'জ এৰি যাব পৰাহেঁতেন আমি নিশ্চয় উভতি গলোহেঁতেন, কিন্তু ষ্টে'জ লুইজিৰ ৰক্তত আছে লুইজিক ষ্টে'জৰ পৰা আঁতৰাই নিলে মাছক পানীৰ পৰা আঁতৰাই নিয়াৰ দৰে হ'ব ... আৰু সঁচাকৈয়ে, চেপেটা বাকচটোৰ এন্ধাৰত বন্ধ হৈ থাকি মই

অলপো বেয়া নাপাও, মোৰ নিশ্বাস লোৱাতো তেনেকৈ একো কষ্ট নহয়। বৰং বেচ মজা মজা লাগে, মনত যে ৰোমাঞ্চ হে লাগে.....

=====================================

বিকিনি খুলি ফাউষ্টাই এটা স্কাৰ্ট পিন্ধি তাৰ ওপৰত এটা ৰেইন্‌কোট চপালে আৰু আয়নাত চাই চাই মুখত এখন স্কাৰ্ফ বান্ধিলে আৰু হাতবেগটো তুলি লৈ যাবলৈ সাজু হ'ল। প্ৰেক্ষাগৃহৰ পৰা হাতচাপৰিৰ শব্দ ভাঁহি আহিল। হিকৰি-ডিকৰি ভগ্নীদ্বয়ৰ পালা শেষ হৈছে। গ্ৰীণৰুমলৈ আহিয়েই দুই ভনীয়ে ড্ৰয়াৰ খুলি কৰবাত লুকায়িত দুখন হেম্-চেণ্ড উইচ্ উলিয়াই চোবাবলৈ আৰম্ভ কৰি দিলে। ফাউষ্টাই ক'লে, "মা-ডনা ! আকৌ খাব আৰম্ভ কৰিলা ? কিয়, বিলৰ চাপাৰ পাৰ্টিলৈ নোযোৱা?"

"ভোক লগাই লৈছো," হিকৰিয়ে (তাইৰ আচল নাম বেলিণ্ডা) ভৰ্তি মুখেৰে কোনোমতে ক'লে আৰু হাঁহিবৰ চেষ্টা কৰিলে।

"অ, মইও ভোক লগাই লৈছো," ডিকৰিয়ে (তাইৰ আচল নাম এন্) ভৰ্তি মুখেৰে কোনমতে ক'লে আৰু হাঁহিবৰ চেষ্টা কৰিলে।

"ওলোৱা, ওলোৱা, বিলে চাৰে-ন টাত বুলি কৈছিল," ফাউষ্টাই ক'লে আৰু ওলাই গৈ লুইজি আৰু মেক্‌গ্ৰুৰ দুৱাৰত টোকৰ দিলে। "ইয়েচ," ভিতৰত পৰা লুইজিয়ে ক'লে। কোঠাত মেক্‌গ্ৰু নাছিল। ফাউষ্টাই ক'লে, "তুমি আজি ইমান অন্যমনস্ক হৈ আছিলা কিয় ?"

"অন্যমনস্ক? মই ?" লুইজি যেন আকাশৰ পৰা পৰিল, "দৰ্শকক সুধি চোৱা।"

"দৰ্শক, বাঃ! দৰ্শকৰ কি চকু কাণ কিবা আছে, দৰ্শকে কেতিয়াবা কিবা ধৰিব পাৰে? কোৱা, সঁচাকৈ, কি হৈছিল ?"

"কি আৰু হ'ব ?"

"নোকোৱা যদি মই বিলৰ পার্টিলৈকে নাযাওঁ, মই ঘৰলৈ যাওঁগৈ", ফাউষ্টাই চূড়ান্ত স্বৰ্ত দি বহিল। ফাউষ্টাৰ গোঁৰৰামি তাৰ নজনা নহয়। তাৰোপৰি, লুইজিয়ে ভাবিলে, পাছলৈ গণ্ডগোল এটা সাঁচি থোৱাতকৈ চিঠিখন এতিয়াই দি লেঠাটো মাৰি পেলোৱাই কি বেয়া হ'ব ?

কলৰব কৰি কৰি মেক্‌গ্ৰু আৰু হিকৰি-ডিকৰি সোমাই আহিল,

মেক্‌গ্ৰু অ-চাৰ্চ্চিলীকৃত আৰু গালৰ ৰং-চং গুচাই হিকৰি-ডিকৰিয়ে সান্ধ্য পৰিচ্ছদ পিন্ধিছে। লুইজিয়ে ক'লে, "যাব লাগিল ? অ' – কি নাম বুলি কৈছিলা ৰেষ্টুৰেন্টখনৰ ?"

"ৰোমানফ্"।

"লেছষ্টাৰ স্কোয়েৰৰ ৰোমানফ ?"

"সেইখনেই", সামান্য বুকু ফুলাই মেক্‌গ্ৰুৱে ক'লে।

"মা-ডনা !", ফাউষ্টাই ক'লে।

"যত ৰীটা হে'ৱাৰ্থে চাপাৰ খায়। ভিতৰখন চাগৈ কেনেকুৱা ! মই ভাই আজিহে প্ৰথম ৰোমানফ্‌ত সোমাম !" হিকৰিয়ে কলে।

"মইও," ডিকৰিয়ে ক'লে।

"বাৰু, তোমালোক আগবাঢ়া! আমি এই আহিছো, " লুইজিয়ে ক'লে।

"কি আমি এই আহিছো ?"

"অ' বিল, আমাৰ এটা কাম আছে, তোমালোক আগবাঢ়া, আমি যাব ধৰিছো," ফাউষ্টাই ক'লে।

"আমি কামটোৰ কথা পাহৰিয়েই গৈছিলো," লুইজিয়ে ক'লে। হিকৰি-ডিকৰিয়ে সমস্বৰে প্ৰতিবাদ কৰি উঠিল আৰু অবিশ্বাসেৰে মেক্‌গ্ৰুৱে ক'লে, "অ' ? আই চি।"

==================================

বে'ল্চাইজ-পাৰ্ক টিউব-ষ্টেচনৰ বাহিৰৰ লাইট এটাৰ পোহৰত ফাউষ্টাই চিঠিখন পঢ়িলে, উদ্বিগ্ন হৈ লুইজিয়ে তাইৰ মুখলৈ চাই ৰ'ল। ফিৰফিৰীয়া চেঁচা বতাহ মাৰিছে। ষ্টেচনৰ সমুখত খবৰৰ কাগজ বেচা বুঢ়ীজনী নিঃশেষিতপ্ৰায় কাগজদ'মৰ পিছপিনে জুপুকা মাৰি বহি আছে। দুই এজন যাত্ৰী মাজে মাজে ষ্টেচনৰ ভিতৰৰ পৰা ৰাস্তালৈ ওলাই আহিছে আৰু ওলায়েই গলৰ মাফলাৰ বা কোটৰ কলাৰ টানকৈ টানি লৈছে। কোনেও ফাউষ্টালৈ বিশেষকৈ ঘূৰি নাচালে। ৰেইন্‌কোট আৰু মূৰৰ স্কাৰ্ফখনৰ তলত গ্লেমাৰ্ গাৰ্ল ফাউষ্টা লণ্ডনৰ ৰাস্তাৰ হাজাৰ হাজাৰ গাভৰু-গৃহিণীৰে এজনী, বিশেষত্বহীনা।

ফাউষ্টাৰ মুখত লাহে লাহে এটা হাঁহি ফুটি উঠিল, আৰু ক'লে, "আৰু ইয়াৰ কাৰণেই তুমি ভাবি মৰিছা ? নাই, এইবাৰ তোমাৰ বিৰুদ্ধে একো নাই। ঘৰুৱা খবৰ! পাপাৰ বাতৰ বিষটো অলপ ভাল পাইছে। খেতি ভাল হৈছে। পিয়েট্ৰই বৃত্তিটো পাইছে। যাক, মা-ডনাক ধন্যবাদ... পিয়েট্ৰক থবলৈ পাপা-মামা দুয়ো পিচালৈ যাব... বৰদিনৰ বন্ধত আমাক এবাৰ যাবলৈ কৈছে... চেপেটা বাকচটোৰ ভিতৰত উশাহ বন্ধ হৈ মৰাৰ কথাও এইবাৰ একো নাই - ধেৎ, তুমি মিছাকৈ —"

লুইজিৰ মুখত লাহে লাহে টান ৰেখাবোৰ ঢিলা হৈ গৈ এটা হাঁহি ফুটি উঠিল, আৰু ক'লে, "যাক! জানা, মইও কেতিয়াবা ভাবো, পাপাৰ অসন্তোষ একেবাৰে অসংগত নহয়। সঁচাকৈয়ে, মই তোমাক বাকচত ভৰোৱাৰ বাহিৰে আৰু কি দিব পৰিছো ? তোমাৰ আগত কিমান ডাঙৰ ডাঙৰ কথা কৈছিলো—"

ফাউষ্টাই ষ্টে'জত হঁহাৰ দৰে হাঁহিলে আৰু লুইজিৰ গালত লাহেকৈ থাপৰ এটা মাৰি কৈ উঠিল, "দেৰি হৈছে। বিলহঁত ৰৈ আছে। কিন্তু এইয়া ক'লৈ আহিলো ? টিউবেৰে যাব খুজিছা নেকি ?"

“অৱশ্যেই। তৎক্ষণাত পাম গৈ। আহা।”

ৰাতি এই সময়ত টিউবেৰে ভ্রমণ কৰিবলৈ লুইজিৰ খুব ভাল লাগে, বিশেষকৈ নৰ্দাৰ্ণ লাইনৰ ট্ৰেইনত। ভিৰ একেবাৰে নাথাকে, বহল বহল ডাব্বাবোৰত মাথোঁ দুই এগৰাকী সিচঁৰতি নিষ্ক্রিয়, ব্যস্ততাহীন অকলশৰীয়া যাত্রী, আৰু ঘৰলৈ ওভতা দুই-এহাল আপোনমত্ত যুৱক-যুৱতী। ক্ষিপ্রও। লেছষ্টাৰ স্কোৱেৰলৈ মাত্র সাতটা ষ্টেচন, পিকাডিলি লাইনলৈ সলনি কৰিলে আৰু মাত্র দুটা বেছি। শূণ্য ট্রেইনবোৰে বিদ্যুৎগতিত সুৰঙ্গৰ এন্ধাৰ আৰু প্লেটফৰ্মৰ পোহৰৰ চকামকাৰ মাজেৰে নিমিষতে লণ্ডনৰ এক কোণৰপৰা আন এক কোণলৈ উৰাই লৈ যায় –

“কি যে কোৱা ! বাচষ্টপলৈ ব’লা,” ফাউষ্টাই ক’লে।

“বাচত গ’লে বহুত দেৰি হৈ যাব। হ’বৰ্ন, অল্ডউইচ, ৰিজেন্ট ষ্ট্ৰিট, সকলোতে যি ৰকম সাংঘাতিক ট্ৰেফিক্-জেম্”।

“বাঃ, আজি আকৌ তুমি নজনাই হ’লা !” মুখখন ওফোন্দাই অভিযোগৰ সুৰত ফাউষ্টাই ক’লে জানাই দেখোন, টিউবেৰে যাবলৈ মোৰ বৰ কিবা কিবা লাগে। মাটিৰ তলেৰে ঘোপমৰা সুৰঙ্গবোৰৰ ভিতৰেৰে বন্ধ ডাব্বাৰ ভিতৰত গৈ আছো, ভাবিলেই মনটো কোঁচ খাই যায়, কথা এটা কবলৈকে মন নাযায়। বাচত ব’লা, বঢ়িয়াকৈ কথা পাতি পাতি যাব পাৰিম, হয় হব দুই মিনিট দেৰি,”। ফাউষ্টাই লুইজিৰ হাতত ধৰি টানিলে, “জানি শুনিও তুমি মোক টিউব-ট্রেইনৰ ডাব্বাত নি ভৰাব খুজিছা, য’ত সোমালেই মোৰ উশাহ বন্ধ হৈ যাব খোজে ! ম-ডনা !”

# ইচ্ছাশক্তি

দহটা নাবাজোতেই লৰালৰিকৈ ৰমনী বৰুৱা আহি ডাকঘৰ পালে, আজিৰ ভিতৰতে যেনেতেনে জৰুৰী চিঠিখন ৰেজিষ্ট্ৰি কৰি পঠিয়াবই লাগে, অহা কালিলৈ আৰু থোৰা নাযায় ইপিনে ১১ টা ৪৭-ত এৰিব ৰেল, ভেলোৰলৈ চিকিৎসাৰ বাবে যাব তেওঁৰ খুলশালীৰ স্বামী (কণ্ঠনলীৰ কেন্সাৰ বুলি সন্দেহ), খুলশালী, এজন খুলশালি আৰু তেওঁৰ নিজৰ স্ত্ৰী। ৰেজিষ্ট্ৰেশন কাউন্টাৰত তেতিয়াও কৰ্মচাৰী অহাই নাই, কিন্তু ইতিমধ্যে সেইখন খিৰিকীৰ সন্মুখত গঢ় লৈছে মস্ত দীঘল শাৰী, খিৰিকীমুখৰ পৰা একাবেঁকাকৈ প্ৰায় দুৱাৰ পৰ্যন্ত। চাৰে দহটাৰ আগেয়ে কোনো দপ্তৰৰ কাম আৰম্ভ নহয়, এই কিউটোৰ শেষত যদি থিয় দিয়ে, তেওঁৰ পাল আঁহোতে আঁহোতে কমেও দুঘণ্টা যাব। ইতিমধ্যে তেওঁৰ ভায়েক আৰু ডাঙৰ ল'ৰাই ভেলোৰ-যাত্ৰী চাৰিজনক গাড়ীৰে ষ্টেশ্যনলৈ নিব (আসন সংৰক্ষিত হৈ আছে), ৰেল এৰাৰ আগেয়ে তেওঁ গৈ ষ্টেশ্যন পাবই লাগে, কিন্তু যি দেখা যায় চাৰে বাৰটাৰ আগেয়ে তেওঁ ডাকঘৰৰপৰা ওলাবই নোৱাৰিব। দুই মুহূৰ্তৰ হতাশভাব, দুই মিনিটৰ বিবুদ্ধি - তাৰ পিছত ৰমনী বৰুৱাই ঠিক কৰি পেলালে তেওঁ কি কৰিব।

("আচলতে, মোৰ কোনো অহংভাব নাই",ৰমনী বৰুৱাই কয়, "কিন্তু নিজৰ মনত জোৰ আনিবলৈকে মই মানুহৰ আগত কৈ ফুৰো, "অ', এইটো কথা ? [বা, সেইটো কথা?] ঠিক আছে, হৈ যাব [বা, কৰা যাব], নিশ্চিন্ত থাকক, লীভ্ ইট্ টু ৰমনী বৰুৱা, ৰমনী বৰুৱাৰ হাতত এৰি দিয়ক, ৰমনী বৰুৱাই চব ঠিক কৰি দিব। মানুহে ভাবে ইয়াৰ দেখোন বৰ ফুটনি হৈছে, কিন্তু আচলতে কথাটো সেইটো নহয় – আচলতে, দেখিছো যে তেনেকুৱা এটা ডাংকোপ মৰা আত্মবিশ্বাসৰ ভাবত কথা ক'লে নিজৰেই এটা দায়িত্বভাৰ আহি পৰে, অ', ৰমনী বৰুৱাই এইটো কৰিব [বা, ৰমনী বৰুৱাই এইটো হ'বই নিদিয়ে] বুলি নিৰ্ভয়ে কৈ

দিলে অইন মানুহেও ঠিক বিশ্বাস কৰিব নোৱাৰিলেও দেখোন মোৰ ভাব-ভংগী দেখি কিবা এটা আশ্বাস পায় – ফলত মোৰো কিবা এটা জেদ বাঢ়ি যায়, যে এইটো মই কৰিমেই, বা এইটো মই হব নিদিওঁ - ফলত প্ৰায়ভাগ ক্ষেত্ৰতে দেখা যায় যে ৰমনী বৰুৱাই কামটো কৰি পেলাইছে, বা ৰমনী বৰুৱাই কথাটো হ'ব দিয়া নাই। মানে, এইৰকম কৈ ফুৰো, একৰকম মনৰ জোৰ আহে| মনোবল, মনৰ জোৰ, বৰ ডাঙৰ জোৰ, ইচ্ছাশক্তি হ'ল মহাশক্তি, বিৰাট এনাৰ্জি, হাইড্ৰ'জেন বোমাৰ এনাৰ্জিতকৈও বোলে জোৰদাৰ এনাৰ্জি – হেঃ হেঃ – নিজৰ ভিতৰখনতো মনৰ জোৰেৰে বহুত কিবাকিবি কৰিব পাৰি – এই ধৰক, মই গপচত কৈ ফুৰো, - 'ডায়াবেটিছ? দেখা যাব, ৰমনী বৰুৱাৰ ওচৰলৈ ডায়াবেটিছ কেনেকৈ আহে', আৰু এই চাওঁক, এই বয়সতো কেনেকৈ লুভীয়া সৰু ল'ৰাৰ দৰে মিঠাই-মণ্ডা খাই ফুৰিছোঁ, কোনো কমপ্লেইন নাই - আৰু নিজৰ বাহিৰৰ জগতখনত বোলে মানুহে ইচ্ছাশক্তিৰে বহুত কিবাকিবি ঘটাই দিব পাৰে, বহুত –" ইত্যাদি|

আজি পুৱাও ঘৰত ভেলোৰ-যাত্ৰাৰ প্ৰস্তুতিৰ ব্যস্ততাৰ মাজত তেওঁ ঘোষণা কৰিছে যে তেওঁ সকলোৰে লগত একেখন গাড়ীৰে ষ্টেশ্যনলৈ নাযায়, তেওঁ প্ৰথমতে এই জৰুৰী চিঠিখন ৰেজিষ্ট্ৰি কৰি পঠিয়াব, তাৰ পিছত ষ্টেশ্যনলৈ গৈ সকলোকে বিদায় দিব – নাই, অহা কালিলৈ থ'ব নোৱাৰি নাই, ডাকঘৰলৈ পঠিয়াবপৰা আন কোনো মানুহোতো এতিয়া নাই, তেওঁৰেই যাব লাগিব। কিন্তু কেনেকৈ, ঘৈণীয়েক কৈছে, পোষ্ট অফিচ খুলিব দহটাত, কাম আৰম্ভ হ'ব চাৰে দহটাত, ৰেজিষ্ট্ৰেশন-চেজিষ্ট্ৰেশন কৰি থাকোতেইতো যাব আৰু কেইঘন্টা, আপুনি আহি ষ্টেশ্যন পায় মানেতো আমাৰ ট্ৰেইন গৈ কোন ধুবুৰী পাব, আপোনাৰ কাৰণে আৰু কিবা ট্ৰেইন ৰৈ থাকিব নেকি - আজিৰ দিনটোও আৰু আপোনাৰ মস্ত জৰুৰী চিঠিখনৰ কামটো বাদ দিব নোৱাৰেনে - ভণ্টিহঁত কিমান বিপদত পৰি ভেলোৰলৈ যাব ওলাইছে, আপোনাৰ চিঠিখনেই তাতকৈ ডাঙৰ কথা হ'ল নে? ৰমনী বৰুৱাই এটা হাঁহি মাৰিছে আৰু কৈছে, ৰেজিষ্ট্ৰেশনো হ'ব, ট্ৰেইনো হ'ব -

ট্ৰেইন একদম ৰাইট টাইমত গলেও হ'ব - তুমি চাই থাকা - ৰমনী বৰুৱাই ভাৰ লৈছে, ৰমনী বৰুৱাই দুইটাই মেনেইজ কৰি দিব – ভাবিব নালাগে দিয়াছোন –')

কিউৰ মানুহবোৰৰ পিনে চাই চাই ৰমনী বৰুৱা আগুৱাই আহিল – নাই, শাৰীত চিনকি মানুহ কোনো নাই। কাউন্টাৰৰ প্ৰায় মুখলৈ আহি তেওঁ ৰ'ল, মানুহৰ মুখবোৰ নিৰীক্ষণ কৰিলে। এক নম্বৰত থিয় দি আছে এগৰাকী প্ৰৌঢ়া,শকত পাঞ্জাৱী মহিলা(বোধহয় চৰাই-চিৰিকতি টোপনিৰপৰা নুঠোতেই ভদ্ৰমহিলাই ডাকঘৰলৈ ঢাপলি মেলিছে, তেওঁ ভবিল), তাৰ পিছত এটা জীন্‌ছ পিন্ধা ডেকা ল'ৰা, তাৰ উচপিচ ভংগী আৰু অধৈৰ্য্য খঙাল মুখখন তেওঁৰ বৰ সুবিধাৰ যেন নালাগিল, তাৰ পিছত লুঙী আৰু গেঞ্জী পিন্ধা এজন ঘোৰ কৃষ্ণবৰ্ণ ডেকা মানুহ (খৈনী মলিছে - বিহাৰী? মুখৰ ভাব নিৰ্বিকাৰ - এবাৰ সুধি চাব পাৰি নেকি, তেওঁ ভাবিলে),তাৰ পিছত মজলীয়া গঢ়ৰ এজন ধুতি-পাঞ্জাৱী পিন্ধা আদহীয়া মানুহ (প্ৰায় তেওঁ বয়সৰ), ভৰিত চপ্পল, চকুত মোটা চশমা (তেওঁৰ যোৰৰ দৰে), এহাতে এটা পৰ্টফলিঅ' বেগ, আনহাতে এটা দীঘল বগা লেফাফা, মুখৰ ভাবটো নম্ৰ আৰু শান্তশিষ্ট , সৌহাৰ্দ্যপূৰ্ণ, তাৰ পিছত ৫ নম্বৰত - ৰমনী বৰুৱাই আকৌ ৪ নম্বৰৰ পিনে চালে, ধূতিৰ পোন্ধটো চাই অনুমান কৰিলে যে ভদ্ৰলোক বোধহয় বঙালী, ধাৰণা হয় যেন কাৰোবাক কিবা এটা সহায় কৰি দিব পাৰিলে বেয়া নাপায়, এনে মানসিকতাৰ মানুহ - আচ্ছা, দেখাই যাওঁকচোন - ৰমনী বৰুৱা ৪ নম্বৰৰ কাষত গৈ থিয় দিলে, মানুহজনে অলপ আচৰিত হোৱাৰ দৰে তেওঁৰ পিনে চালে, ৰমনী বৰুৱাই এবাৰ গল হেকাৰি দিলে, আৰম্ভ কৰিলে, 'এ – আপোনাক এটা কথা সুধিব খুজিছিলোঁ ইফ ইউ ড'ন্ট্ মাইণ্ড্ - মানে – এটা ৰিকুৱেষ্ট -"

মানুহজনে সপ্ৰশ্নভাবে এবাৰ মৃদু হাঁহিলে, ক'লে, অ', কওঁকছোন –

'অ', অসমীয়া মানুহ তেনেহ'লে, ৰমনী বৰুৱাই ভাবিলে, বঙালী হ'লে বে'টাৰ্ আছিল - যি হওক, তেওঁ আৰু সময় নষ্ট নকৰি সংক্ষেপে তেওঁৰ

সমস্যাটো ক'লে, তেওঁৰ চিঠিখন জৰুৰী, অথচ ১১.৪৭-ত ট্ৰেইন, ভেলোৰলৈ চিকিৎসা-যাত্ৰী, ইত্যাদি, তেওঁ যদি অনুগ্ৰহ কৰি তেওঁৰ চিঠিখনৰ লগতে ৰমনী বৰুৱাৰ খনো ৰেজিষ্ট্ৰি কৰি দিয়ে, বৰ উপকাৰ হয়, তেওঁ আৰু তেতিয়াহ'লে ট্ৰেইন 'মিছ'নকৰে –'ঠেকাত পৰি আপোনাক দিগদাৰি দিছোঁ'

'ন' প্ৰব্লেম, – ৪ নম্বৰৰ ভদ্ৰলোকে ক'লে আৰু হাতৰ লেফাফাটো ইখন হাতলৈ নি হাত বঢ়াই দিলে, 'দিয়ক – আপুনি সেইখন বেঞ্চিতে অলপ বহক –'

যাক, সঠিক মানুহজনকেই তেওঁ নিৰ্বাচন কৰিছে। কাউন্টাৰৰ মানুহ আহিল, প্ৰথম তিনিজনৰ হাতত এখন বা দুখনকৈহে চিঠি, ৪ নম্বৰ আহি খিৰিকীত থিয় দিবলৈ পোন্ধৰ কুৰি মিনিটৰ বেচি নেলাগিল, তাৰ অলপ পাছতেই ৰমনী বৰুৱাৰ হাতত তেওঁৰ ৰছিদখন দিলে, ক'লে, 'এই যে (বেৰৰ ঘড়ীটোলৈ চালে) – টাইম আছে, আপোনাৰ ট্ৰেইন পাই যাব –'

'আপোনাক কি বুলি যে ধন্যবাদ দিম – মাচ্ছ্ - অব্লাইজড় -'

'ন' ট্ৰাবল্'

'ভাল বাৰু - দিগদাৰ দিলোঁ, বেয়া নাপাব – ডাঙৰ সহায় কৰিলে - অ' আপোনাক পিছে মই প্ৰথমতে বঙালী মানুহ বুলিহে ভাবিছিলোঁ (মানুহজনে আকৌ এবাৰ মিচিকি হাঁহিলে) – যদি বেয়া নেপায় আপোনাৰ নামটো -'

'ৰমনীকান্ত বৰুৱা'

(আ, মাত্ৰ মাজত এটা 'কান্ত' আছে – কিন্তু তেওঁকো নিশ্চয় মানুহে ৰমনী বৰুৱা বুলিয়েই কয়)

জোৰ বেগে স্কুটাৰ চলাই ৰমনী বৰুৱাই ষ্টেশ্যন পালে,ল'ৰালৰিকৈ প্লেটফৰ্মত সোমাল, ডাব্বাটো বিচাৰি উলিয়ালে, ট্ৰেইন এৰিবলৈ তেতিয়াও প্ৰায় আধাঘণ্টা আছে - সকলো আচৰিত, তেওঁ ইমান সোনকালে ষ্টেশ্যন আহি পাব বুলি কোনেও আশাই কৰা নাছিল – ঘৈণীয়েকে ক'লে, 'হয় দিয়ক, কেনেকৈনো ইমান তাড়াতাড়ি ৰেজিষ্ট্ৰি কৰি পেলালে? কোনোবাই কৰি দিলে নেকি? ' ৰমনী

বৰুৱাই সগৰ্বে সঁচা কথাই ক'লে, 'কোনে আৰু কৰিব, ৰমনী বৰুৱাইয়ে কৰিলে'।

ইচ্ছাশক্তি থাকিলে কি নহয়।

ৰমনী বৰুৱাই ঘটনাটো কোৱাৰ পিছত মই অলপ সময় মনে মনে থাকিলোঁ তাৰ পিছত ক'লো, 'অ', এইটোক আপোনাৰ ইচ্ছাশক্তিৰ এটা উদাহৰণ বুলি ভাবি ল'ব পাৰে, কিন্তু গোটেই বস্তুটো কাকতালীয়ও হ'ব পাৰে, মানে কয়ন্‌ছিডেন্স্‌। অৱশ্যে আপুনি হয়তো ক'ব, আপুনি মনত জোৰ ৰাখি ঘোষণা কৰিলে যে সময়ে নুকুলাব যেন লাগিলেও ৰমনী বৰুৱাই পোষ্ট অফিচ আৰু ষ্টেশ্যন দুয়োটা 'মেনেইজ' কৰি দিব, ফলত আপুনি গৈ ক'ব পাৰিলে যে ৰমনী বৰুৱাইয়ে দুয়োটা কাম হাচিল কৰিলে – কিন্তু এটা সামান্য ছলনা ইয়াত মন কৰিছেনে : ৰেজিষ্ট্ৰিৰ কামটো আচলতে ৰমনী বৰুৱাই কৰা নাই, কৰিলে ৰমনীকান্ত বৰুৱাই। আপুনি ক'ব, সেইটো ধৰ্ত্তব্যৰ নহয়, তেওঁতো চবৰে কাৰণে প্ৰেক্টিকেলি ৰমনী বৰুৱাই – কিন্তু তথাপিও এটা সৰু বিসংগতি থাকি নগ'ল নে? আনহাতে, ঘটনাটোৰ এটা ৰেশ্যনেল, মানে যুক্তিনিৰ্ভৰ, ব্যাখ্যাও থাকিব পাৰে ? একে নামৰ মানুহ বহুত থাকে, তাৰে দুজন মাজে সময়ে একে ঠাইতে মিলিত হ'বও পাৰে – যেনে, ধৰক মোৰ নাম সুৰেন মেধি, মই জনাত সুৰেন মেধি বহুত আছে, সুৰেন মেধি নামৰ অ. গ. প. ৰ এজন মন্ত্ৰী আছে, ইঞ্জিনীয়াৰিং কলেজৰ এজন প্ৰফেছৰ আছে, মোৰ ল'ৰাটোৰ হোষ্টেলত সুৰেন মেধি নামৰ এজন ৰান্ধনী আছিল, সুৰেন মেধি নামৰ এটা গভাইত চোৰ সিদিনা বাইহাটা চাৰিআলিত ধৰা পৰিছে, ইত্যাদি ইত্যাদি, তাৰে দুজন সুৰেন মেধি একেলগে একেটা সময়ত একেটা ঠাইত কেতিয়াবা আহি পৰিবও পাৰে, তাৰ নিশ্চয় এটা ষ্টেটিছ্‌টিকেল প্ৰবেবিলিটি – এটা পাৰিসাংখ্যিক সম্ভাৱনা – আছে, হয়তো সেই সম্ভাৱনাৰ সংখ্যাটো অতি ক্ষুদ্ৰ, কিন্তু শূণ্য নহয় – অৰ্থাৎ, তেনেকুৱা এটা ঘটনা ঘটিব পাৰে, তেনেকুৱা ঘটাটো অসম্ভৱ নহয়। মানে, একেবাৰে আশ্বৰ্য্য বা দৈৱিক যেন লগা

ঘটনাটোৰ এটা সৰল যুক্তিপূৰ্ণ ব্যাখ্যা থাকিব পাৰে। আপুনি কয়, ইচ্ছাশক্তিৰে মানুহে বাহিৰ-জগততো ঘটনা ঘটাব পাৰে, পৰিৱৰ্তন আনিব পাৰে, এই ফুলদানীটোৰ পিনে চাই চাই ফুলদানীটো মেজৰপৰা মাটিত পেলাই দিব পৰে, ইয়াত বহি বহি আপোনাৰ ইচ্ছাশক্তি খটাই নিউইয়ৰ্কত কাৰোবাৰ অসুখ ভাল কৰি দিব পাৰে – আৰু কত কি। আমাৰ পুৰাণবোৰতো এইৰকম ইচ্ছাশক্তিৱালা ঋষি-মুনি দেৱ-দেৱীৰ অলৌকিক, ব্যাখ্যাতীত কাণ্ড-কাৰখানাৰেই ঠাহ খাই আছে - আপুনি নাভাবেনে যে এই ফেন্টেষ্টিক কাৰবাৰবিলাক কিজানি মানুহৰ ইচ্ছাপূৰণৰেই হাবিয়াস, মানে যাক কয়, উইশফুল থিংকিং' –

ৰমনী বৰুৱাই ক'লে, 'কিন্তু ইচ্ছাপূৰণৰ চেষ্টাৰ পৰাই তো ইচ্ছাশক্তি আহে, নাহে জানো? ক'ৰবাত সিদিনা পঢ়িলোঁ, ৰুছিয়াতো বোলে আজিকালি এই বিষয়ে বহুত গবেষণা চলিছে – নীনা কুগালভা নে নীনা কিবা নামৰ এগৰাকী বয়সীয়াল গৃহিণীয়ে বোলে চকুৰে চাই চাই, ভাবি ভাবি, টেবুলৰ ওপৰৰ সৰু সৰু বস্তু লৰচৰ কৰাব পাবে – ইয়াক কিবা টেলিকাইনেছিছ্ (Telekinesis) বুলি কয় – পেৰানৰ্মেল (Paranormal) ঘটনা – কিন্তু নীনাই এইবোৰ কৰি দেখুৱায় ডাঙৰ ডাঙৰ বৈজ্ঞানিকৰ চকুৰ আগত, টি. ভি. কেমেৰাৰ সন্মুখত, এক্সপেৰিমেন্টবোৰত ফাঁকি দিয়াৰ সুৰুঙা নাথাকে – ক'ৰবাত ক'ৰবাত হেনো কোনোবাই তাঁৰৰ কানেক্শ্যন নথকা লাইটৰ বাল্ব ক্ষন্তেকৰ বাবে জ্বলাই দিব পাৰে, চুম্বকৰ আকৰ্ষণ বন্ধ কৰি দিব পাৰে – সিদিনা এখন মেগাজিনত এজন শিখৰ কথা পালোঁ – নামটো পাহিৰিলোঁ – ট্ৰেনছেণ্ডেণ্টেল মেডিটেশ্যন কৰে, তেওঁ হেনো লণ্ডনৰ এটা পাব্লিক হলত টেলিভিশ্যনৰ সন্মুখত মাত্ৰ গভীৰভাবে চকুৰে চাই চাই এটা তেলৰ প্ৰদীপৰ শলিতাডাল জ্বলাই দিলে --'

মই ক'লো, 'অ', এনেকুৱাবোৰ ঘটনাৰ কথা মাজে মাজে শুনা যায়, অৱশ্যে, কিন্তু শেষলৈ ধৰা পৰে যে বেছিভাগেই ফাঁকি, মেজিক, কোনো আশ্চৰ্য্য, অবোধ্য ঘটনা নহয়। যদি কোনোবাটো হয় যেন লাগেও, কোনো বৈজ্ঞানিকেই

ভাবি উলিয়াব পৰা নাই, তাৰ প্ৰক্ৰিয়াটো কি হ’ব পাৰে, তাৰ যুক্তিপূৰ্ণ, বৈজ্ঞানিক ব্যাখ্যা কি হ’ব পাৰে। সিদিনা মোৰেই এটা তেনেকুৱা অভিজ্ঞতা ঘটিল –’

‘আপোনাৰ !’

‘হয়। কিবা এটা লিখিবৰ চেষ্টা কৰি আছিলোঁ, মূৰৰ ওপৰত ফেন চলি আছিল। লিখাত মনোযোগ অহা নাই, মনত এটা উচ্‌পিচ্‌ বিৰক্তিৰ ভাব আহিব ধৰিছে, হঠাৎ খেয়াল হ’ল যে ফেনখনেই অশান্তি কৰিছে, ডিষ্টাৰ্ব কৰি আছে। বেছি জোৰে দিলে – ধৰক ‘৪’-ত বা ‘৫’-ত, ফেনখনে এটা কেৰ্কেৰ্ কেৰ্কেৰ্ শব্দ কৰে, বতাহ বৰ বেছি হয় – মোৰ কাৰণে উপযুক্ত ঘাটটো হ'ল ‘৩’ - ভাবিলোঁ ফেনখন ‘৩’ তে দিও, নাঃ, একেবাৰে বন্ধই কৰি দিওঁ, তেনেকুৱা গৰমো তো নাই – কিন্তু চুইছটো আছে টেবুলৰপৰা দূৰত, হাত বঢ়াই পোৱা নাযায়, উঠি গৈ বন্ধ কৰিব লাগিব। কিন্তু টেবুলৰপৰা উঠি যাবৰ মন যোৱা নাই, উঠি গ’লে যেন লেখাটো নষ্ট হৈ যাব তেনেকুৱা এটা ভাব আহিছে – এওঁক মাত দিলোঁ, এওঁৰ সাৰ-সুৰ নাই, বোধহয় গা ধুবলৈ গৈছে, মাজনীক মাতিলো, নাই, তাইৰ কোনো মাত নাই - অ’ নাই, তাইতো অলপ আগতে টিউশ্যনলৈ গ’ল, মইনা স্কুললৈ গৈছে - মুঠতে, ফেনখন বন্ধ কৰি দি যাবলৈ কোনো নাই। মূৰ তুলি ফেনখনলৈ চালোঁ, সোঁ-সোঁকৈ ঘূৰিছে, পাখি কেইখন স্পষ্ট মনা নাযায়, কিছুসময় চাই থাকিলোঁ, হঠাৎ মনত কেনেকৈ জানো এটা ভাব আহিল, আচ্ছা, ইয়াৰপৰা উঠি নোযোৱাকৈ, ইয়াৰপৰা চাই চাই ফেনৰ পাখিকেইখন আকৌ স্পষ্টকৈ দেখা যোৱা কৰিব নোৱাৰি নেকি; কি ঠিক, কিজানি জোৰ দি ইচ্ছা কৰিলে মই ফেনখন ইয়াৰপৰাই বন্ধ কৰি দিব পাৰোঁ? নিজে নিজেই হাঁহিলো, আৰু বুজিছে বৰুৱা, ধেমালি কৰাদি নিজকে নিজে ক’লো, বাৰু, মই আস্তে আস্তে একৰপৰা দহলৈ গণিম, দহ পোৱাৰ আগেয়ে ফেন বন্ধ হৈ যাব। এক-দুই-তিনি .. সাত আঠ – খট্, চুইচ অফ কৰি দিলে যিৰকম ফেনৰ আৱাজ বদলি যায়, তেনেকৈ ফেনখনৰ স্পীড কমি গ’ল,

কমি গ'ল, ব্লেড্ কেইখন স্পষ্ট হৈ আহিল, অৱশেষত একেবাৰে বৈ গ'ল – বিশ্বাস কৰক বৰুৱা, মই একদম হতভম্ব হৈ গ'লো –'

'হাঃ হাঃ হাঃ, বঢ়িয়া গল্প বাহিৰ কৰিছে আপুনি --'

'নহয়, নহয়, সইত খাই কৈছোঁ, গল্প নহয়, একেবাৰে সচাঁ কথা। কিন্তু হতভম্ব হৈ গ'লো যদিও, লগে লগেই মোৰ মনত খেলালে, এইটো কেনেকৈ হ'ব পাৰে, ইয়াৰ কাৰ্য্যকৰণ সম্বন্ধটো কি হ'ব পাৰে, মোৰ ইচ্ছাই ফেনৰ ঘূৰণ বন্ধ কৰি দিব পৰাৰ কি বৈজ্ঞানিক প্ৰক্ৰিয়া থাকে? হয়তো মোৰ ইচ্ছাই, মোৰ ভাৱনাই, মোৰ মগজুত ব্ৰেইনৱেইভৰ সৃষ্টি কৰিছে – মস্তিষ্ক তৰংগ – মোৰ চিন্তাৰ প্ৰকৃতি, প্ৰৱলতা আৰু আকৃতিৰ লগত সাদৃশ্য বা সামঞ্জস্য ৰাখি সেই অনুযায়ী মোৰ মূৰৰপৰা মস্তিষ্ক তৰংগ নিৰ্গত হৈছে - এইবোৰ ঢৌ ৰেডিঅ'ৰ দৰে বিদ্যুৎচৌম্বক ঢৌ নে কিবা ৰাসায়নিক-বৈদ্যুতিক ঢৌ, নে আন কিবা আমি নজনা-নুশুনা ঢৌ, কোনেও নাজানে - যিহওক, বাহিৰৰ পাৰিপাৰ্শ্বিকলৈ এই ঢৌৰ বিকিৰণ হৈছে - মনে যাক কয় ৰেডিয়েটেড্ হৈছে, বিয়পি গৈছে - সেই ঢৌৱে ওচৰে-কাষৰে, ইনক্লুডিং মোৰ ফেনখনত – ক্ৰিয়া কৰিছে, বিভিন্ন অণু-পৰমাণুৰ গাঁথনিৰ অদল-বদল ঘটিছে, বিভিন্ন এনাৰ্জিৰ - আমিতো জানো সমস্ত বিশ্ব-ব্ৰহ্মাণ্ড বিভিন্নধৰণৰ জনা-অজানা এনাৰ্জিৰে পূৰ্ণ হৈ আছে - বিভিন্ন এনাৰ্জিৰ ক্ৰিয়া-প্ৰক্ৰিয়া হৈছে, শক্তি-স্তৰবোৰৰ,এনাৰ্জি লেভেলবোৰৰ, পুনৰ্বিন্যাস ঘটিছে - আমাৰ একেবাৰে অজ্ঞাত বিচিত্ৰ বিচিত্ৰ প্ৰক্ৰিয়া - অৱশেষত,'ফেনখন বন্ধ হৈ যাওঁক', এই চিন্তাৰ তীব্ৰতা আৰু অৱয়বৰ লগত সামঞ্জস্য ৰাখি ফেনখন বন্ধ হৈ গৈছে। কিন্তু যি কৈছোঁ, এইবোৰ প্ৰক্ৰিয়া ঘটে নে নঘটে, আছে নে নাই, আমি একো নজানো,গতিকে এইবোৰ জল্পনা-কল্পনা এৰি সৰল আৰু সাধাৰণ ব্যাখ্যাটোতে আমি আজিৰ দিনত সন্তুষ্ট থকাই ভাল। যুক্তিসংগত – মানে, ৰেশ্যনেল – কাৰণ এটা পালে সেইটো গ্ৰহণ কৰাই হ'ব বৈজ্ঞানিক দৃষ্টিভংগী -, অৱশ্যে অলপ পাছতে মই এই সৰল সহজ কাৰণটোও বুজি পালো –'

‘সহজ, সৰল কাৰণ? কেনেকুৱা? আপোনাৰ ইচ্ছা মতে ফেন বন্ধ হৈ গ’ল – তাৰ আৰু কিবা সৰল, সাধাৰণ – আপনি যাক কৈছে ৰেশ্যনেল –ব্যাখ্যা হ’ব পাৰে নেকি? কেনেকুৱা সহজ-সৰল কাৰণ ?’

‘সদায় যিটো কাৰণ, সেইটোৱেই - মানে, যাক আমি কওঁ ‘লাইট গল’ বা ‘কাৰেন্ট গ’ল’ – বিদ্যুৎ পৰিষদৰ মৰ্জিমতে ঘটি থকা পাৱাৰ-কাট্, লড-শ্বেডিং -”

হাঁহো নে নাহাহোঁ বুলি ৰমনী বৰুৱা থমকি ৰ’ল, কাৰণ তেওঁও সুদাই এৰা ভকত হয়, ক’লে, ‘অ’ - কিন্তু আপোনাৰ চিন্তাই বিদ্যুৎ পৰিষদৰ মৰ্জি কিবা প্ৰভাৱিত কৰিলে নে নাই, সেই প্ৰশ্নটো থাকি নগ’ল নে ?’

# ভালবাপুৰ ভাবনা

মই – অ' ভালবাপু দেখোন। হঠাৎ?

ভালবাপু - এটা সমস্যা হৈছে, তোমাৰ পৰামৰ্শ লাগে। কিন্তু প্ৰথমতে, কিৰকম, খবৰ-টবৰ?

ম - চলি আছে। যথাৰীতি। পিচে, তোমাৰ আকৌ কি সমস্যা ওলাল?

ভা – বিয়া।

ম – বিয়া ? কাৰ বিয়া ?

ভা - কাৰ আৰু। অন্যৰ বিয়া লৈ মই কেতিয়াবা মাথা ঘামাও নেকি ? মোৰ নিজৰ বিয়া।

ম - তোমাৰ বিয়া ? Et tu, Brute?

ভা – কি?

ম— অৰ্থাৎ, 'তুমিও ব্ৰুটাছ'?

ভা – তাৰ মানে?

ম – শেক্সপীয়াৰ। যাব দিয়া। কিন্তু তুমিতো বৰলা থাকি গ'লা বুলিয়েই সকলোৰে জানে, বয়সো তো পাৰ হৈ গ'ল -

ভা - বিয়াৰ কিবা ধৰা-বন্ধা বয়স আছে নেকি ? ৮০/৯০ বছৰ বয়সতো তো মানুহে -,

ম – সেইবোৰ ব্যতিক্ৰম। বিশেষ কিছুমান মানুহৰ কথা – কিছুমান মানুহৰ বিৰাট ভোক থাকে, প্ৰচণ্ড ভাইটেলিটি - এজনী ঘৈণী মৰিল তো আনিলে আৰু এজনী, এণ্ড চ' অন, এড্ ইন্‌ফিনিটাম – মোৰ ঘৰত দিনহাজিৰা কৰে এক মিঞা, বয়স সত্তৰ প্লাছ, এদিন তাক বিচাৰি তাৰ ঘৰলৈ গৈ ধাৰণা হ'ল তাৰ বিবি

পাঁচজনী নে ছয়জনী - জানিছিলো মিঞাৰ মেক্সিমাম্ এলাউড হ'ল চাৰিজনী - বাচ্ছা-কাচ্ছাও ৰেগুলাৰ পয়দা হৈ থাকে, অৱশ্যে সেইবোৰ তাৰ নিজৰ নে -

ভা – হেং ইয়ৰ মিঞা - টু হে'ল্ উইথ ইয়ৰ্ মিঞা, তোমাৰ মিঞাৰ কথা শুনিবলৈ মই অহা নাই -

ম - অৱশ্যেই, অৱশ্যেই - যি কৈছিলোঁ, বিয়াৰ কথা আহে কিবা বিশেষ পৰিস্থিতিত কিবা এৰাব নোৱাৰা অৱস্থাত, কিবা ঘটনাচক্ৰত কেতিয়াবা দুই - এজনৰ ভাটি বয়সত বিয়া হয় -

ভা – মোৰ সেয়ে। বিশেষ পৰিস্থিতি।

ম – অ' ? কি, নতুনকৈ ক'ৰবাত প্ৰেম-ট্ৰেম -

ভা – (হাতৰ অধৈৰ্য্য বা) - জানাই তো সেই প্ৰেম-ট্ৰেমৰ লগত মোৰ ৰাহি-যোৰা নাহে -

ম – অ', তেনেকুৱা বুলিয়েইতো আমি সকলোৱে জানি আহিছোঁ ইমানদিনে – নে মনে মনে কৰ'বাত কিবা কৰিছা, কোনোবা ছোৱালীয়ে ভালকৈ এপালি দিছে, ফলত আমাক দেখুৱাই ঘোৰ বৈৰাগী সাজি বহি আছা – কোনে জানে। অন্যথায়, অকলে অকলে ডাং-বৰলা জীৱনটো তো কোম্পানীৰ মেনেজাৰি কৰি কৰি আমনি লাগিছে, ভাবিছা, এইবাৰ এক সৰু-সুৰা ঘৰ সংসাৰ –

ভা - নহয়, সেইটোও নহয়, জানাইতো সেইচব ছংছাৰ-টংছাৰ কৰাৰ মোৰ কোনো টেণ্ডেন্সি নাই –

ম - অ', তোমাৰ তেনেকুৱা কোনো প্ৰবৃত্তি নাই বুলিয়েইতো জানো – জেঠাদেউ, মানে তোমাৰ দেউতা, ঢুকোৱাৰ পাছত তো দাদা-বাইদেউহঁতে তোমাৰ বিয়া পাতিবৰ চেষ্টা কৰি কৰি হাত দাঙি দিলে, জেঠাইদেৱে, মানে তোমাৰ মায়েইতো চেষ্টা এৰি দিছে কোন কেতিয়াবাই – তেনেহ'লে আজিনো হঠাৎ -

ভা – ক'লোৱেই তো, বিশেষ পৰিস্থিতি। মা।

ম – অ’ ? কিয়, জেঠাইদেৱে কি এতিয়াও তোমাৰ বিয়া দিয়াৰ চেষ্টা - বাই দি বাই, তোমাৰ ডাঙৰ বাইদেউৰ ঘৰলৈ বহুদিন যোৱা নাই - কেনে আছে এতিয়া জেঠাইদেউ ?

ভা – ভাল নহয়। ছিংকিং। বয়সো তো কম হোৱা নাই – অহা নৱেম্বৰত ৮২-ত সোমাব। জানাইতো, মা প্ৰথমতে আমাৰ নিজা পুৰণি ঘৰতে আছিল ডাঙৰ দাদাৰ লগত, তেতিয়াই বাওঁ ভৰি পেৰালাইছিছ, তাৰ পিছত দাদা ঢুকোৱাৰ পিছত বৌক সকাহ দিবলৈ ডাঙৰ বাইদেউ আৰু ভিনদেৱে নি তেওঁলোকৰ লগত ৰাখিছে যিমান পাৰে কষ্ট নোপোৱাকৈ মাক ৰাখিছে, প্ৰায় ইন্টেন্‌ছিভ্ কেয়াৰ ইউনিটত ৰখাৰ দৰে - কিন্তু হ’লে কি হ’ব, ভৰিৰ পেৰালাইছিছ বিয়পি গৈ গৈ এতিয়া দেহাৰ গোটেই বাওঁফালটোৱেই সম্পূৰ্ণ অসাৰ - কোনোমতে পৰি থাকে বিছনাতে, হুইল চেয়াৰতো আৰু বহিব নোৱাৰি - নানান ৰকমৰ বিষ - কেঁকাই থাকে - বে’ড ছ’ৰ - কোনোমতে সোঁহাতখন অলপ লৰচৰ কৰিব পাৰে, হ’লেও খুৱাই দিব লাগে, ধুৱাই দিব লাগে - চকুৰেও আৰু ভালকৈ নমনে, কাণেৰেও নুশুনা হৈ আহিছে, কাণৰ কাষত গৈ চিঞৰিব লাগে। কথাবোৰো পাহৰি যায় - খালি এটা কথা পাহৰি নাযায়, যে ‘ভালবাপুৰ বিয়াখন পাতি দিয়া নহ’ল’, ‘ভালবাপুৰ বিয়াখন পাতি দিয়া নহ’ল’ – এটা অব্‌ছেশ্যন বা মেনিয়া, বা কি ক’ব পাৰি - ‘ভালবাপু, তোৰ বিয়া নাপাত? তোৰ বিয়াখন আৰু কিমানদিন পিছুৱাই থাকিবি ? মৰাৰ আগেয়ে বোৱাৰীজনীৰ মুখখন দেখি যাব নিদিবি ? ’ – এইৰকম এইৰকম কথা – মানে মোৰ বিয়াখন পাতি দি নগ’লে হেনো মাৰ অধৰ্ম হ’ব, পাপে চুব, পাপৰ বোজা লৈয়েই চকু মুদিব লাগিব, এইৰকম চব ৰাবিশ্। মই খালি কওঁ, ‘তই খালি এই একেটা কথাকে লৈ মন বেয়া কৰি নাথাকচোন, বিয়া-চিয়া যেতিয়া কৰো গম পাবি নহয়’ –

ম – এঃ। ময়ো বহুদিন জেঠাইদেউক চাবলে যাব পৰা নাই - কালি-পৰহিৰ ভিতৰতে এবাৰ যাব লাগিল – তুমিতো যোৱা সদায় একোবাৰ ?

ভা – অ’, গৈ আছো, কিন্তু আৰু যাবলৈ ভয় লগা হৈছে, ইচ্ছা নোহোৱা হৈছে – মুখেৰে কোনেও একো নকয়, কিন্তু সকলোৱে মোৰ পিনে কেনেকৈ যে চায় – যেন মইহে মস্ত কিবা দোষ কৰিছো, যেন মোৰ কাৰণেই এতিয়া মাৰ অৱস্থা এনেকুৱা বেয়া হৈছে –

ম - আৰু বেয়া হৈছে নেকি ?

ভা – অ’, সেইটোৱেইটো ক্ৰাইছিচ। কেইদিনমান হ’ল কমিপ্লিকেশ্যনবিলাক বাঢ়িছে – হাৰ্ট, পাল্‌ছ্‌, প্ৰে’ছাৰ, খোৱা-বোৱা একদম কমি গৈছে, এনেয়ে শৰীৰত তো একো নাই, খালি হাড় কেইডাল, খায়ো তো অতি সামান্য, এতিয়া সেইখিনিও এৰিছে, অতি দুৰ্বল, কেঁকাই থাকে, মাজে মাজে বাইদেউ-ভিনদেউহঁতক ফিচফিচাই কোৱাৰ দৰে কয়, ভালবাপুৰ বিয়াৰ কিবা এটা কৰ, মোক শান্তিত মৰিব দে – আমি বুজিছো – মাৰ আৰু কেইদিন, নিজকে মেন্টেলি প্ৰিপেয়াৰ্ড কৰি আনিছো। ডাক্তৰেও কৈছে, যি ৰুটিনত চলি আছে তেনেদৰে চলি থাকক, নতুন একো কৰিবলগীয়া নাই, - এতিয়া মাৰ হঠাৎ কিবা এটা হ’ব লাগিলে গোটেই দোষটো পৰিব মোৰেই ওপৰত, সবে ক’ব, মাৰ কপালত এয়ে আছিল, মাকৰ মুখলৈ চাই সি মাকৰ হেঁপাহটো পূৰাই দিবই পাৰিলেহেঁতেন, আৰু কত কি – কোৱাচোন বাৰু, এইবোৰ জুলুম নহয়নে ? কাৰ জন্ম-মৃত্যুৰ বাবেনো কোন দায়ী হ’ব পাৰে ? যিটো কাম কৰাৰ মোৰ একেবাৰে ইচ্ছা নাই, ‘ধৰ্ম’, ‘ধৰ্ম’, বুলি এটা জেদ ধৰি মোক সেইটো কৰিবলৈ বাধ্য কৰোৱাটো কি ৰকম ধৰ্মৰ কথা হ’ল ? তুমি তো জানাই মোৰ লাইফ ষ্টাইল কেনেকুৱা –

ম – তোমাৰ লাইফ ষ্টাইল ? অ’, তোমাৰ লাইফ কেনেকুৱা সেইটো জানো, কিন্তু তাত কিবা ষ্টাইল আছেনে নাই, সেইটো – যিহওক, তোমাৰ এই চ’-ক’ল্‌ড লাইফ ষ্টাইল তুমি ভাল পাইছা, সেইটো বদলোৱাৰ তোমাৰ ইচ্ছা নাই, ভাল কথা, কিন্তু যি বুজিছো, তোমাৰ সমস্যাটো এই : জেঠাইদেউৰ যায় যায়

অৱস্থা, ফলত আহি পৰিছে তোমাৰ উভয়সংকট বা ডাইলেমা, তোমাৰ এই অবিবাহিত অৱস্থা তুমি বজাই ৰাখিবা নে নাৰাখিবা।

ভা - এগ্‌জেক্টলি।

ম – কিন্তু চোৱা, এইটো তোমাৰ একেবাৰে ব্যক্তিগত সমস্যা, এইটো মোৰ সমস্যা নহয়, আৰু ব্যাপকভাৱে, এইটো তোমালোকৰ পৰিয়ালৰ সমস্যা, মই তাৰ মাজত সোমোৱাটোও উচিত নহয় – জেঠাইদেউৰ কিবা এটা হ'ব লাগিলে আমি সকলোৱে দুখ পাম অৱশ্যে, সেইটো এটা বেলেগ কথা – মানে, মোক আৰু ইয়াৰ মাজলৈ কিয় টানা, তুমি নিজে নিজৰ সিদ্ধান্ত লোৱা। মোক বাদ দিয়া। গুড বাই – এণ্ড গুড্ লাক্।

ভা - ৰ'বা, ৰ'বা, তোমাৰ গুডলাক বিচাৰি মই ইয়ালৈ অহা নাই - মোক মাত্ৰ এইটো কোৱাচোন, যে সবে মিলি - মা আৰু আন সবে মিলি – যে মোৰ ওপৰত এনেকৈ মানসিক চাপ দিব ধৰিছে, সেইটো এটা অন্যায় জুলুম হোৱা নাইনে ? যদি জানিলোহেঁতেন যে মই বিয়া কৰি পেলালে মাৰ অসুখ ভাল হৈ যাব, মা আৰু বহুদিন বাচি থাকিব, তেনেহ'লে মই এই মুহূৰ্ততে বিয়া কৰি পেলাবলৈ ৰাজী, কিন্তু এইটো তো আমি সকলোৱে পূৰা জানো যে মই বিয়া কৰিলেই বা কি,নকৰিলেই বা কি, আৰু দুদিন পাছত মা ঢুকাবই – তেনেস্থলত নো কি যুক্তিত সকলোৱে মিলি মোৰ ওপৰত হেঁচা দিব, মোৰ মন নোযোৱা কাম এটা কৰিবলৈ মোক বাধ্য কৰিব ?

ম – নহয়, তুমি বুজা নাই, এইবোৰ কোনো যুক্তিৰ কথা নহয়। এইবোৰ হ'ল ইম'শ্যনৰ কথা, ছেণ্টিমেণ্টৰ কথা, আবেগ-অনুভূতিৰ কথা, বিশ্বাসৰ কথা। জেঠাইদেউৰ ভাল হওক নহওক, তুমি বিয়া কৰাইছা বুলি শুনিলে তেওঁ মনত শান্তি পাব, মনৰ গধুৰ বোজাৰ পৰা মুক্তি লভি শেষ নিশ্বাস এৰিব পাৰিব – এনেকুৱা এটা বিশ্বাস। অৱশ্যে, যিহেতু এই কথাবোৰ খুৱ অব্‌জেক্টিভ্ নহয়, মানে বাস্তৱ-সংগত নহয়, আৰু যদি জেঠাইদেউৰ মনত স্বস্তি দিয়াটোৱেই উদ্দেশ্য,

তেনে ক্ষেত্ৰত অলপ-অচৰপ ছলনাও ন দোষায় - ডাক্তৰেও তো ৰোগীক বা ৰোগীৰ পৰিয়ালক আশ্বাস দিবলৈ দুই এটা মিছা কথা কয় – যেনে ধৰা, জেঠাইদেৱে কয় ‘মৰাৰ আগেয়ে বোৱাৰীৰ মুখখন এবাৰ চাই যাব দে’ – ঠিক আছে, এবাৰ দেখুৱাই দিয়া ‘বোৱাৰী’ এজনীৰ মুখ – জেঠাইদেৱে তো ভালকৈ দেখাও নাপায়, শুনাও নাপায়, ভেকোভাওনাখন কৰি পেলোৱাটো একো টান নহ’ব; কোৱা - এনেকুৱা এটা ইংগিত সুমুৱাই দিয়া – যে এইজনীয়েই বোৱাৰী হ’ব, বা এইজনীয়েই বোৱাৰী; ধৰা, এবাৰ যে ৰাণু বাইদেউহঁতে তোমালৈ কইনা এজনী প্ৰায় ঠিক কৰি পেলাইছিল, সেই যে যোগেন মহন্তৰ ছোৱালীজনী –

ভা – নীৰু ?

ম – অ’, ছাপজ্ নীৰুকে ৰিকুৱেষ্ট কৰি সজাই-পৰাই লৈ আহিলা —

ভা – ধেৎ নীৰুৰতো কোন কেতিয়াবাই বিয়া হৈ গৈছে –

ম - অ’ হয় নেকি ? নীৰু ক’ত এতিয়া ?

ভা – আমেৰিকাত। কিন্তু চোৱা, এইবোৰ ফ্ৰিভলাছ্ কথাৰে হিউমাৰ কৰি তুমি কথাটো পাতল কৰি দিয়াৰ চেষ্টা কৰিব নালাগে – মই তোমাৰ ওচৰলৈ আহিছো এটা ছিৰিয়াছ কথা লৈ –

ম – ছিৰিয়াছ কথাই কৈছো – মানে, আজিকালি ছলনাই তো হ’ল জীয়াই থকাৰ চৰ্ত, ছলনা, অভিনয়, অ-সত্য, make-believe-য়েই হ’ল আজিৰ দিনৰ বাস্তৱ, যাক কয় ছল-বাস্তৱ বা virtual reality - কথাবোৰ আজিকালি বাস্তৱ স্থানত, মানে real space ত নঘটে, ঘটে যাক কয় কল্পস্থানত, যাক কৈছে cyberspace । কিন্তু সেইখন জগতত বাস কৰিবলৈ লাগিব কম্পিউটাৰ, ভিডিঅ’-মণিটৰ, কম্প্লিকে’টেড ফৰ্মূলা, ছফট্‌ৱেৰ, সা-সঁজুলি - গতিকে তাহানিৰ দিনৰ জেঠাইদেউক এইখন ‘ভাৰ্চুৱেল ৰিয়েলিটি’ৰ জগতত সুমুৱাব নোৱাৰা। কিন্তু আজিৰ বিজ্ঞানৰ যুগত তাতোকৈ কাৰ্যকৰী উপায় আছে - হল’গ্ৰাম (hologram)। শুনিছা নিশ্চয়, আজিকালি বস্তুবোৰৰ এবিধ থ্ৰি-ডাইমেনচনেল

অৰ্থাৎ ত্ৰি-মাত্ৰিক ছবি বা বিম্ব, ইমেইজ, ল'ব পৰা হৈছে – সাধাৰণ কেমেৰাৰ ছবিৰ দৰে ফ্লেট বা দ্বি-মাত্ৰিক নহয়, একেবাৰে সঁচা যেন লাগে (আজিকালি বিজ্ঞাপনতো ব্যৱহাৰ কৰে), যদিও গোটেই বস্তুটো মিছা, অ-সত্য, অলীক, এটা ভ্ৰান্তি - পোহৰ আৰু লে'জাৰ্-ৰশ্মিৰ এটা ভেল্কি, বিম্বটোৰ মাজেৰে তুমি খোজকাঢ়ি গুচি যাব পাৰা, তাত কিবা আছে নে নাই গমেই নাপাবা - এতিয়া, যদি নীৰুৰ বা আন কোনোবা 'ভাৰ্চুৱেল বোৱাৰী'ৰ হল'গ্ৰাম মূৰ্তি এটা বনাই আনি জেঠাইদেউৰ ৰুমত থিয় কৰাই থোৱা অৱশ্যে খৰচ পৰিব অলপ, ধৰা কেইলাখমান, কিন্তু সকলোৰে সুখ-শান্তিৰ তুলনাত কেইলাখমান টকানো কি?

ভা – হ'ব, হ'ব, বুজিছো, তুমি আচল কথাটো এৰাই যাবলৈ বেবেৰিবাং কথাৰে চালে-বেৰে কোবাই থাকিব খুজিছা। তোমাৰ ওচৰলৈ অহাই মোৰ ভুল হৈছে – তুমি থাকা। গুড বাই।

ম - নহয় – ৰ'বা,ৰ'বা – আচল কথাটোলৈকে আহি আছোঁ। তেনেহ'লে, সংক্ষেপে, কথাটো এই, তুমি গাৰ্হস্থ্যাশ্ৰমত সোমাব নোখোজা, বৈৰাগী জীৱনেই তোমাৰ মনঃপূত, সেইটো তোমাৰ ধৰ্ম, তোমাৰ চৰিত্ৰ। আনহাতে, জেঠাইদেউহঁতৰ ধৰ্ম হ'ল ল'ৰা-ছোৱালীৰ সংসাৰ পাতি দিয়া, তেওঁলোকৰ বিশ্বাস যে সেইটো নকৰিলে তেওঁলোকৰ অধৰ্ম হ'ব।

এতিয়া, তোমাৰ সমস্যা হ'ল : তোমাৰ মাৰ ধৰ্ম ৰক্ষা কৰিবলৈ তুমি তোমাৰ নিজৰ ধৰ্ম ত্যাগ কৰিবানে নকৰা। কিন্তু জানাই তো – কিবা কয় - স্বধৰ্মে নিধনং শ্ৰেয়, পৰধৰ্ম ভয়াৱহ। গতিকে, তুমি নিজৰ ধৰ্ম কিয় এৰিবা ? মইতো কম, তুমি নিজৰ ধৰ্ম এৰিব নালাগে, তাৰ ফলত যদি তোমাৰ মনত দোষ-ভাব এটাই খুচিও থাকে, যে মোৰ তুচ্ছ জেদ এটাৰ বাবে মই মাক শান্তিত মৰিবলৈ নিদিলো, সেই খোচ খাই খাই তুমি নিধন হৈ যোৱা, সিও শ্ৰেয় – মাক ক্ষন্তেকৰ বাবে স্বস্তি দিবলৈ গৈ তুমি নিজৰ জীৱনলৈ লগতে তোমাৰ পৰিয়ালৰ জীৱনলৈ - টানি আনিবা আৰু বা কত ৰকমৰ দুখ-যন্ত্ৰণা –পৰধৰ্ম ৰক্ষা কৰিবলৈ

যোৱাৰ ভয়াৱহ ফল। অৱশ্যে কোনোবা কোনোবাই হয়তো ক'ব যে পিতৃ-মাতৃৰ সুখ শান্তি সাব্যস্ত কৰাটোও তো পুত্ৰ-কন্যাৰ স্বধৰ্মৰেই ভিতৰত, তাৰ কাৰণে নিজৰ ধৰ্ম অকণমান ত্যাগ, অলপমান ছেক্রিফাইছ কৰিলে সেইটো অধৰ্ম তো নহয়েই, সেইটো বৰং পূণ্য – গতিকে পিতৃ-মাতৃৰ ধৰ্ম - মানে, তোমাৰ 'পৰধৰ্ম' - ৰক্ষা কৰাটোও তোমাৰেই স্বধৰ্ম, সেইটো 'ভয়াৱহ' হয় নে নহয় সেই প্ৰশ্ন স্বাৰ্থপৰ ....এনেকৈ যুক্তি-তৰ্কৰ মেৰপাকত সোমাই গৈ থাকিব পাৰি, তাৰ শেষ নাই। গতিকে, মোক সুধিছা যেতিয়া, মইতো আকৌ কম, নিজৰ ধৰ্ম নেৰিবা, তোমাৰ মাৰ মুখত এক মিনিটৰ বাবে হাঁহি বিৰিঙাবলৈ গৈ তুমি তোমাৰ নিজৰ বাকী জীৱনটো নষ্ট নকৰিবা, মানে, তুমি আৰু বিয়া সোমাব নালাগে, যি হয় হ'ব।

ভা - (চকু ঘোপা কৰি বেৰৰ কেলেণ্ডাৰ আৰু ঘড়ী নিৰীক্ষণ)

ম – (বাতৰি কাকতত মনোনিৱেশৰ ভাও)

(দহ মিনিটৰ পূৰ্ণ নীৰৱতা। তাৰ পিছত)

ভা - তাৰ মানে, তুমি ক'ব খুজিছা যে মই বিয়াখন পাতি পেলোৱাই ভাল হ'ব ?

ম – অ, তেনে যেনেই তো লাগিছে।

# ঘৰমুৱা

ৰঙা, উজ্জ্বল কিন্তু চকুত ঝলক নমৰা নম্ৰ ৰঙা দুটা বহল ছোপ খিৰিকিৰ বাহিৰেৰে দ্ৰুতবেগে পাৰ হৈ গ'ল, হয়তো বুগেন্‌ভিলিয়া, হয়তো ৰাধাচুড়া, হয়তো পলাশ, তাৰ পিছত গছ-পাত-লতা-কাঁইটৰ এটা চমু হিজিবিজি, তাৰ পিছত হঠাৎ এটুকুৰা মুকলি ঠাই, বাঁহৰ জেওৰা, জেওৰাৰ পিছপিনে ভোট-এৰা গছৰ দৰে কিবাৰ ডাল-পাতেৰে এটা যেন আবৰণৰ চেষ্টা, ভিতৰলৈ এটা সৰু এল্‌-আকৃতিৰ এমহলীয়া ঘৰ, চালত বোধহয় ৰঙা টালি দিয়া, কাঠৰ ক'লা বাতাম আৰু বগা বেৰ, মসৃন ঘাঁহনিৰ সেউজীয়াৰ মাজত অত ত'ত দুই-এখন ফুল-কেয়াড়িৰ বৰ্ণচ্ছটা, সমূখৰ কোঠালিৰ বেৰত হালধীয়া কিবা এবিধ ফুল বগাই দুৱাৰৰ কাণলৈকে ছানি আনিছে, বহল আঙিনাৰ ভিতৰত ঘৰটো যেন সৰু এটা পুতলা ঘৰ, আপাতদৃষ্টিত সৰু সৰু দুৱাৰ আৰু খিৰিকি আৰু স্কাই-লাইট, পুৱাৰ বতাহত তাৰ বগা নে'টৰ পৰ্দাবোৰ ভিতৰপিনলৈ উৰিছে, ট্ৰেইনৰ ঘৰ্ঘৰৰ মাজেৰেও যেন শুনাই যায় পৰ্দাবোৰৰ ফট ফট শব্দ, উৰণীয়া পৰ্দাৰ ফাঁকেৰে সমুখৰ কোঠাৰ ভিতৰত ওলমি থকা এখন ফট' বা এম্ব্ৰইডাৰী আৰু চাপৰ আলমাৰী এটাৰ এটা চকামকা দৃশ্য, জেওৰাৰ শেষ প্ৰান্তত এখন চাইকেল আউজাই থোৱা আছে, তাৰ পিছত জেওৰা শেষ, ঘৰ অদৃশ্য, ট্ৰেইনৰ খিৰিকিৰ বাহিৰত আকৌ গছ-গছনি-জংগলৰ এটা দীঘল বিস্তৃতি –

কোনো অসাধৰণ ঘৰ নহয়, কোনো সুন্দৰ ঘৰ নহয়, কিন্তু কাণলৈ যেন ভাঁহি আহিল কাৰোবাৰ আকস্মিক উচ্ছাস, 'ঊ, কি বঢ়িয়া ঘৰ ভাই ! ', মনত নপৰিল, কোনে, কেতিয়া তেনেকৈ পুলকিত হৈ উঠিছিল হয়তো কোনো সৰু ল'ৰা-ছোৱালীয়ে, হয়তো মই নিজে, হয়তো কোনো পুৰণি প্ৰিয়জনে- হয়তো এনেকুৱা কিবা এটা ঘৰৰ মনোৰম দৃশ্য দেখিছিলোঁ আমি কোনোবাই সেই তাহানি এদিন, যেতিয়া সংসাৰৰ সতৰ্কতাই আমাক সংকুচিত কৰি পেলোৱা নাই,

যেতিয়া আমি বিস্মিত হৈ যাব পাৰিছিলো স্বতঃস্ফূৰ্তভাৱে, কোনো আলোচনীৰ পাতত, চিনেমাৰ পৰ্দাত, ক'ৰবাত গাড়ীৰে যাওঁতে যাওঁতে - মনত নপৰে, কিন্তু ঘৰটো ট্ৰেইনৰ খিৰিকিৰে চকুৰ সমুখত আবিৰ্ভূত হৈ দ্ৰুতবেগে অন্তৰ্হিত হৈ যোৱা সময়খিনিৰ ভিতৰতে যেন চকুৰ টোপনি উৰি গ'ল, যেন অভিভূত হৈ গ'লো, যেন আড়ষ্ট হৈ গ'লো, হয়তো ঠিক আমাৰ কোনোবাজনৰ ভাল লাগি যোৱা ঘৰটোৰ দৰে এটা ঘৰ, প্ৰাঙ্গণ, গছ-গছনি-ফুল-লতা, পৰ্দা উৰিছে, কোঠালিত বতাহ, ঘৰৰ এটা উম, আমেজ –

==================================

মাথোঁ এক মিনিটমান আগেয়ে ট্ৰেইনে নিদানপুৰ ষ্টেশ্যন এৰিছে, চাহ-চিগাৰেটৰ হকাৰৰ চিঞৰত কামৰাৰ ভিতৰলৈ ৰাতি পুওৱাৰ সংবাদ ভাঁহি আহিছে, শ্লিপিং-ক'চটোৰ ভিতৰত মানুহবোৰ এজন দুজনকৈ লাহে লাহে টোপনিৰ পৰা উঠিব ধৰিছে, বিছনা ঠিক কৰিছে, বিশৃংখল কামৰা, মজিয়াত বাদামৰ বাকলি, কলৰ বাকলি, চিগাৰেটৰ পেকেট, চাহৰ মলা, বিচিত্ৰ আবৰ্জনা, দাঁত মজাৰ শব্দ, মুখ ধোৱাৰ নানাবিধ আৱাজ, চাহৰ খবৰ। ৰাতি অসম্ভৱ গৰম গৈছে, কাৰো ভালকৈ টোপনি অহা নাই, মোৰ ওচৰতে কেইজনমানে বহু ৰাতিলৈকে ব্ৰীজ খেলি হট্টগোল কৰি আছে, পিছপিনৰ বাৰ্থত দুজন মানুহে উত্তেজিত কণ্ঠে ভোজপুৰী ভাষাত কিবা তৰ্কাতৰ্কি কৰি আছে, কামৰাৰ সিটো চুকত কোনোবা পৰিয়ালৰ কেঁচুৱা এটাই ওৰে ৰাতি প্ৰাণপণে কান্দিছে, বাৰে বাৰে সকলোৰে টোপনি ভাঙি দিছে। মোৰ বাৰ্থৰ মুখামুখি বাৰ্থৰ তপা,বৃদ্ধ ভদ্ৰলোকজনৰ বোধহয় কেতিয়াবাই টোপনি ভাঙিছে (বা হয়তো তেওঁ শোৱাই নাই ৰাতি), মোটা কাঁচৰ চছ্মাৰ মাজেৰে বাহিৰলৈ চাই আছে, তেওঁ মোৰ পিনে চাই এবাৰ হঁহাৰ দৰে কৰিলে, কিন্তু একো নক'লে – খিৰিকিৰে পুৱাৰ মৃদু বতাহ মুখলৈ আহিছে, হয়তো তেওঁ নীৰৱে অলপ বতাহ লৈ ল'ব খুজিছে। কথাটো ভালেই পালোঁ, কালি ৰাতি তেওঁ

মোক বহুসময় আমনি কৰিছে, ইটো সিটোকৈ সহযাত্ৰীৰ উপকৰুৱা অন্তৰংগতা অতিক্ৰম কৰি গৈ তেওঁৰ ব্যক্তিগত জীৱনৰ নানান কথা মেলি বহু দেৰীলৈ ‘ব’ৰ’ কৰিছে, ৰাতিপুৱাই আকৌ তেওঁৰ কথা শুনি দিন আৰম্ভ কৰাৰ বিন্দুমাত্ৰ ইচ্ছা নাই। তেওঁৰ ডাঙৰ ল'ৰাটো আজি থকাহেঁতেন হেনো প্ৰায় মোৰেই বয়সীয়া হ’লহেঁতেন – নাই, ল’ৰাটো মৰিছে বুলি তেওঁ কোৱা নাই, মাথোঁ তেওঁ নাজানে, সি ক’ত আছে – আৰু তাৰ গঢ়টোও হেনো মোৰেই দৰে – কিন্তু কি বিৰক্তিকৰ (মই ভাবিছো), সেই কাৰণেই কি অচিনাকি মানুহ এজনক চব কথা শুনাই শুনাই ত্যক্ত কৰিব লাগিব ? তেওঁ আহিছে হিচাৰৰ পৰা, হাৰিয়ানাৰ মানুহ, মুংগেৰলৈ যাব। চেন্ট্ৰেল ৰেভিনিউ একাউণ্টচত কাম কৰিছিল, বহুদিন হ’ল অৱসৰ লৈছে, বিপত্নীক। তেওঁৰ খেদৰ অন্ত নাই – ছোৱালীজনীক হেনো বিয়া দিছিল খুব কম বয়সতে, ঘৈণীয়েকে আপত্তি কৰিছিল, এতিয়াও ইমান সৰু হৈ আছে, পঢ়া-শুনা শেষ হোৱাই নাই, অন্ততঃ বি. এ. পৰ্যন্ত পঢ়ি লওক – কিন্তু তেওঁ নামানিলে, ভাল দৰা পোৱা গৈছে, এইবোৰ লেঠা পেলাই থ’ব নালাগে, শুভস্য শীঘ্ৰম, সুযোগ সদায় নাহে – কিন্তু বিয়াৰ চাৰি বছৰ নাযাওঁতেই ছোৱালীজনী বিধবা হ’ল, দুটা ল’ৰা-ছোৱালী। বিধবা বিবাহ উচিত নে অনুচিত সেই প্ৰশ্ন সমাধান ভাবি ভাবি তেওঁৰ যাবৰ সময় আহিল, ছোৱালীজনীৰ মুখৰ পিনে চাব নোৱাৰে, বুকু মোচৰ দি উঠে, কিন্তু আজিও তেওঁৰ মনৰ সংশয় দূৰ নহ’ল, মাকৰ কথা মানি লৈ ছোৱালীজনী তেতিয়াই বিয়া দি নিদিয়াহেঁতেন, হয়তো আজি.... কিন্তু তেওঁ যি ভুল কৰিলে, কৰিলে, সেই ভুলৰ মুহূৰ্ত ঘূৰি নাহে, সময় সদায় সমুখলৈ বয়, অপৰিবৰ্তনীয়, অপ্ৰতিহত তাৰ গতি, তাৰ ওভতনি নাই আৰু তেওঁৰ ডাঙৰ ল’ৰাটো –

এইবোৰ তেওঁৰ সমস্যা, বিৰক্ত হৈ মোৰ মনত খেলাইছে, এইবোৰ লৈ তেওঁ নিজে যি কৰে কৰক, এইবোৰ লৈ মই তো ব্যতিব্যস্ত হোৱাৰ দৰ্কাৰ নাই – মোৰ নিজৰো সমস্যা আছে , মোৰ নিজৰ সমস্যা মই ভাবিব লাগে, মইতো তেওঁক

মোৰ কথা কৈ দিগদাৰ দিব যোৱা নাই ! আজি এবছৰৰ বেছি হ'ল চাকৰিৰ পৰা নিলম্বিত হৈ আছোঁ, লগে লগে ওপৰঞ্চি সা-সুবিধা চব গৈছে, তুলনামূলকভাৱে এতিয়া অভাৱৰ দিন - এয়াৰ কণ্ডিশ্যনড্ চৰকাৰী ঘৰৰ ঠাইত সৰু, আহুকলীয়া ভাড়াঘৰ, বিমানৰ ঠাইত ৰেল আৰু বাছ – ফৰিদাবাদলৈ গৈছিলো শিৱসাগৰত চিনাকি হোৱা পাঞ্জাৱী ঠিকাদাৰ এজনৰ উদ্যোগ এটাত কিবা এটা সুবিধা লগাব পাৰোঁ নেকি সেই চেষ্টাত, বেছ কিছু টকা – গণ্ডগোলীয়া টকা - তেওঁৰপৰা মই পাবলগীয়াও আছিল, কিন্তু চেষ্টা ফলবৰ্তী হোৱা নাই, উভতিছো। ভাবি উলিয়াবৰ চেষ্টা কৰি আছো, ইয়াৰ পিছত কি কৰা যায় –

নিজৰ চিন্তাৰ চক্ৰব্যুহৰ পৰাই ওলাই আহিব পৰা নাই, তাৰ ওপৰত এই বৃদ্ধই ঘাড়ৰ ওপৰত চেপি বহিছে। মই কি কৰোঁ, তেওঁ এবাৰ সুধিছিল। বিজিনেচ কৰোঁ, ধা কৰি মিছা কথা কৈ দিছো (অভ্যাস হৈ গৈছে)। কি বিজিনেচ ? এই, ইটো সিটো, অৰ্ডাৰ চাপ্লাই, কমিশন এজেন্সি, মিচেলিনিয়াচ্। অ, তোমালোক ডেকা মানুহ, উদ্যম আছে, কৰি যোৱা, বৃদ্ধই ক'লে (প্ৰায় আশংকাই আহিছিল, বৃদ্ধই হয়তো আৰম্ভ কৰিব,বাণিজ্যে বসতে লক্ষ্মী, ইত্যাদি)। মোৰ ল'ৰাটোৰ এতিয়া প্ৰায় তোমাৰ মান বয়স হ'বগৈ, তাৰ বেছ উদ্যম আছিল। সিও নিশ্চয় ক'ৰবাত কিবা এটা কৰি আছে, সি নিশ্চয় নাখাই নমৰে - মোৰ ডাঙৰ ল'ৰাটোৰ কথা কৈছোঁ –

তেওঁৰ ডাঙৰ ল'ৰাটো - ওখ, বলিষ্ঠ, প্ৰাণচঞ্চল – কিন্তু পঢ়া-শুনাত মতি-গতি নাই, খালি চিনেমা চোৱাৰ চখ, কেতিয়াবা দিনত দুই-তিনিখন। অইনৰপৰা জানিব পাৰিলে, তাৰ আচলতে বম্বেলৈ যোৱাৰ ইচ্ছা, ফিল্ম-ষ্টাৰ হোৱাৰ ইচ্ছা। হায়াৰ-চেকেণ্ডাৰী পৰীক্ষাত কৰিলে ফেল, তেওঁ তাক এটা প্ৰচণ্ড বকনি দিলে, মোৰ ঘৰত থাকিলে আগে পঢ়া-শুনা, তাৰ পিছত চিনেমাৰ হিৰ' হ'ব, চিনেমাহলৰ গে'ট-কিপাৰ হ'ব, যি হ'ব হৈ থাকিবি – কি জানো হ'ল, পিছদিনাই ল'ৰাটো ঘৰৰপৰা গুচি গ'ল কৰবালৈ - কাগজত বিজ্ঞাপন দিলে, চিনেমাৰ পৰ্দাত

শ্লাইড দিলে, তাক ঘূৰাই মাতিলে, তাক চিনেমাত নামিবলৈ সুবিধা কৰি দিব বুলি জনালে, মাক মৃত্যুশয্যাত বুলি জনালে, তেওঁ নিজে বম্বেলৈ গ'ল, বম্বে ষ্টুডিঅ'বোৰৰ আশে-পাশে বহুদিন নিজে ঘূৰিলে, মানুহ লগালে ..... কোনো শুংসূত্ৰ নাই ...সামান্য এটা পৰীক্ষাত ফেল কৰিছিল, কি এনে মহা অপৰাধটো কৰিছিল, কত হাজাৰ ল'ৰা-ছোৱালী প্ৰতি বছৰে ফেল কৰে আৰু চিনেমাত নমাৰ ইচ্ছা, শতকৰা প্ৰায় এশভাগ ডেকা ল'ৰা-ছোৱালীৰেইতো মনত বাসনা আছে চিনেমাৰ নায়ক-নায়িকা সজাৰ, সেইটো কি এনে ভয়ংকৰ দোষণীয় কথাটো হৈছিল – পিতৃ হিচাবে তেওঁ তাৰ আশা-আকাংক্ষাত সহানুভূতি দেখুৱাই, তাৰ মনত চেকা পৰিব নিদিয়াকৈ, তাক জীৱনৰ পথত চালিত কৰি নিব হে লাগিছিল তেওঁ – তেওঁৰ এই সংবেদনহীনতা, তেওঁৰ এই ভুল শুধৰাবৰ সুযোগ কি আৰু তেওঁক ঈশ্বৰে কোনোদিন দিব ? তেওঁৰ মনৰ গভীৰত হেনো আছে দৃঢ় এটা বিশ্বাস : দিব, কিয়নো ইচ্ছা কৰি তেওঁ ল'ৰা-ছোৱালীৰ অমংগল কৰা নাই, তেওঁ যি কৰিছে সিহঁতৰ ভাল হওক ভাবিয়েই কৰিছে। কিন্তু যিটো সন্ধিক্ষণত, যিটো সংকট-মুহূৰ্তত ল'ৰাটোৰ মন তেওঁৰপৰা বিচ্ছিন্ন হৈ গ'ল, সেই ক্ষণটো কি আৰু কেতিয়াবা ঘূৰি আহিব পাৰে, সময়ৰ কি প্ৰত্যাবৰ্তন ঘটিব পাৰে .... আজি কত বছৰ পাৰ হৈ গৈছে, ল'ৰাটোক দেখিলেও হয়তো আৰু চিনি নাপাব, কিন্তু এতিয়াও তেওঁ মানুহৰ ভীৰৰ মাজত, বিশেষকৈ ডেকা ল'ৰাৰ থূপৰ মাজত, মোটা চছ্‌মাৰ মাজেৰে জুমি জুমি চায়, কাণ থিয় কৰি শুনিবৰ চেষ্টা কৰে, কোনোবা ল'ৰাৰ মাত তেওঁৰ চিনাকি যেন লাগে নেকি –

অস্বস্তি লাগিছিল, এইবোৰ কথাৰ উত্তৰত কি ক'ব পাৰি। কালি বহু ৰাতিলৈ এইবোৰ কথা – বোধহয় বৃদ্ধই ওচৰত যাকে পায় ধৰি লৈ এইবোৰ শুনায়, বোধহয় তাকে নকৰিলে শান্তি নাপায়, তাকে নকৰি নোৱাৰে। কিন্তু মানুহে ভ্ৰমণ কৰে কাম থাকিলে বা উপভোগ কৰিবলৈ, হৃদয়বিদাৰক ট্ৰেজেডি শুনিবলৈ নহয় – তাতে কামৰাৰ ভিতৰত অতিপাত গৰম আৰু গণ্ডগোল, ফেনবোৰ নিষ্ফল

আৰু লাইটবোৰ শেঁতা, চিগাৰেটৰ ধূঁৱলি আৰু ঘামৰ গোন্ধ, কাণৰ কাষত বৃদ্ধৰ অবিশ্ৰান্ত বিলাপ, মোৰ কপালৰ ৰেখা ধূপ ৰাই গৈছে মেজাজ ৰুক্ষ হৈ গৈছে, বৃদ্ধয়ো গৰম পাইছে, চোলা খুলি মাথোঁ গেঞ্জিটো গাত ৰাখি বহিছে, ফ্লাস্ক এটাৰপৰা প্লাষ্টিকৰ গিলাচত পানী খাই খাই অৱশেষত ফ্লাস্কটো শেষ কৰি পেলাইছে। তাৰ পাছৰ ষ্টেশ্যনত মই প্লেটফৰ্মলৈ নামি গৈ তেওঁৰ ফ্লাস্কটোত খোৱাপানী ভৰাই আনিছোঁ, কিন্তু ট্ৰেইন নেৰালৈকে কামৰাৰ বাহিৰত ৰৈ আছোঁ, মাথো তেওঁৰ সান্নিধ্যৰ পৰা দুদণ্ড ৰেহাই পাবৰ বাবে। অসহিষ্ণু বুঢ়া, কাৰো কথা নামানে, ল'ৰা-ছোৱালীৰ জীৱনত বিপৰ্যয় সৃষ্টি কৰি দি এতিয়া ৰাজ্যৰ অচিনাকি মানুহৰ আগত হা-হুতাশ কৰি ফুৰিছে ! বুঢ়াই বহুত বেয়া বেয়া ভুল কৰি পেলাইছে বুজিলো, কিন্তু যোৱা কথা গ'ল, তাৰ বাবে অইন ইচ্ছুক-অনিচ্ছুক চব মানুহকে উত্যক্ত কৰি থকাৰ যুক্তি কি? ভুল কোনে নকৰে ? মোৰো তো সুন্দৰ কেৰিয়াৰ আছিল। মফচল চহৰৰ সৰু সৰু ডিভিজনত দুবছৰমান এচিষ্টেন্ট ইঞ্জিনিয়াৰ হৈ থকাৰ পিছতেই চুইডেনলৈ গৈছোঁ এবছৰৰ ট্ৰেইনিঙত, উভতি আহি অবিৰতভাৱে মোৰ পদোন্নতি ঘটিছে, নামৰূপত প্ৰজেক্ট ইঞ্জিনিয়াৰ, দুলিয়াজানত - মাত্ৰ ছলে-বলে-কৌশলে বেঙ্ক-বেলেন্স বঢ়াই যোৱাৰ উন্মাদনাই অৱশেষত মোৰ কেৰিয়াৰ চুৰমাৰ কৰি দিলে, এন্টি-কৰাপশ্যন ব্ৰাঞ্চে বিৰূপ ৰিপ'ৰ্ট দিবলৈ বাধ্য হ'ল - হয়তো সেইবোৰ মই ভুলেই কৰিছোঁ, বাঢ়াবাঢ়ি কৰি পেলাইছো – কিন্তু তাৰ বাবে কি চিৰজীৱন অনুতাপত দগ্ধ হৈ থাকিব লাগিব ? বৃদ্ধৰ প্ৰত্যয়, তেওঁক এদিন ঈশ্বৰে ভুল সংশোধনৰ সুযোগ দিব, প্ৰায়শ্চিত্ত কৰা অৱকাশ আনি দিব, লাগে মাথোঁ বিশ্বাস আৰু ধৈৰ্য্য, আৰু বিশ্বাস আৰু ধৈৰ্য্যৰ অনুশীলনৰ বাবেই তেওঁ এতিয়া মুঙ্গেৰৰ পিনে যাব ধৰিছে। মুংগেৰৰ ওচৰত স্বামী সত্যানন্দ সৰস্বতীৰ মঠ আছে, তত তেওঁৰ এজন পুৰণি বন্ধু আছে চাকৰি-জীৱনৰে দিনৰ, অৱসৰ লৈ বহুদিন হ'ল তাতে আশ্ৰমবাসী হৈছে, তেওঁক তালৈ মাতি পঠিয়াইছে - সেই আশ্ৰমতে হয়তো জপ-তপ- কৰি বাকী জীৱন তেওঁ থাকি যাব, মনটোত

শান্তি আহিব, মনৰ ওপৰত জমা হোৱা মলিন আবৰণ মচি যাব, তেওঁ পথ দেখা পাব –

অবান্তৰ, অৱশ্যেই। আকাশ কুসুম। সময় ঘূৰি নাহে, আৰু তাৰ কাৰণে আক্ষেপ কৰি লাভ নাই বিন্দুমাত্ৰ। মোৰ পুৰণি আৰামৰ কামটোৰ স্বাচ্ছন্দ্য শেষ হৈছে, অন্ততঃ একেই ৰূপত আৰু সেইবোৰ ঘূৰি নাহে। হাৰিয়ানাত এই বৃদ্ধ ভদ্ৰলোকজনৰ উদ্ধৃত জীৱন-ভূমিকা শেষ হৈছে, তেওঁ আৰু তালৈ উলটি নাযায়, তেওঁ এখন আশ্ৰমৰ পিনে ধাবমান -

ৰাতি গাড়ীৰ আন্দোলনৰ আধাটোপনিত চাকৰি-জীৱনৰ পুৰণি ঠাইবোৰৰ কথা মাজে মাজে চকামকাকৈ মনত পৰি গৈছে, হঠাৎ এবাৰ এটা জোকাৰণিত সাৰ পাই উঠি দেখিছো কোনোবা এটা সৰু ষ্টেশ্যনত ট্ৰেইন থামিছে, পিছপিনৰ বাৰ্থৰ ভোজপুৰী তৰ্কাতৰ্কি বন্ধ হৈছে আৰু তাচ-খেলা মানুকেইজনো শুই পৰিছে, আনকি দুৰ্দান্ত কেঁচুৱাটোৱেও যেন সাময়িকভাৱে অলপ পৰ যুদ্ধ-বিৰতি দিছে, কিন্তু বৃদ্ধ ভদ্ৰলোকজনে খিৰিকিত ভৰ দি বাহিৰৰ আধা-আন্ধাৰ প্লেটফৰ্মৰ পিনে চকু কুঞ্চিত কৰি চাই আছে, যেন কোনো চিনাকি মানুহ ভালকৈ মনিবৰ চেষ্টা কৰিছে – আকৌ এবাৰ বহু ৰাতি যেতিয়া সাৰ পালো, তেতিয়াও গাড়ী ৰৈ আছে, ওপৰৰ বাৰ্থৰ মানুহজনে তেতিয়াও এখন মেগেজিন পঢ়ি আছিল, তেওঁ ওপৰৰে কোনোবা এজনক সুধিছে যে এই মাজ-পথাৰত কিয় গাড়ী ৰৈ আছে, আৰু সিজনে কৈছে যে বোধহয় ১৭ আপ্ বানাৰসী এক্সপ্ৰেচ ‘ক্ৰচ্’ কৰিব – কিন্তু বৃদ্ধই তেতিয়াও মাথোঁ নিৰুৎসুক মুখে খিৰিকিৰে চাই আছে, বাহিৰত ঘন আন্ধাৰ –

==================================

...কিন্তু ঘৰটো পাৰ হৈ যোৱাৰ লগে লগেই তৎক্ষণাত মনত আকৌ খটকা লাগিল, হ’ব পাৰেনে, আমি কোনোবাই উচ্ছাসিত হৈ চিঞৰি উঠা ঘৰ

এইটোৱেই নে? কোনোবা অতীত ৰাস্তাত কোনো আপোনজনে দেখা ঘৰ, কোনোবা পুৰণি আলোচনীত কোনোবা পাহৰণিৰ প্ৰিয়জনে দেখা ছবি, যেতিয়া সহজ বিস্ময় সৰৱে প্ৰকাশ কৰি দিবলৈ আমাৰ দ্বিধা নাছিল, যেতিয়া সাৱধানী জীৱন ভুলেৰে ভাৰাক্ৰান্ত হৈ পৰা নাই ? ঠিক এইখন ছবি ? প্ৰায় এইখন ছবি? আঃ, ঘৰটো যদি আৰু এবাৰ চাই ল'ব পাৰোঁ, মাত্ৰ এবাৰ, মাত্ৰ এবাৰ – এটা তীব্ৰ অভীপ্সাই মুহূৰ্তৰ ভিতৰতে অকস্মাৎ সমস্ত মন আচ্ছন্ন কৰি পেলালে, যেন সমস্ত শৰীৰ স্থবিৰ হৈ গ'ল আৰু প্ৰায় লগে লগেই চকুৰ পলক পেলাই এটা চুটি নিশ্বাস এৰি পা জোকাৰি বহিলো - নাই, ঘৰটো আৰু ঘূৰি নাহে, ঘৰটোও মাথোঁ কেইমুহূৰ্তমানৰ বাবে জীৱনৰ চেতনালৈ আহিল আৰু পিছলৈ আঁতৰি গ'ল, যেনেকৈ পিছলৈ আঁতৰি গৈছে গৈছে কৈশোৰ আৰু যৌৱন, পুৰণি মুখ আৰু সৰু মফচল চহৰ, চুইডেন, নামৰূপ, দুলিয়াজান, এই দুদিন আগৰ ফৰিদাবাদ, এই কেইমিনিট আগেয়ে এৰি অহা নিদানপুৰ - বিশ্বপ্ৰকৃতি সততে অগ্ৰগামী, কালস্ৰোত নিৰন্তৰ একমুখী, অপৰিবৰ্তনীয় –

==================================

...হঠাৎ লাইনৰ ওপৰত চকা ঘঁহনি খাই ৰৈ যোৱাৰ ধাতব কেঁ-চ্ শব্দ, ভেকুৱাম ব্ৰে'ক্ মুকলি হৈ যোৱাৰ দীঘল শীষ, ট্ৰেইন থামি গৈছে, কিন্তু কোনো ষ্টেশ্যন নহয়, দুয়োপিনে বিস্তীৰ্ণ শুকান পথাৰ পুৱাৰ ৰ'দত ঝকঝক কৰিছে, বিভিন্ন মানুহৰ মাত, এজন দুজনকৈ মানুহ মাটিত নামি পৰিছে, য়ুনিফৰ্ম পিন্ধা গাৰ্ড আৰু টিকেট-চেকাৰ আৰু এজন পইন্টচ্‌মেনজাতীয় মানুহ, নামি দিয়া যাত্ৰীসকলৰ সৰু সৰু জুম থূপ বান্ধিছে, কৌতূহলী প্ৰশ্ন, কি হৈছে, কি হৈছে - বোধহয় ক্ৰচিং আছে - কিবা ট্ৰেইন পাছ কৰিব – কিন্তু ক'ত, ইয়াততো চিগনেল-টিগনেল একো নাই, একেবাৰে খোল পথাৰৰ মাজ - নাই, কোনোবাই চেইন টানিছে – চেইন টানিছে ? কিয় ? কি হৈছে ? নাই, সাংঘাতিক কথা হৈছে

– দুজন মানুহ গাড়ীৰ পৰা পৰি গৈছে - নহয়, তিনিজন – তিনিজন ? নহয়, দুজন – উঃ কি সাংঘাতিক কথা হয়, ইমান কেয়াৰলেচ - অ, ৰেলৰেও পেছেঞ্জাৰৰ প্ৰতি ইমান কেয়াৰলেচ, সদায় ইমান অভাৰক্ৰাউডিং, দেখিয়েই আছে কিন্তু কোনো ভ্ৰূক্ষেপেই নাই - ক'ত পৰি গৈছে মানুহ দুজন ? কিমান দূৰত ? নাই, বেছি দূৰত নহয়, ষ্টেশ্যনৰ ডিষ্টেন্ট চিগনেল পাৰ হোৱাৰ পিছতেই - গাৰ্ডে কিবা কৈছে, মানুহবোৰক গাড়ীত উঠিবলৈ হাত দেখুৱাইছে – অকস্মাৎ এটা দীঘল উকি, তাৰ পিছত দুটা চুটি চুটি সুহুৰি, তাৰ পাছত ইঞ্জিনৰ পৰা ধোঁৱাৰ ভমক আৰু শ্বাঁ শ্বাঁ শব্দ, ট্ৰেইন লাহে লাহে পিছুৱাব আৰম্ভ কৰিছে, মানুহকেইজনক তুলি ল'ব লাগিব – একেবাৰে ষ্টেশ্যনলৈকে ...।

# মান্না

‘আইনহীন ভাৰত’ৰ সমীক্ষাটো যোগাৰ কৰিবৰ বাবে পুৰণি ঘেৰ্ঘেৰীয়া মপেডখন চলাই বন্ধুৰ ঘৰ বুলি যাব ধৰিছো। ‘নাই, নাই আপুনি এইবোৰ এৰাই চলিব নোৱাৰে’, সহিত্যানুৰাগী বন্ধুৱে কৈছে, ‘আমি আপোনাৰ লেখাতো বৰ্তমানৰ পৰিস্থিতিৰ ছবি বিচাৰো। চাৰিওপিনে যিটো অৰাজক আবহাওৱা, কোনেও কোনো নীতি-নিয়ম নামানে,ক’তো কোনো আইন নাই, অনুশাসন নাই – একেবাৰে সৰু কথা এটাৰ পৰা ডাঙৰ ডাঙৰ কথালৈকে ক’তো যে যে কোনো আইন-কানুনৰ বালাই নাই, আইনভংগৰ কোনো শাস্তি নাই, ‘ৰুল্ অফ ল’ বুলি কোনো বস্তু নাই - যাৰ ফলত আমাৰ ইয়াত আজি একমাত্ৰ ফেক্ট অফ লাইফ্ হ’ল টেৰৰিজম্ আৰু কৰাপ্শ্যন, সন্ত্ৰাস আৰু দুৰ্নীতি - এয়েতো আমাৰ আজিৰ সমাজৰ বাস্তৱ, এইখন জগততে আপুনিও বাস কৰে, এইখন জগতৰে কথা লিখে, তেন্তে এইখন জগত কেনেকৈ আপোনাৰ লেখাৰ পৰা বাদ দি যাব পাৰে’,..

‘নহয়’, নিৰ্জুভাৱে কৈছো, ‘কথাটো সেইটো নহয় — মানে যি লিখো, ৰিয়েলিষ্টিক হ’ব লাগিবতো। মানে নিজৰ অভিজ্ঞতা থাকিলেহে লিখাবোৰ ঠিক হৈছে যেন লাগে, প্লজিবল যেন লাগে, আৰু এইবোৰ বিষয়ৰ কথা তো মই অকল কাগজে-পত্ৰেহে পঢ়ো।’

‘সেইটো কি এটা যুক্তি হ’ল ? আপুনিতো মহাকাশ যাত্ৰাৰ কাহিনীও লিখে, আপুনি মহাকাশলৈ গৈছে জানো কেতিয়াবা ? মহাকাশ নালাগে, কিবা স্পেইছ চেন্টাৰতো কোনোদিন সোমোৱা নাই, কেনো এষ্ট্ৰনটকো কেতিয়াও লগ পোৱা নাই।’

‘নাই, কিন্তু মহাকাশ অভিযানৰ কথাত মোৰ আগ্ৰহ আছে, সেইটোৱেই প্ৰধান কথা। কিন্তু আমাৰ দেশৰ সৰ্বব্যাপ্ত আইন-বিহীনতাৰ কথাত, দুৰ্নীতি বা সন্ত্ৰাসবাদৰ কথাত, মোৰ কোনো আগ্ৰহ নাই, এইবোৰত মোৰ বিৰাগ, এইবোৰত

মোৰ এলাৰ্জি - এইবোৰ আছে, আছে - যেনেকৈ আমাৰ চাৰিওপিনে বায়ু আছে, সেইবুলি বায়ুৰ বিষয়ে লিখাৰতো কোনো আগ্ৰহ নাই - মানে, চাৰিওপিনে অনিয়ম হৈছে হওক, কিন্তু মই নিজে শান্তিপ্ৰিয় আইনভীৰু নাগৰিক, ল এবাইডিং চিটিজেন, ঘৰ সংসাৰ কৰো, বজাৰলৈ যাওঁ, লৰা-ছোৱালী ডাঙৰ-দীঘল কৰো , টেক্স ফাঁকি নিদিও , ঘোচ নিদিও, ঘোচ নাখাওঁ, কাৰো মাটিৰ সীমা নেঠেলো, কাকো খুন-খাৰাপী নকৰো, ন'-পাৰ্কিং এৰিয়াত গাড়ী পাৰ্ক নকৰো, যদি ছাইনবৰ্ডত দেখিছো 'কিপ্ টু দি লেফ্ট' তেন্তে বাওঁপিনে খোজ কাঢ়ো, 'ইয়াত থু-খেকাৰ নেপেলাব', 'ধূমপান নিষেধ' – ঠিক আছে, থু-খেকাৰ নেপেলাওঁ, ধূমপান নকৰো - অৰ্থাৎ আইনবিৰোধী কামৰ মোৰ কোনো নিজস্ব অভিজ্ঞতা –'

'অভিজ্ঞতা থাকিব নালাগে। হত্যা বা ধৰ্ষণৰ বিষয়ে গল্প লিখিবলৈ আপুনি প্ৰথমতে এটা হত্যাকাণ্ড বা ধৰ্ষণ কৰি ল'ব নালাগে - এই ধৰক, আপোনাৰ অমুক'ত আৰু তমুক'ত (বন্ধুৱে দুটা গল্পৰ নাম ক'লে) তো আপোনাৰ নিজৰ কোনো অভিজ্ঞতা থকাৰ প্ৰশ্নই নুঠে, জীৱনৰ চব কথা আপুনি এক্সপেৰিয়েন্স কৰিব নোৱাৰে, কিন্তু প্ৰেমত নপৰিলেও আপুনি প্ৰেমৰ গল্প লিখিব পাৰে, তেনেকৈ আজিৰ যি ভয়ংকৰ সৰ্বনাশী পৰিস্থিতি, বিষাক্ত পৰিমণ্ডল, তাৰ আধাৰত আপুনিও সেই পৰিস্থিতি ফুটাই তুলিব পাৰে – সমাজ সচেতন লেখকৰ পৰা পাঠকে পাব বিচাৰে আজিৰ বাস্তৱৰ প্ৰতিফলন, অৰ্থাৎ –'

আধা-অপৰাধীৰ দৰে মুখ কৰি মই কৈছো, 'এঃ সমাজ সচেতন লেখক হ'লেহে –'

'সমাজ-সচেতন নহৈ ৰক্ষা আছে নেকি ? আপুনিওতো সমাজতেই বাস কৰে, ভেকুৱামত নাথাকে – য'ত যি হৈছে হওক, যোনে যি কৰিছে কৰক, মই এইচবত নাই, বুলি ক'লেইতো আপুনি কোনো স্পৰ্শ নলগোৱাকৈ সাৰি যাব নোৱাৰে – এই ধৰক, আপুনি কৈছে, চাৰিওপিনে বায়ু আছে, থাকক, মই তাৰ বিষয়ে একো লেখাৰ দৰকাৰ নাই, ভবাৰ দৰকাৰ নাই - ঠিক, কিন্তু সেই বায়ু

যদি কোনোবাই দূষিত কৰে, সেই বায়ুৰ নিশ্বাস টানিলে যদি আপোনাৰ বিষক্ৰিয়া হয়, তেতিয়া সেই বিষয়ে ভবাৰ আপোনাৰ দৰকাৰ নহ'বনে? আপোনাৰ এটিটিউড চেইঞ্জ্ কৰক। চাওক, যোৱা শনিবাৰে 'এক্সপ্ৰেছ'ৰ মেগাজিন ছেক্শ্যনত বৰ্তমানৰ সৰ্বব্যাপ্ত আইনহীনতাৰ বিষয়ে এটা ছাৰ্ভে' ওলাইছে, এইবোৰৰ বিষয়ে জনা-বুজা, চিন্ত কৰা কেইবাজনো অভিজ্ঞ, এক্সপাৰ্ট মানুহে ছাৰ্ভে'টোত কন্ট্ৰিবিউট কৰিছে – সেইটো পঢ়ি চাব, ইমান সুন্দৰ, সুক্ষ্ম বিশ্লেষণ, ইমান যুক্তিপূৰ্ণ ব্যাখ্যা, ইমান কন্ভিন্সিং, দেখিব সেইটো পঢ়াৰ পিছত আপুনি আইনহীনতাৰ কথাটো আৰু উপেক্ষা কৰি থাকিব নোৱাৰে – কালি এবাৰ মোৰ ঘৰলৈ আহক, আপোনাক আৰ্টিকল্টো দিম -'

====================================

বিশৃংখল, আইনবিহীন যান প্ৰবাহৰ মাজেৰে পুৰণি মপেডখন কোনোমতে নিয়ন্ত্ৰণ কৰি দুৰ্ঘটনা বচাই গৈ আছো - কিন্তু 'আইনহীন ভাৰত'ৰ সমীক্ষাটোৰ কথা ভবা নাই - আইনহীনতাতো সৰ্বত্ৰ, ৰাস্তা-ঘাট, ঘৰ-দুৱাৰ, নলা-নৰ্দমা, ৰেল-বাছ, ব্যৱসায়-বাণিজ্য, ক'ৰ্ট-কাছাৰী, শিক্ষা-দীক্ষা, চাকৰি বাকৰি, প্ৰশাসন-পুলিচ, দোকান-বজাৰ, অফিচ-আস্পটাল সকলোতে তো সকলোৰে আইনক বৃদ্ধাংগুষ্ঠ প্ৰদৰ্শন - অফিচৰ চোকৰাটোৰ পৰা মন্ত্ৰীলৈকে, এনেকি প্ৰধানমন্ত্ৰীলৈকে সকলোৱে (এনেকি ন্যায়ালয়ৰ বিচাৰকেও) দ্বিধাহীনভাবে আইন বৰবাদ যাব দিয়ে, ঘোচ খায়, মিছা কয়, চক্ৰান্ত ৰচে, যতৰকমৰ জঘন্য কাণ্ড হ'ব পাৰে চব হ'ব দিয়ে - সেইবোৰ মোৰ বিষয়-বস্তু নহয়, মোৰ 'থীম্' নহয় - মোক চিন্তিত ৰাখিছে মোৰ নিজস্ব প্ৰয়োজনীয়তাই, মোৰ মানসিকতাৰ লগত খাপ-খোৱা এটা গল্পৰ প্লট (অহা ১৫ তাৰিখৰ ভিতৰত হেনো দিবই লাগে) - প্লট অৱশ্যে বহুত আছে, কিন্তু প্লটটো কাগজলৈ অনাৰ কোনো আঁচনি কৰিব পৰা নাই, কোনো আইডিয়া পোৱা নাই, সন্তোষজনক কোনো নক্সা, উদ্বিগ্নচিত্তে মাথোঁ আশা কৰি

আছো যে ঘপ্‌কৈ মনত কি এটা খেলি যাব, কোনে জানে, কিজানি ‘আইনহীন ভাৰত’ৰ সমীক্ষাটো চাওঁতে চাওঁতেই অকস্মাৎ কিবা এটা -

ভজনকা মাৰ্কেটৰ পাঁচ আলিটো পৌছাৰ লগে লগে এইবোৰ ভাবনা-চিন্তা উৰি গ’ল - প্ৰচণ্ড জটিল যান-জোঁট, লগতে মানুহৰ হৈ-হাল্লা আৰু যানবাহনৰ ভেঁপু আৰু ঘৰ্ঘৰ, তীক্ষ্ম মনোযোগেৰে চ’কটো পাৰ কৰি নিব নোৱাৰিলে দূৰ্ঘটনা নিশ্চিত – সমুখৰ ট্ৰাক, মটৰগাড়ী, চাইকেল, স্কুটাৰ, ৰিক্সা, ঠেলাগাড়ীৰ এটা নিশ্চিদ্ৰ জোঁটৰ পিছপিনে উপায়ন্তৰ হৈ মপেড প্ৰায় থমাই দিছো, কিয়নো এই বিপৰ্য্যস্ত ভিৰৰ মাজতেই চাৰিজন মানুহে যেন মৰিয়া হৈ ৰাস্তা পাৰ হ’বলৈ উদ্যত হৈ মপেডৰ সমুখতে আহি পৰিছে, বিৰক্ত হৈ ব্ৰে’ক চেপিছো আৰু বাওঁভৰিখন মাটিত নমাইছো, চকুৰ কোণেৰে যেন ধৰিব পাৰিছো কিবা এটুকুৰা লাঠীৰ দৰে বস্তু মোৰ সমুখত উঠা-নমা কৰিছে – ভালকৈ চালো, অ’ হয়, পুলিচ এজনে এখন হাত দাঙি পিছপিনৰ যানবাহনক ৰ’ব দিছে আৰু ইখন হাতেৰে লাঠীডোখৰ জোকাৰি জোকাৰি মোৰ পিনে চাই চাই কিবা এটা ইংগিত কৰিছে – আৰু ভালকৈ চালো, এইবাৰ বুজিছো, মোক নামিব কৈছে, ৰাস্তাৰ দাঁতিলৈ যাবলৈ নিৰ্দেশ দিছে। আচৰিত হৈ মপেডৰ পৰা নামিলো আৰু মপেডখন ঠেলি ঠেলি পুলিচজনৰ পিছে পিছে গৈ ৰাস্তাৰ কিনাৰ পালো – পদপথ নাই, এটা আধা সজা ডাঙৰ দালনৰ প্ৰথম তলা, তাত কেইখনমান সৰু সৰু দোকান – কেছেট, ফাৰ্মাচী, বেকাৰী, পিচিঅ’, দীঘলে দীঘলে দোকানকেইখনৰ উমৈহতীয়া দুখন চিড়ি, লৰালৰিকৈ মন কৰিলো কেইটিমান নিষ্কৰ্মা প্ৰকৃতিৰ ল’ৰাই ওপৰৰ চিড়িখনত বহি আমনি-মুখে চিগাৰেট টানি টানি যানবাহন (আৰু নিশ্চয় ছোৱালী) লক্ষ্য কৰি আছিল আগ্ৰহশূণ্যভাৱে, মই ওচৰলৈ আহি পুলিচজনৰ কাষত থিয় দিয়াৰ লগে লগে সিহঁতৰ মুৰৰ নিৰ্লিপ্ত ভাবটো অদৃশ্য হৈ গ’ল, গোটেইকেইটাই চিড়িৰ পৰা ৰাস্তালৈ নামি আহি আমাক দুয়োকে ঘেৰি ধৰিলে, চকুত আনন্দভৰা কৌতুহল, এজনে কোৱা যেনেই শুনিলো, ‘কি হৈছে বে, কি হৈছে ?’

মইও সুধিলো, ‘কি হ’ল ?’

পুলিচজনে আকৌ এবাৰ লাঠীটুকুৰা জোকাৰি কঠোৰভাৱে মোৰ পিনে চাই ক’লে, ‘আপনি থানালৈ যাব লাগিব, (থানাখন ওচৰতে) নহ’লে ফাইন দিব লাগিব।’

‘ফাইন ? কিহৰ ফাইন ? কি কৰিলো মই ? ’

ল’ৰাকেইজনে হা কৰি দৃশ্যটো চাইছে, সেইপিনে চকু নিদি পুলিচজনে ক’লে, ‘আপুনি মূৰত একো পিন্ধা নাই। আপোনাৰ হেমলেট ক’ত ?’

উত্তৰৰ বাবে ল’ৰাকেইজনে আধা হাঁহি আধা গম্ভীৰ হৈ মোৰ পিনে চালে, মোৰ মনত খেলালে যে এনেকুৱা সোণালী সুযোগ আৰু জীৱনত কেতিয়া আহিব, মই ক’লো, ‘হেমলেট ? হেমলেট শ্বেক্সপীয়াৰৰহে আছে, মোৰতে নাই।’

‘নাই, নাই আপোনাৰো লাগিব,’ অলপ উত্তেজিত হৈ পুলিচে ক’লে, ‘চবৰে লাগিব।’

‘হয় খুৰা,’ ল’ৰা এজনে মোৰ পিনে চাই ক’লে, ‘আজিকালি হে’ল্‌মেট্‌ কম্পাল্‌ছৰি, পিলিয়নত গ’লেও লাগে।’ মই ক’লো, - ‘এ - মোৰো টুপি এটা আছে, আজি লৰালৰিতহে পিন্ধি অহা নহ’ল,’ পুলিচ ক’লে, ‘টুপি ? কিৰকম টুপি ? কিহৰ টুপি ?’ ‘কাপোৰৰ, কিন্তু বেচ ডাঠ কাপোৰৰ, একদম লোহাৰ দৰে, ঠাণ্ডা দিনত পিন্ধি আৰাম-,’ ‘নাই, নাই, সেইচব টুপি-চুপিৰে নহ’ব –’, পুলিচে ক’লে, তাৰ ওপৰতে আন এজন ল’ৰাই কৈ উঠিল, ‘এটা লৈয়েই লওক খুৰা, এক্সিডেন্ট-টেক্সিডেন্ট হলে জখম-টখম হোৱাৰ চান্স্‌ কম থাকে, আৰু নহ’লে আপুনি ৰাস্তাই-ঘাটে মিছামিছি ফাইন দি থাকিব লাগিব –,’ ‘অ, ঠিকেই কৈছা,’ মই ক’লো, ‘কিবা এটা ল’বই লাগিব দিয়া,’ পুলিচে কৈ উঠিল, ‘নিয়মমতে আপোনাৰ মপেডখন থানাত ৰাখি যাব লাগে, নহ’লে আপোনাৰ পৰা মই ফাইন ল’ব লাগে, আজি- ,’ তাৰ ওৰতে আন এজন ল’ৰাই কৈ উঠিল, ‘এঃ হ’ব দিয়ক, এখেতে ভুলতে টুপিটো এৰি আহিছে, কিয় তাতে ধৰি থাকে, যাব দিয়ক –’, মই

ল’ৰাজনৰ পিনে চাই কৃতজ্ঞৰ দৰে মূৰ দুপিয়ালো, তাৰ পিছত পুলিচজনলৈ চালো – ডেকা মানুহ, মোতকৈ বহুত সৰু, ক’লো, ‘চোৱা ভাই, তোমালোকৰ এইচব নতুন নতুন ৰুল-ৰেগুলেশ্যনৰ কথা কি চব সময় মানুহৰ খেয়াল থাকে, আজি ভুল এটা হ’ল আৰু, হ’ব দিয়া – আৰু মোক তো দেখিছাই, মই আৰু কিবা এওঁলোকৰ দৰে (ল’ৰাকেইজনৰ পিনে হাত দেখুৱালো) ছুপাৰনিক স্পীডত গাড়ী চলাম নে – কিমান সাৱধানে টুকটুক্ কৰি আস্তে আস্তে যাওঁ, মইনো আৰু কি এক্সিডেন্ট ঘটাম, মোৰ এইখনেতো পিক্-আপেই নলয়- ,’ ল’ৰা এজনে আন এজনক সুধিলে, ‘অ, এইখন কি বে ?’ আন এজনে ক’লে, ‘হিৰ’-মেজেষ্টিক, ’ ‘অ’ হিৰ’-মেজে-চট্িক ?’ আমোদপূৰ্ণ উপলুঙাৰ হাঁহি ভাহি উঠিল (সিহঁতে নিশ্চয় হিৰ’-হণ্ডাৰ তলৰ কিবাত উঠিব লগা কথাটো সন্মানহানি বুলিয়েই ভাবে) পুলিচজনে এবাৰ ল’ৰাহঁতৰ পিনে চালে, কিবা ভাবিলে, এবাৰ অনিশ্চয়ভাৱে মোৰ পিনে চালে, তাৰ পিছত ক’লে, ‘ঠিক আছে আজি যাওঁক-কিন্তু এইৰকম চলাই যাব নোৱাৰে, আপোনাৰ মপেড ঠেলি লৈ যাওঁক বা ঠেলাত তুলি লৈ যাওঁক -,’ ‘অঁ, অঁ, ঠিক আছে, এখেতক আজিলৈ যাব দিয়ক’, ল’ৰাহঁতে ক’লে আৰু আকৌ জুম ভাঙি ওপৰৰ চিড়িখনলৈ উঠিব ধৰিলে, মুখবোৰ আধা-অসন্তুষ্ট, চাঞ্চল্যকৰ কিবা যদি সিহঁতে আশা কৰিছিল, তেনেকুৱা একো তো নহ’ল –

ল’ৰাজাকৰ পিনে চাই এটা মিচিকিয়া হাঁহি মাৰি হাতৰ বা দিলো, পুলিচজনৰ পিনে চাই ধন্যবাদ দিয়াৰ ভংগীত মূৰটো সামান্য দুপিয়ালো; পুলিচে ক’লে, ‘কিন্তু আজিয়েই যেনেতেনে হেমলেট যোগাৰ কৰি লওক -’

অলপ চিন্তান্বিত মুখ কৰি ক’লো, ‘অঁ, কিন্তু এতিয়া ইয়াত হেমলেট যে ক’ত পাওঁ - ডেনমাৰ্কতহে পায় -’

‘নহয়, নহয়, ইয়াতে পাব, চব দোকানতে পাব - সেই যে দেখা যায় বি. আৰ. ট্ৰেডাৰ্ছ, তাতেই পাই যাব -’

==================================

মপেডখন ঠেলি ঠেলি অহাবাটেই উভতি গ'লো অলপ দূৰ, পুলিচজনৰ চকুৰ আঁৰ হোৱাৰ লগ লগে যানখন ষ্টাৰ্ট দিলো, মনত বিৰাট স্ফূৰ্তি – যি বিচাৰি আছিলো, পাই গৈছো, যেনেকৈ ভাবি আছিলো যে 'মনত ঘপকৈ কিবা এটা খেলি যাব', ক'ৰবাৰ পৰা কিবা আইডিয়া আহি যাব, ঠিক সেয়ে ঘটিছে, যাক কয় 'manna from heaven, আকাশৰ পৰা অন্ন'- আৰু ল'ৰাকেইজনৰ বাবেও মোৰ দুৰ্গতিৰ ঘটনাটো এটা মজাদাৰ সৰু সকাহ, লৰাহঁতৰ আছিল আমনি লাগি, আছিল 'ব'ৰড্' হৈ (সদায়নো কিমান চাহৰ দোকানত বহি বহি, চিঁড়িত বহি বহি, সেই একেই একঘেয়ে দৃশ্যবোৰকে চাব), ছোৱালীয়েই বা আৰু কিমান চাব, মপেড ঠেলি ঠেলি পুলিচৰ পিছে পিছে এই বয়সীয়াল মানুহজন আহি পৰা কাণ্ডটো যিহওক এটা বঢ়িয়া ব্যতিক্ৰম, য'ত নতুন একো নঘটে তাত এয়ে এটা 'ঘটনা', মই আৰু মোৰ মপেডখনো ল'ৰাকেইজনৰ বাবে 'আকাশৰ পৰা অন্ন, মান্না ফ্ৰম হে'ভ্‌ন্। 'আইনহীন ভাৰত'ৰ সমীক্ষাটোৰ আৰু এতিয়া তেনে জৰুৰী প্ৰয়োজন নাই, মই নিজেইতো এইমাত্ৰ এজন আইন ভংগকাৰীৰ ভূমিকা গ্ৰহণ কৰি আহিলো, নিজৰ প্ৰত্যক্ষ অভিজ্ঞতা, অৰ্থাৎ আইনহীনতাৰ পৰা (ইচ্ছাকৃত হওক বা নহওক) মইও বাদ যোৱা নাই, অৰ্থাৎ সমাজৰ এই দিশটোৰ লগত মোৰ চেতনা এতিয়া ব্যক্তিগতভাৱেই জড়িত, অৰ্থাৎ মইও হয়তো এতিয়া যাক ক'ব পাৰি এজন 'সমাজ সচেতন'... কিন্তু এই যে 'মান্না', মানে আকাশৰ পৰা অন্ন বা খাদ্য - এইটো কি আছিল ? কিবা যেন মনত পৰে, কিছুমান মানুহে মৰুভূমিত ঘূৰি ফুৰিছিল ভোকে-পিয়াহে, হঠাৎ আকাশৰ পৰা বৰ্ষিত হ'ল খাদ্য, সুস্বাদু 'মান্না'- কিন্তু মোৰ বাবেও যে শূন্যৰপৰা অকস্মাৎ সৰি পৰিল এই 'মান্না', এইটো আচলতেনো কি, এইটো কি মই খাব পাৰিম –

ঘৰ পাই লৰালৰিকৈ কিতাপ-পত্ৰ ঘাঁটিলো- অ, প্ৰায় ঠিকেই মনত পৰিছিল, বাইবেলৰ ঘটনা ('পুৰণি নিয়মৰ' ২য় পুথি, এক্স'ডাছ) : বহুদিন ইজিপ্তত দাস হৈ আছিল 'ইজৰায়েলী' ফৈদৰ মানুহবোৰ, দহটা মহামাৰীৰ অন্তত

তেওঁলোকে মজেছৰ নেতৃত্বত বহিঃপ্ৰব্ৰজন আৰম্ভ কৰিলে প্ৰতিশ্ৰুত কানান দেশ অভিমুখে। যাওঁতে যাওঁতে আহি পৰিল লোহিত সাগৰৰ পাৰত, পিছে পিছে খেদি আহিছে ইজিপ্তৰ ফাৰাঅ'ৰ সৈন্যবাহিনী আৰু এজন ফাৰাঅ'। কিন্তু ইজৰায়েলীসকল হ'ল ঈশ্বৰে 'বাছনি কৰা' মানুহ, সেয়ে তেওঁলোক পাৰ হৈ যাবলৈ লোহিত সাগৰৰ পানী দুফালে আঁতৰি গৈ বাট উলিয়াই দিলে, তাৰ পিছত পানীৰ ওভটনি ধলত পিছে পিছে অহা ফাৰাঅ' আৰু ইজিপ্তীয় সৈন্যবাহিনী বুৰ গ'ল। ইজৰাইলীসকলে সাগৰৰ সিপাৰে পালেগৈ শুকান ধূ ধূ মৰুভূমি, তাত বহু বছৰ অনাই বনাই ঘূৰি ফুৰিব লগা হ'ল, পিয়াহৰ পানী নাই, ভোকৰ ৰুটি নাই – কিন্তু অকস্মাৎ সৰগৰ পৰা তেওঁলোকলৈ বৰ্ষিত হ'ল 'মান্না', পুষ্টিভৰা তৃপ্তিকৰ খাদ্য – এটা তামাম দৈৱ ঘটনা –

কিন্তু কি আছিল এই মান্না ? কিয় কয় তাক মান্না, মান্না মানে কি? অভিধান, বিশ্বকোষ যি পালো পাত লুটিয়াই চালো : মান্‌আ (man'a ash) গছৰ পৰা নিঃসৃত মিঠা ৰস। আৰবী শব্দ , মূল হিব্ৰু 'মান-হু' অৰ্থাৎ 'এইটো কি ?' বা 'মান্' অৰ্থাৎ 'উপহাৰ, দান, বৰ'। (অ, ইজৰায়েলীসকলে নিশ্চয় প্ৰথমতে আচৰিত হৈ 'এইটো কি !' বুলিয়েই চিঞৰি উঠিছিল, তাৰ পিছ চাখি চাই বুজিছিল যে এইটা এটা 'উপহাৰ,' এটা দৈৱ উপহাৰ !) এশ, বাৰ্চ, ঝাউ আদি গছৰ বা কোনো কোনো ধৰণৰ শেলুৱৈৰ পৰা ক্ষৰিত ৰস। মিঠা। ঔষধতো ব্যৱহৃত হয়। অভিধানত আৰু কৈছে : 'দেহ-মনৰ বাবে সুস্বাদু খাদ্য', 'যেন দৈৱ-অনুগ্ৰহত আহি পৰা কোনো সা-সুবিধা... '

পঢ়োতে পঢ়োতে যেন মনত কিবা এটা খট্‌কা লাগিব ধৰিলে – এশ্ ? ঝাউ ? শেলুৱৈ ? বিস্তীৰ্ণ ধূসৰ মৰুভূমিত আছে নেকি এইবোৰ বস্তু ? আৰু যদি কোনোবা ৰেছিছ বা ক'ৰবাত কিবা আছেও, সিহঁতৰ ক্ষৰিত ৰস বৰ্ষিত হ'ল কেনেকৈ ওপৰৰ পৰা, আকাশৰ পৰা ? ধৰি ললো, মৰুভূমিৰ ওপৰৰ শীতল আকাশত কিবাকৈ বৰফৰ সৃষ্টি হৈছিল, সেই বৰফ তললৈ সৰি পৰোঁতে

বায়ুমণ্ডলত ভাসমান ইটো-সিটো দ্ৰব্য যোগ হৈ মিঠা বৰফৰ ৰূপত আহি পৰিছিল ইজৰায়েলীসকলৰ ওপৰত, এক ধৰণৰ বায়ুমণ্ডলীয় আইচক্ৰীম-কিন্তু অতবোৰ মানুহে খাই থাকিব পৰাকৈ অতদিন ধৰি এনেকুৱা এবিধ অলৌকিক আইচক্ৰিম বৰ্ষিত হৈ থাকিব পাৰেনে ?

=====================================

ইতিমধ্যে যেন মনতো এটা সংশয় আহিব ধৰিছে যে 'ঘপ্‌কৈ আহি পৰা' মোৰ আইডিয়াটো, মোৰ 'মান্না'টো দেখোন সংহত ৰূপ লওক ছাৰি বৰং বিয়লিহে যাব ধৰিছে – মেলি চালো আইজাক আছিমভৰ (বা ইজাক আজিমভৰ) বাইবেল-ভাষ্য, তাত লিখিছে : 'এটা প্ৰাচীন কিংবদন্তিৰ পাছলৈ দিয়া বিশদ ৰূপ, সঁচা বুলি ভবাৰ কাৰণ নাই।'

# বন্‌ছাই

ৰুটি-মাখন-বিস্কুট, চেনি-চাহপাত-আলু, ছাৰ্ফ-চাবোন-টুথপেষ্ট, ....তাৰ পিছত মনত পৰিল যে কেইবাদিনো হ'ল কফি শেষ হৈছে – ইপিনে পইচাও শেষ হৈছে – পেকেট এটা টানি আনি চালো, দাম ৩৫ টকা, কিন্তু হাতত ৰৈছেগৈ এতিয়া প্ৰায় ১৪ টকা - অৱশ্যে চিনাকি দোকানী, পিছত দিম বুলি লৈ যাব পাৰোঁ, কিন্তু পৰাপক্ষত বাকী নাৰাখোঁ, বেয়া লাগে, কিন্তু সকলোৱে কফি কফি কৰি আছে, মোৰো কফি খাবৰ ইচ্ছা হৈছে, কি কৰোঁ ভাবিছোঁ, এনেতে দোকানীয়ে ক'লে, 'খুৰা,ইয়াৰ এটা সৰু পেকেট অলপতে ওলাইছে, ২ কাপ হয়, নি চাব পাৰে,' আৰুআঙুলিৰে দেখুৱালে ওলমি থকা পাণমচলা আৰু গুট্‌কাৰ সৰু সৰু পেকেটৰ মালাৰ কাষত ওলমিছে তেনেকুৱা আকৃতিৰ এলানি কফিৰ পেকেট। 'অ' হয় নেকি, চাওঁছোন কেনেকুৱা -,' দোকানীয়ে এটা পেকেট ছিঙি আনি দিলে, দাম ২ টকা, কেইটামান কিনি পেলালোঁ, যাক, সম্প্ৰতি ইয়াৰেই কেইকাপমান হৈ যাব –

প্লাষ্টিকৰ মোনাকেইটা বেগত ভৰাই দোকান এৰিলোঁ, এনেতে ধাৰণা হ'ল কিবা এটা পাহৰিছো - কিবা এটা – অ',ভন্টিয়ে এটা শ্বেম্পুৰ কথা কৈছিল – ইয়ে ৰাম, পইচা শেষেই হ'ল নেকি - জেপ খুচৰিলোঁ, নাই 'যাষ্ট' হ'বগৈ, আকৌ দোকান, কফিৰ মালাৰ কাষত ওলমি আছে কেইবালানি বেলেগ বেলেগ শ্বেম্পুৰ সৰু সৰু পেকেটৰ শৃংখল, দোকানীয়ে ভন্টিয়ে নাম কোৱাটো ছিঙি দিলে। দুই টকা।

=====================================

ঘৰ পাই দেখিলো, প্ৰতিৱেশী বৰুৱা বহি আছে, ভন্টিৰ লগত কথা পাতিছে। তেওঁৰ বাৰীত মস্ত মস্ত এবিধ কল (জাহাজী কলৰ দৰে, নাম বোধহয়

বৰাতমণি নে সুখসাগৰ) লাগিছে, প্লাষ্টিক ঠোঙা ভৰ্তি কৰি তাৰে কেইটামান তেওঁ আমালৈ লৈ আনিছে। আমাৰ এওঁ কৈছে, ‘এওঁ এই বৰ্মনৰ দোকানলৈ গৈছে, এতিয়াই আহি পাব; অলপ বহক’, আৰু চাহৰ চছ্‌পেনটোত পানী ভৰাব ধৰিছে। মই ক’লোঁ, ‘হেৰা, চাহ থোৱা, আমি এতিয়া অলপ কফিকে খাওঁ দিয়া’, আৰু কফিৰ সৰু পেকেটকেইটা উলিয়াই এওঁৰ হাতত দিছো,এওঁ মিচিক্‌কৈ হাঁহি দিছে আৰু কৈছে, ‘অ’ আই, এইকেইটা কি আনিছে !’ সেইপিনে এবাৰ চাই বৰুৱাই কৈছে ‘অ’, কফিও এতিয়া মিনিয়েচাৰাইজ্‌ড্‌ হৈ গ’ল দেখোন, হাঃ হাঃ, ঠিক আছে, ভালেই হৈছে, কাষ্টমাৰৰ সুবিধাই হ’ব,’ তাৰ পিছত ভন্টিৰ হাতত শ্বেম্পুৰ পেকেটটো দিছোঁ, বৰুৱাই সেইপিনে এবাৰ চাই লৈ এটা সৰু মিচিকি হাঁহি মাৰিছে, তাৰ পিছত মই ডাঙৰ মেজখনৰ ওপৰত খুলি-থোৱা ‘সুখসাগৰ’ কলকেইটালৈ চাইছোঁ, কৈছোঁ, ‘এঃ বৰুৱা, এইবোৰ নো মিছামিছি কিয় আনিলে, বাপ্‌ৰে কি বিৰাট দীঘল, দেখিলে দেখোন ভয়েই লাগে – ,’  ‘কি কৰিম কওক, ’ বৰুৱাই কৈছে, ‘সেইটোৱেই তাৰ ছাইজ – কিন্তু ভয়ৰ কি আছে, আপুনিতো আগতেও টেষ্ট কৰিছে, সোৱাদো আগৰ দৰেই পাব, আপুনি নিৰ্ভয়ে – ’

কফিৰ কাপত চুমুক দি বৰুৱাই এওঁৰ পিনে চাই ক’লে, ‘বৰ ভাল হৈছে, বঢ়িয়া ফ্লেভাৰ’, মোৰ পিনে চাই ক’লে, ‘বুজিছে শইকীয়া, কোম্পানীবোৰৰ কিন্তু বুদ্ধি আছে। কাষ্টমাৰে ঘপ্‌কৈ ৪০-৫০ টকা দি কফিৰ টিন এটা কিনি পেলাবলে হয়তো সদায় নোৱাৰে, কিন্তু দুই টকাৰে দুকাপ কফিৰ পেকেট এটা কিনিবলৈ কাৰে গাত নালাগে, আৰু তেনেকৈ ‘এঃ দুটকাহে !’ বুলি কিনিবও বাৰে বাৰে, আৰু তেনেকুৱা সস্তাত পাই কিনিবও বহুত বেছি মানুহে – ফলত কোম্পানীৰ বিক্ৰী বাঢ়ি যাব বহুগুণ। আজিৰ মাৰ্কেট ইকনমিক্স : কম দামেৰে বেছি মানুহক বজাৰলৈ টানি আনা। এই ধৰক ভন্টিৰ সৰু শ্বেম্পুটো – আগেয়ে পোৱা গৈছিল শ্বেম্পুৰ ডাঙৰ ডাঙৰ বটল, দাম ধৰক ৪০-৫০ টকা, কিনিছিল ধৰক আঢ্যবন্ত ঘৰৰ তিৰোতা মানুহে এমাহে-দুমাহে এটা বটল, বাকীবোৰ কম

উপাৰ্জনৰ মহিলাই সেইটো কিনিব নোৱাৰে, যদিও তেওঁলোককো শ্বেম্পু লাগে, শ্বেম্পু ব্যৱহাৰ কৰাৰ তেওঁলোকৰো ইচ্ছা – কিন্তু এটা ডাঙৰ বটলৰ দামো বহুত আৰু তাত থাকেও বহুত বেছি — তেওঁলোকক ইমান নালাগে, মাজে মাজে দুই-এদিনহে ঘঁহিবলৈ লাগে – গতিকে বজাৰত মেলি দিয়া হওক সৰু সৰু শ্বেম্পুৰ পেকেট, সকলোৱে চুব পৰাকৈ সুলভ মূল্যত – আপুনি ভন্টিলৈ অনাটো বোধহয় ডেৰ টকা-দুটকামান হ'ব, নহয়নে ? – ফলত ডাঙৰ বটলটো যদি কিনিছিল এটা এলাকাৰ এশগৰাকী তিৰোতাই, এতিয়া কিনিব সেই এলেকাৰে এহেজাৰ গৰাকীয়ে, আৰু দামটো গাতেই নালাগে যেতিয়া, কিনিবও ঘনাই ঘনাই - শেষ ফল হ'ব এই যে কম সময়তে কোম্পানীৰ লাভ বাঢ়ি যাব আগতকৈ বহু কেইগুণ বেছি – বুজিছে শইকীয়া, আজিৰ যুগটো হৈছে 'মিনি'ৰ যুগ - মিনি কফি, মিনি শ্বেম্পু, মিনি-সামগ্ৰী, মিনি-বাছ, মিনি-স্কাৰ্ট, মিনি টিভি'

'আৰু বোধহয় মিনি-সহিত্যও', ময়ো কফিত চুমুক দি দি হয়ভৰ দিলো। ('একেবাৰে- চুটি গল্প' এটাৰ সমস্যা মোৰ মগজুত তেতিয়া খেলি আছে) 'কিয়নো, কফি বা শ্বেম্পুৰ কাষ্টমাৰ যেনেকৈ বাঢ়িছে, সকলোৰে কফি খোৱাৰ ইচ্ছা বা শ্বেম্পু ঘঁহাৰ ইচ্ছা, তেনেকৈ হয়তো গল্প-উপন্যাস পঢ়িব খোজা মানুহৰ সংখ্যাও বাঢ়িছে, - বোধহয় জনসংখ্যা বঢ়াৰ লগে লগে সাক্ষৰতাও বাঢ়িছে – কিন্তু আজিকালি মানুহৰ মনোযোগ চুটি, যাক কয় attention span, সেইটো সংক্ষিপ্ত, মস্ত মোটা মোটা কিতাপ পঢ়ি বহি থাকিবৰ ধৈৰ্য্য নাই, আজিকালি জীৱন এনেকুৱা জটিল, মানুহৰ ইমান লেঠা ইমান সমস্যা ইমান ব্যস্ততা ইমান খৰচ যে দৈত্যকাৰ উপন্যাস এখনৰ পাত লুটিয়াই থকাৰ কাৰোৰ সময় নাই, সেইবোৰ কিনাৰো সকলোৰে সাধ্য নাই - পৃষ্ঠাসংখ্যা ধৰক ৪৫০, দাম ৩৫০ - গতিকে পঢ়ুৱৈৰ সময় আৰু পকেটে ঢুকি পোৱাকৈ সৰু সৰু আলোচনী, বাতৰি-গুম্‌টিবোৰত উভৈনদী সৰু সৰু চিৰিজ-ৰহস্য-ৰোমাঞ্চ-প্ৰেম-কেলেংকাৰী-খবৰৰ কাগজৰ দেওবৰীয়া পৰিপূৰিকা, চট্‌পট্‌ পঢ়ি লেঠা মাৰি পেলাব পৰা

সংক্ষিপ্ত কাহিনী – হুৰমূৰকৈ ভোকটো পলুৱাই নিজৰ ধান্দাত দৌৰ দিবলৈ মানসিক ‘ফাষ্টফুড, ইন্সটেন্ট কফি –’

‘অ, তেনেকুৱাই,’ বৰুৱাই ক’লে, ‘নিৰল ৰেষ্টুৰেন্টত ৰিলেক্সড্ মুডত বহি বহি থ্ৰি-কৰ্ছ ফাইভ-কৰ্ছ ডিনাৰ খাই খাই সময় পাৰ হৈ যাব দিয়াৰ আৰু দিন নাই, ঘৰৰ পাঁচজনৰ লগত শান্ত পৰিবেশত আই-বাইয়ে কাঁহীৰ চাৰিওপিনে বাটি সজাই দি পাতত ধীৰে-সুস্থিৰে ইপদ-সিপদ দি থকাৰো আৰু আজি – যুদ্ধৰ সময়ত বোলে আমেৰিকাই নে জাৰ্মানীয়ে এবিধ সৰু পিল বাহিৰ কৰিছিল, তাত এজন মানুহক দিনে যিমানখিনি ভিটামিন-মিনাৰেল-এনজাইম-ষ্টাৰ্চ-প্ৰ’টিন-কাৰ্ব’হাইড্ৰেট-কেলৰি লাগে সব কনছে’নট্ৰেট্ কৰি ভৰাই থোৱা আছিল - এজন সৈন্যই দিনে এটা পিল খালেই গোটেইখিনি পুষ্টি পাই যায়, আৰু ভোকো নালাগে - বাচ্, ৰচদ-পাতি কঢ়িয়াই ফুৰাৰ কষ্ট নাই, ৰন্ধা বঢ়া-পৰিবেশন কৰাৰ কোনো ঝামেলা নাই, কওকচোন বাৰু, আমি কি সেই আশ্চৰ্য্য পিলটোৰ পিনেই গৈ আছো ?’

‘বোধহয়। সাহিত্যও কি সেইপিনে ? অৱশ্যে বিয়াগোম দৈৰ্ঘ্যৰ উপন্যাস আজিও ওলাই আছে – কিন্তু কেইজনে সেইবোৰ কিনিব পাৰে, পঢ়িব পাৰে, সেইবোৰত সময় খৰচ কৰিব পাৰে ? ক্লাছিক্‌ছ বিলাকতো আজিকালিৰ পঢ়ুৱৈয়ে নুছুয়েই - অ’, কি ক’লা ‘এ’ টেইল অফ্ টু ছিটিজ’ বৰ বিখ্যাত উপন্যাস ? আমাৰ পঢ়ুৱৈয়েও পঢ়িবলৈ পাব লাগে ? ঠিক আছে – কিন্তু চোৱা, It was the best of times, it was the worst of times, it was.. এইবোৰ ইষ্টাইল-লগোৱা বাহুল্য শুনি থাকিবৰ আমাৰ পঢ়ুৱৈৰ আজি ফুৰচৎ নাই – ব্যাপাৰটো কি হৈছিল থুলমূলকৈ কৈ দিয়া, বচ্, সেয়ে যথেষ্ট হ’ব, ধৰা ১৫ পৃষ্ঠা, ৪৫০০ শব্দ –’

কফিখিনি শেষ কৰিলো আৰু মনে মনে ভাবিলো, অ’, সেই কাৰণেই নেকি একেবাৰে মূৰামূৰি সময়ত বিশেষ সংখ্যা ‘পূৰ্বাচল’লৈ মোৰ পৰা বিচাৰিছে এটা চমুলেখা, যথাসম্ভৱ চুটি কিবা এটা লেখা ?

====================================

অৰ্থাৎ, এটা মিনি-গল্প। পঢুৱৈয়ে কষ্ট নাপাব। তাৰ পিছত হয়তো জনপ্ৰিয় কৰি তোলা হ'ব মাইক্ৰ'গল্প, নেন' (nano) গল্প, ক্ষুদ্ৰৰ পৰা ক্ষুদ্ৰতৰ। কিন্তু লেখকৰ একোটা নিজস্ব পৰিসৰ থাকে, এটা 'মাধ্যমিক' (বা গড়) দৈৰ্ঘ্য থাকে, তাৰ কম-বেছি কৰিব গ'লে লেখক হৈ নপৰিবনে একেবাৰে অস্বাভাবিক ? 'হাতী মাৰি ভুৰুকাত ভৰোৱা' কামটো হয়তো শংকৰদেৱে পাৰে, সকলোৱে পাৰিবনে ? সিদ্ধান্ত কৰিলো যে 'পূৰ্বাচল'ক এইটোৱেই জনাই দিব লাগিব যে দুঃখিত, ইমান কম সময়ত ইমান চুটি গল্প তৈয়াৰ কৰা নাযাব – চাৰ্চ্চিল নে কোনোবাই হেনো কৈছিল যে তেওঁক যদি কোৱা হয় যে তেওঁ বক্তৃতা দিব লাগিব দহ মিনিট, তেনেহ'লে তেওঁ তথ্যপাতি গোটাই পাঢ়াশুনা কৰি প্ৰস্তুত হ'বলৈ লাগে ১০ ঘন্টা, যদি কোৱা হয় যে বক্তৃতা দিব লাগিব আধা ঘণ্টা, তেনেহলে ৩ ঘন্টা, যদি বক্তৃতা দিব লাগিব এঘন্টা, তেনেহলে কোনো প্ৰস্তুতি নালাগে।

'বাৰু, মই তেনেহ'লে এতিয়া উঠো', বৰুৱাই ৰুমাল উলিয়াই মুখখন মচিলে, 'আপুনি আমাৰ কল এটা টেইষ্ট কৰি নাচালে ?'

'অ', চাব লাগিব নেকি ?' মই ক'লো আৰু মেজৰ থোকৰ পৰা এটা ছিঙি আনি বাকলি গুচাবৰ উপক্ৰম কৰিলো, 'এতিয়া অৱশ্যে মোৰ ভোকেই নাই, কিন্তু আপুনি কৈছে যেতিয়া, ' একামোৰ মাৰিলো, 'আঃ বঢ়িয়া - কিন্তু যি কৈছোঁ, তাৰ ছাইজটো দেখিলেহে ভয় লাগে ডন্টিং – ইয়াৰ এটা সৰু ছাইজ কৰিব পৰা হ'লে –'

'আছেই কিজানি – বা হয়তো কৰিবও পাৰি – আজিকালি বহুত নতুন নতুন টেক্নিক ওলাইছে, বহুত শস্যৰ ধৰণ-কৰণ বদলাই দিছে, ফল-ফুলৰ ৰং সলনি কৰি দিছে, সোৱাদ বঢ়াই দিছে – জেনেটিক ইঞ্জিনীয়াৰিং নে কিবা কয় হয়তো ইতিমধ্যে কোনোবাই মিনি-সুখসাগৰৰ খেতি কৰিছেই, দেখিছেইতো,

জাপানীয়ে বাহিৰ কৰা কিমান বেলেগ বেলেগ জাতৰ চাউল আজিকালি বজাৰত পোৱা যায় –’

‘অ’, জাপানীয়েই হয়তো কৰিছে – বা কাৰোবাক লাগিলে কৰি দিব। হাতী মাৰি ভুৰুকাত ভৰোৱাত ওস্তাদ, মিনিয়েচাৰাইজেশ্যনত এক নম্বৰ এক্সপাৰ্ট - তেওঁলোক মানুহবোৰো বৰ দীঘল-ডাঙৰ নহয়, বস্তুবোৰো - ইউৰোপ-আমেৰিকাত ওলোৱা বস্তুবোৰ - তৎক্ষণাৎ কৰি পেলায় সৰু সৰু (অৱশ্যে দৰকাৰ হ’লে তেওঁলোকে বিয়াগোম টেংকাৰ-জাহাজো বনাই দিয়ে) – মিনি-চিপ, মিনি ট্ৰেঞ্জিষ্টৰ, মিনি-কেমেৰা, মিনি কম্পিউটাৰ -ইউ নেইম্ ইট্ – আমেৰিকাই যদি আজি উদ্ভাৱন কৰিছে এক ফুট বহল এটা কিবা, কালি জাপানে বজাৰত মেলি দিব তাৰ এটা এক ইঞ্চি সংস্কৰণ। যদি তেওঁলোকক কোৱা হয় যে মংগলগ্ৰহলৈ পঠিয়াবলৈ এটা সৰু ৰকেট লাগে, তেওঁলোকে হয়তো কাঠপেঞ্চিলৰ দৰে চিঁয়া কিবা এটা ৰকেট উৰাই দিব – আৰু এই যে আমি কৈ আছো যে আজিৰ সাহিত্যৰ ট্ৰে’ণ্ড হৈছে মিনি-সাহিত্য, সেইটোও তেওঁলোকে কেতিয়াবাই বাহিৰ কৰি থৈছে -’

‘কি ৰকম ?’

‘হাইকু – শুনিছে নিশ্চয়, তিনি লাইনৰ কবিতা – আপুনি-মই যিখিনি কথা প্ৰকাশ কৰিবলৈ ল’ম কমেও এটা পেৰাগ্ৰাফ, হাইকু কবিয়ে সেইখিনি ভৰাই দিব তিনিটা সৰু সৰু শাৰীত আৰু একেবাৰে মোহনীয় ৰূপত।’

‘অ', হয় নেকি? বাৰু মই আহোঁ তেনেহ’লে’, এওঁলৈ চালে (এওঁ ইতিমধ্যে ওচৰলৈ আহি কথা শুনি আছিল), ‘বহুদিনৰ মূৰত ভাল কফি একাপ খালোঁ’ (এওঁ অলপ মিচিকিয়াই হাঁহিলে), মোলৈ চালে, ‘বাৰু, জাপানীকেই কওক তেনেহ’লে, আপোনাক মিনি-ছাইজ্ সুখসাগৰ কল গজাই দিব – তেওঁলোকে পাৰিব –’

‘অ, কিবা বন্‌ছাই –’, এওঁ কৈ উঠিল।

'হয়', বৰুৱাই এওঁলৈ চাই আকৌ এটা মিচিকি হাঁহি মাৰি মূৰ দুপিয়ালে। 'ঠিকেই কৈছে, বন্‌ছাই। ক'ৰবাত আপুনি দেখিছেও বোধহয় ?'

'অ, এখন প্ৰদৰ্শনীত', এওঁ ক'লে।

'বন্‌ছাই ?' মই কলোঁ।

'হয়। আজব কাণ্ড বন্‌ছাই – তাৰ মানে হেনো 'গাম্‌লা-খেতি' - সৰু গাম্‌লা বা ট্ৰে'ত বিশেষ ধৰণে চিকুনাই কৰ্ষণ কৰি গজায় একেবাৰে সৰু সৰু বাওনা গছ – অৰিজিনেলি বোধহয় চীনা পদ্ধতি – বিশাল মহীৰূহৰ ঠাইত আপুনি দেখিব লিলিপুট বট – গতিকে আপোনাৰ সুখসাগৰ কলৰ গছডালো বন্‌ছাই পদ্ধতিৰে একেবাৰে ক্ষুদ্ৰ কৰি গজাই লৈ –'

'অ' , কিন্তু', এওঁ অলপ বিমোৰত পৰাৰ দৰে কৈ উঠিল, 'সেইবোৰ কল হ'ব দেখোন তেনেই অকণি অকণি। সেইবোৰ খাই মানুহে ভাল পাব জানো ?'

# বিজ্ঞান, দীনবাবু আৰু তিনিলাখ বনুৱা

কুৰি শতিকাৰ এটা সাধাৰণ কাহিনী। কুৰি শতিকাতেই এটা এনেকুৱা কাহিনী সম্ভৱ - বিৰাট কল-কাৰখানা আৰু বিজ্ঞানৰ চিকিমিকিৰ আঁৰত।

কুৰি শতিকাৰ এই কাহিনীটো মই, কুৰি শতিকাৰ মানুহে, আপোনালোক কুৰি শতিকাৰ মানুহসকলৰ আগত কম, শুনিব।

কাহিনীটো বিশেষ একো নহয়। সিদিনা মোৰ এজন সম্বন্ধীয় ভাই ভাতুৱে এখন মাৰ্কিন বিজ্ঞান আলোচনী আনি ক'লে, "সৌৰভদাদা, এটা কথা দেখিছানে নাই ?"

"কি কথা?"

"এই চোৱা"

আলোচনীখন মেজত থলে ভাতুৱে। ধুনীয়া বন্ধোৱা, ধুনীয়া ৰঙীন ছবি, ধুনীয়া বিজ্ঞাপন, ধুনীয়া প্ৰবন্ধ।

আলোচনীখনৰ পাত এটা লুটিয়াই সি ক'লে, "আমেৰিকাত এতিয়া এজন চাইন্টিষ্টে - মিষ্টাৰ এইচ, এটলাচ্, তেওঁ কি উলিয়াইছে চোৱা"

কাগজখনৰ ওপৰৰ ছপা আখৰখিনি পঢ়ি চালোঁ। কেলিফোৰ্নিয়া য়ুনিভাৰ্চিটিৰ ডিগ্ৰীধাৰী এজন সাধাৰণ ৱৰ্কছপ ব্যৱসায়ীয়ে আঙ্কল্ ছেম (Uncle Sam) ৰ সৈন্যসকলৰ কাৰণে এবিষ নতুন ষ্টোভ উলিয়াইছে। ষ্টোভটো সৰু 'স্পেচিয়েলি মেইড' বেটাৰীৰ চলে, পকেটত ভাজ কৰি ভৰাই নিব পাৰি। লগতে একোটা ঘড়িৰ দৰে বস্তু – তাত সময় ঠিক কৰে, আৰু এটা সৰু মিটাৰ। ভাজ কৰিলে বস্তুটোক এটা ঘড়ি যেন পায়।

“নতুন বস্তু সন্দেহ নাই ।”

“নতুনহে নে ! ইউ. এচ, এ’ততো এনেকুৱা বস্তুৰ উভৈনদী, আমাৰ ইয়াতহে কাৰো একোনা ই, কোনেও উৎসাহো নিদিয়ে। কিন্তু তাত সামান্য এটা মানুহেও সামান্য এটা আৱিষ্কাৰ কৰিলেও তাৰ কিমান খাতিৰ ! এই চোৱানা এইটো পৃষ্ঠা - Ideas from Readers" -

এৰা, কথাখিনি মিছা নহয়। একোজন পাঠকে একোটা অতি সৰু অথচ দৰ্কাৰী কথাৰ পৰিকল্পনা পঠাইছে আৰু তাকেই সুন্দৰকৈ চিত্ৰিত কৰি -

“তাত মানুহবোৰক উৎসাহ দিয়াই নিয়ম। এই চোৱানা - এই মিষ্টাৰ এটলাচ্ - সামান্য এখন ৱৰ্কছপ্‌ত Lathe ঘুৰাই কাম কৰিছিল – কিন্তু এমেৰিকাতো ! উলিয়ালে এটা কিবা। আৰু চোৱা কাগজখনত কেনেকৈ উৎসাহ দি হে’ডলাইন দিছে।

“New York workman invents handy new portable Quick-cooker Stove!

Atlas made Batteries inake finer fuel! U.S. Army is quick in food now !”

“দেখিছা সৌৰভ দাদা ?”

“ও পিচে তোমাৰ কি হ’ল ?”

“মোৰ আৰু কি হ’ব ! এনেয়ে দেখুৱালো ।”

ভাতুৰ এইবোৰ অভ্যাস আছে। মোক মাজে মাজে এইবোৰ দেখুৱায়; বিজ্ঞান বিষয়ত আমেৰিকা যুক্তৰাষ্ট্ৰ যে কিমান আগবাঢ়িছে আৰু সেই হিচাবে ভাৰতবৰ্ষ যে কিমান পিচ পৰি আছে, এইবোৰ কথা মোক খুব কয়। ভাৰতৰ আছে কি? মাছ আৰু ধঁপাতৰ ব্যৱসায়। তাৰ বাহিৰে, বিদেশৰ দুটামান যন্ত্ৰ কিনি আনি দুটামাত্ৰ কল-কাৰখানা পাতিছে। যোৱা জাপানলৈ, যোৱা জাৰ্মানীলৈ, যোৱা চুইজাৰলেণ্ডলৈ, যোৱা আমেৰিকালৈ, তুমি আচৰিত হ’বা, তুমি মুগ্ধ হ’বা, ইত্যাদি।

শ্ৰীযুত এটলাচৰ আৱিষ্কাৰটোৰ অংশবোৰ – এইটো অমূক, সেইটো টমুক বুজাই জনালে যে ভাৰতবৰ্ষতে বিজ্ঞানৰ উন্নতি হ’ব ধৰিছে। অৱশ্যে (সি অলপ দুখেৰে জনালে) সেইবোৰ হ’ব কল-কাৰখানাৰ যোগেদি। অদূৰ ভৱিষ্যতে ভাৰতবৰ্ষইও নানা ৰকম বস্তু তৈয়াৰ কৰিব পাৰিব, ডাঙৰ হৈ তাৰ যে এখন বিজ্ঞান আলোচনী অসমীয়া আৰু হিন্দুস্থানীত (বা ইংৰাজীত) চলাবৰ মতলব আছে তাকো ক’লে।

মই নাহাঁহি নোৱাৰিলো।

“এইখন হৈছে এখন সৰু বুক্‌লেট –”

পকেটৰ পৰা এখন সৰু পুস্তিকা উলিয়াই সি ক’লে “এইটোৱেই ভাৰতত বিজ্ঞানৰ উন্নতিৰ প্লেন - এটা ৰাফ (rough) স্কীম।” পুস্তিকাখন মোৰ হাতত দি সি গুচি গ’ল।

মাৰ্কিন আলোচনীখন আৰু ভাৰতৰ পৰিকল্পনা (তাৰ বাহিৰে আৰু কাৰ্য্যক্ষেত্ৰত কি !) খন লৈ বিছনাত পৰিলো।

আলোচনীৰ পাত লুটিয়াই মই মুগ্ধ হ’লো। কি বিৰাট আচৰিত কাণ্ডকাৰখানা ঘটিব ধৰিছে ! ন ন গাড়ী, মটৰ, চাইকেল, বিদ্যুতৰ নতুন উদ্ভাৱন - ৰেডিও, টেলিভিশ্যন আৰু টেলিপ্ৰিন্টাৰৰ কিমান নতুন খৰচী, কৌশলী আবিষ্কাৰ.... সমগ্ৰ আমেৰিকা আলোকিত। কাৰ্য্যক্ষম ইঞ্জিনিয়াৰসকল কামত লাগি গৈছে ... কিমান উপায়ে কিমান কি হ’ব ধৰিছে। বিজ্ঞাপনবোৰৰ মাজেদি দেখিলো ৰেডিও শিক্ষাৰ অনুষ্ঠান, বিদ্যুৎ শিক্ষা,নানা ধৰণৰ ব্যৱসায়, কাৰ্টুন, সঙ্গীত, প্লাষ্টিক্স ! যন্ত্ৰই তাত অঙ্ক কৰি দিয়ে। ৰেডিওৰে চালিত যন্ত্ৰ-মানৱে তাত ভৃত্যৰ কাম কৰে, স্বয়ংক্ৰিয় অদ্ভুত অবিশ্বাস্য ইয়াঙ্কি যন্ত্ৰই বিচিত্ৰ কাম কৰে, যুদ্ধৰ বাবে কি বিৰাট আয়োজন ! জিপ্ কাৰ্ তৈয়াৰ হৈছে, মটৰৰ কাৰখানাবোৰ ব্যস্ত, খাদ্য বিভাগত বিৰাট বৈজ্ঞানিক উপায় অৱলম্বন... বিস্ফোৰক তৈয়াৰ হৈছে, কাপোৰ তৈয়াৰ হৈছে, বোমা, বন্দুক, মেচিন গান, পৰ্টেবল ৰেডিও, চিগাৰেট, টুপী, এৰোপ্লেন, টেঙ্ক,

গুলী, চুপাৰফৰ্ট্ৰেছ, চুপাৰ বমাৰ – চাই চাই মই পৃথিৱীখন প্ৰায় পাহৰি গ'লো। দেখিলো, এটা মানুহে যেন এটা চুইচ টিপি দিলে, - শাৰী শাৰী বিজুলী চাকি জ্বলি উঠিল। ৰেডিওবোৰত সঙ্গীত ঝংকাৰি উঠিল।

চালকহীন ৰেডিওচালিত এৰোপ্লেনবোৰ আকাশত উৰি গ'ল জাকে জাকে...দেখিলো, বগা কাপোৰ পিন্ধা মাৰ্কিন চিকিৎসকলে ইটো পাত্ৰৰ পৰা সিটো পাত্ৰলৈ ঢালাঢলি ধৰিব ধৰিছে, দেখিলো এটা হস্পিতালত শাৰী শাৰী বে'ডত শায়িত মানুহবোৰ সেই ঔষধ খাই উঠি বহিল; নতুন মডেলৰ গাড়ীবোৰ ৰাস্তাৰে প্ৰায় উৰি গ'ল; শাৰী শাৰী টেঙ্ক ওলাই গ'ল ... সাগৰৰ নীলা পানীৰ মাজত দেখিলো অসংখ্য মাৰ্কিন যুদ্ধ জাহাজ .. তাৰ গৌৰবময় সভ্যতাভিমানী 'ষ্টাৰ্ আৰু ষ্ট্ৰাইপ'খন আকাশত পত্ পত্ কৈ উৰিছে।

বহুত পৰৰ মূৰত আমেৰিকাৰ পৰা মোৰ বিছনালৈ ফিৰিলো। এমেৰিকাৰ নেশ্যনেল ব্ৰডকাষ্টিং কৰ্পোৰেশ্যনৰ এটা কিবা বাজনা মোৰ কাণত তেতিয়াও লাগি থকা যেন পালো...

আমাৰ ভাৰতীয়ৰ পৰিকল্পনা পুস্তিকাখন হাতত ল'লো। দেখিলো, তাত ভাৰতৰ কেইজনমান বিখ্যাত নেতাৰ নাম আৰু কেইজনমান প্ৰকাণ্ড প্ৰকাণ্ড কল কাৰখানা বেঙ্ক আদিৰ মালিক – শেঠজী আৰু 'বাবু' কোটিপতিৰ নাম আছে।

পুস্তিকাখন পঢ়িবলৈ আৰম্ভ কৰিলো। তাত লিখিছে যে ভাৰতবৰ্ষ যেতিয়া স্বাধীন হব (কেনেকৈ হ'ব সেইটো কোৱা নাই, বোধকৰো অহিংসাৰ কানি খাই, খদ্দৰ পিন্ধি, সূতা কাটি) তেতিয়া ভাৰতবৰ্ষই কি কৰিব ? - বহুতো ভুমিকাৰ পাছত কৈছে যে স্বাধীন ভাৰতলৈ অৰ্থনৈতিক প্লেনিং অত্যাৱশ্যকীয়। আমাৰ স্বাধীনতা অহাৰ আৰু পলম নাই, গতিকে এতিয়াৰ পৰাই আমি আমাৰ অৰ্থনৈতিক অৱস্থা দৃঢ় কৰি ল'ব লাগিব। সেইবাবে আমি বৈজ্ঞানিক ভিত্তিত আমাৰ অৱস্থা দৃঢ় কৰিব লাগিব (ভাতু বেচেৰালৈ দুখ লাগিল)। তাৰ বাবে বৈজ্ঞানিক যন্ত্ৰপাতি তৈয়াৰ কৰি আমি নানান কলকাৰখানা..

পঢ়ি আশান্বিত হৈ উঠিলো সন্দেহ নাই।

পুস্তিকাখন বন্ধ কৰিলো।

এনেয়ে হাতত লৈ ৰাস্তালৈ ওলাই গ'লো। ৰাস্তাত দীনবাবুক লগ পালো।

আমাৰ কাষৰ ঘৰৰে এপাল ল'ৰা-ছোৱালীৰ অসমর্থ প্রতিপালক দীনবাবু - পিটিছন ৰাইটাৰ।

এটা ফটা চোৱেটাৰ আৰু এজোৰ তালি মাৰা জোৰে তেওঁ জাৰ নিবাৰণ কৰিছে।

"কি খবৰ চলিহা ডাঙৰীয়া ?"

অলপ ফুৰ্ত্তিৰ সুৰত ক'লে দীনবাবুৱে।

"এই আহিছো ৰ'ব। ক'লৈ যায় ?"

"অলপ বজাৰৰপৰা আহো ।"

তাৰ পাছত মোৰ কাষলৈ আহি লাহে লাহে ক'লে, "কেইটামান টকা ধাৰে দিব পাৰে সৌৰভ বাবু ? হাতত মাত্র আঠ অনা পইচা আছে।"

"মোৰতো এতিয়া –"

"কি ?"

"হাতত এটাও টকা নাই"

"অলপ বিচাৰি চাওকচোন। মোৰ বৰ টানাটানি পৰিছে দিয়ক।" অৱশ্যে টকা মোৰ নোহোৱা নহয়। কিন্তু, মানুহটোৱে টকা-পইচা সকলো উৰাই মদ খায়। গতিকে নিৰাশ হৈ দীনবাবু গুচি গ'ল।

অলপ পাছতে যতীনক লগ পালো। যতীনে মোক খবৰ দিলে যে চাৰিওপিনে খুব দুর্ভিক্ষ আৰু বানপানী হৈছে; মানুহৰ বৰ দুৰ্দশা ঘটিছে, সিহঁতৰ ৰিলিফ কমিটি কালি নাৱেৰে যাত্র কৰিব।

"সেইখন কি সৌৰভ ?" যতীনে সুধিলে।

মই তাক সংক্ষেপে বুজাই দিলো আৰু বিজ্ঞানত আমেৰিকাৰ দৰে যে ভাৰতবৰ্ষও আগবাঢ়ি যাব ধৰিছে, তাৰ বিষয়েও এটা সৰু বক্তৃতা দিলো।

অলপ হাঁহি মাৰি যতীন গুচি গ'ল।

ৰাতি বেছি হোৱা নাই, দীনবাবুৰ ঘৰৰ পৰা এটা গন্দগোল শুনিবলৈ পালো। কিছুমান অশ্লীল গালাগালি ... দুটামান কিল-চৰৰ শব্দ .. কিছুমান কাহঁৰ বাচন মাটিত বাগৰি পৰিল .. দীনবাবুয়ে মদ খাই ঘৰলৈ ফিৰিছে।

মানুহটোৱে যে এবাৰ দুৰ্দশাত পৰি দুখতে এবটল "চাবিমাৰ্কা" মদ কিনি খাবলৈ আৰম্ভ কৰিলে,তাৰ পৰা আৰু সেই অভ্যাস গুচা নাই....

কিয় কৰে বাৰু মানুহে এনেকুৱা ? বিজ্ঞানৰ গৱেষণা এৰি মদ খাই পৰি থাকে কিয় ? উত্তৰ পালো পাছদিনা ৰাতিপুৱা। আৰু পাছদিনা এই কথাও ভাবিবলৈ বাধ্য হলো যে বিজ্ঞান কি ? কাৰ কাৰণে ? কিয় লাগে ?

কিয়নো পাছদিনা মোক ঘৰুৱা গেজেটে জনালে যে কালি দীনবাবুৰ পৰিয়ালে উপবাস খাটিছে, কিয়নো বজাৰৰ পইচাৰে দীনবাবুয়ে মদ নহয়, তাড়ি খাই ফিৰিছে, তাৰ বাহিৰেও মোক খবৰ কাগজখনে ক'লে যে আমেৰিকাত, সেই সপোন-পুৰীখনত, ৩ লাখনুৱাই ধৰ্মঘট কৰিছে।

যতীনৰ হাঁহিটো মোৰ মনত পৰিল।

# “বাঘ আৰু নিগনি”

অ, মিতু, তই মাক কিয় দিগ্‌দাৰ কৰি আছ ? গল্প ক’ব লাগে ? নাই, মাৰ এতিয়া সময় নাই নহয়, এইপিনে আহ। বুজিছ মিতু, তোৰ মাই একো ভাল গল্প-টল্প নাজানে, মোৰ লগত আহ, মই তোক এতিয়া এটা বঢ়িয়া গল্প ক’ম। (তোৰ মাই খালি কেনেকুৰা গল্পবোৰ পঢ়ে জান ? – বন্ধনীৰ ভিতৰৰ কথাবোৰ কিন্তু উহ্য দেই – এটা ল’ৰা আছিল, এজনী ছোৱালী আছিল, দুয়োৰে দেখা হ’ল, তাৰ পিছত বহুত কাণ্ড হ’ল, তাৰ পিচত দুয়ো বিয়া কৰাই গোটেই জীৱন সুখেৰে থাকিল। তোৰ মাই আৰু তোক কি নতুন গল্প ক’ব ? বুঢ়ী আইৰ আৰু গ্ৰীম ট্ৰীম চবৰে সাধু গোটেইবোৰ তো কৈ শেষেই কৰিলে।) মিছামিছি কামৰ সময়ত মাক দিগদাৰি কৰি নাথাকিবি, আহ মোৰ লগত। অ, সঁচাই কৈছো, বঢ়িয়া – খুব বঢ়িয়া গল্প। (আচলতে, মইও তোক ক’ব পৰা নতুন গল্প আৰু একো নাজানো অ’ – মই কেনেকুৰা গল্পবোৰ পঢ়ো আৰু লেখো জান ? এটা ল’ৰা আছিল, এজনী ছোৱালী আছিল, দুয়োৰে দেখা হ’ল, বহুত কাণ্ড হ’ল, তাৰ পিচত দুয়ো বিয়া নকৰাই গোটেই জীৱন দুখেৰে থাকিল, বা – এইটো উদ্ধৃতি তই ডাঙৰ হ’লে পঢ়িবি – দুয়ো বিয়া কৰাই গোটেই জীৱন দুখেৰে থাকিল। কিন্তু মই আজি তোৰ কাৰণে এটা একেবাৰে ‘ইস্পিচিয়েল্’ গল্প বনাই দিম,ৰ চোন)। ৰ, ৰ, এক মিনিটতে মই কেনেকৈ ক’ম ? আগে সজাব লাগিব (তাৰ পিচত, তহঁতৰ গল্পবোৰৰ এটা নীতি-কথাও থাকিব লাগিব ! এটা শিকনি থাকিব লাগিব, ঘটনা এটা হলেই তো আৰু নহ’ব)। ব’ল, ৰিক্সাত উঠি আমি দুয়ো নদীৰ পাৰৰ পৰা ফুৰি আহোগৈ - নাই, মা যাব নোৱাৰে, মাৰ এতিয়া বহুত কাম আছে। জোতাৰ ফিটাডাল মাৰ, চোলাৰ বুতামকেইটা মাৰ। অ, সঁচাই, ব’ল, ৰিক্সাত যাওঁতে যাওঁতে তোক গল্পটো....কম ৰ, কম ৰ, চাচোন আগে পানী চা, চব মানুহবোৰে কেনেকৈ পানী চাব লাগিছে – কিমান পানী বাঢ়িছে দেখিছ, কিমান গছ-গছনি

ভাঁহি যাব ধৰিছে, চাছোন চা ইমান নল-খাগৰি - প্ৰতি বছৰে আমাৰ ইয়াত এনেকৈ পানী বাঢ়ে, তাক বানপানী বুলি কয় – কিয় ? অ', বৰষুণ বেছি হয়, আৰু হিমালয় পৰ্বতত খুব বেছি বৰফ গলি বহুত পানী হু-হুৱাই নামি আহে (হয়নে নহয় বা ?) - ডাঙৰ হ'লে পঢ়িবি। কি হ'ল, আৰু নাচাৱ ? কিয়, চাছোন চবে কেনেকৈ চাব ধৰিছে

- অ', গল্পটোও কম, কম, কম ৰ, সেইয়া চাছোন আকৌ কিমান নল-খাগৰি ভাঁহি আহিছে

- মস্ত ভালুক যেন দেখি ? ধেৎ, নহয়, সেইবোৰ ভালুক নহয় – অ, কেতিয়াবা কেতিয়াবা বহুত জন্তুও.. (...পাইছো ! পাইছো ! ঠিক, এইটো বঢ়িয়া হ'ব - বঢ়িয়া নীতিবাক্যও লগাই দিব পৰা যাব গল্পটোৰ শেষত) - বাৰু কও শুন –

=====================================

বুজিছ মিতু, ভীষণ বানপানী। মস্ত বানপানী। মস্ত মস্ত গছ-গছনি লুইতেৰে ভাঁহি আহিছে। নামবৰ হাবিৰ পৰা এটা মস্ত বাঘো ভাঁহি আহিছে। বাঘটোক সৰুতে মাক-বাপেকে সাঁতুৰিবলৈ শিকোৱা নাছিল। সেইকাৰণে এতিয়া তাৰ মস্ত অসুবিধা হ'ল, এই ডুবি যায় আৰু। এনেতে তাৰ কাষেদি মস্ত গছ এডাল ভাঁহি যোৱা দেখি সি লৰালৰিকৈ তাৰ ওপৰত উঠি বহিল।

গছডালৰ ওপৰত উঠি এনেকৈ বাঘ ভাঁহি ভাঁহি ভটিয়াই আহি আছে, এদিন গ'ল, এৰাতি গ'ল, দুদিন গ'ল, দুৰাতি গ'ল, তিনিদিন গ'ল, তিনিৰাতি গ'ল। কিমান গাওঁ-ভূই লুইতৰ দুয়োপাৰে পাৰ হৈ গ'ল। ইপিনে তিনিদিন তিনিৰাতি বাঘে একো খাব পোৱা নাই, ভাঁহি ভাঁহি ভাগৰ লাগিছে। লুইতৰ মূৰ্ত্তি দেখি ভয়ো লাগিছে, ভোকে ভয়ে ভাগৰে খীণাই শুকাই মস্ত বাঘ আৰু মস্ত হৈ নাথাকিল, গা-মুখ সৰু হৈ হৈ একেবাৰে প্ৰায় আমাৰ 'পুচি' মেকুৰীজনীৰ মান হৈ

পৰিল। এনেকৈ গৈ আছে, গৈ আছে, গৈ গৈ গৈ গৈ অৱশেষত এদিন সন্ধিয়া বাঘে দেখিলে লুইতৰ পাৰত বহুত লাইট জ্বলিছে, কাঁড় যোৱাদি কিছুমান লাইট আহিছে গৈছে – সেইবোৰ মটৰগাড়ীৰ লাইট দেই। সোঁহাতে বহুত ৰঙা-নীলা লাইট জ্বলাই এখন মস্ত জাহাজ গৈ আছিল, তাৰ মস্ত ঢৌবোৰে আহি মস্ত গছডাল পাৰৰ পিনে ঠেলি দিলে। গছডাল আহি পাৰত লাগিল। সেইটো হ'ল গুৱাহাটী চহৰৰ কাছাৰী ঘাট।

বাঘে এখন ঠেং মেলি দি লৰালৰিকৈ কাছাৰী ঘাটৰ মাটিত নখটো পুতিব খুজিছে মাত্ৰ, দেখিলে সৰু গাঁত এটাৰ পৰা এটা অকণমানি নিগনি কুট্ কুট্ কুট্ কুট্‌কৈ ওলাই আহিল। বাঘে ভাবিলে, "আঃ, খাদ্য !" – খাদ্য মানে ? খাদ্য মানে খোৱা বস্তু। মানুহে ? নাই, মানুহে সিহঁতক কেনেকৈ দেখিব, চাছোন, কাছাৰীঘাটৰ তলত সেইখিনিত কিমান অন্ধকাৰ, তাত কি হৈছে তই দেখিছ জানো ?

এই বুলি ভাবি থাপ মাৰি নিগনিটো ধৰি গ'লL নিগনিয়ে হাত দাঙি – অ', হয় দে, হয় দে, নিগনিৰ আকৌ হাত ক'ত – নিগনিয়ে ঠেংখন দাঙি ক'লে "ৰবা, বাঘ মামা, ৰবা। মোক তুমি খাব খুজিছা, কিন্তু মোক খাই তোমাৰ কি লাভ হ'ব ? তোমাৰ যি মস্ত ভোক লাগিছে তাৰণে তোমাক মস্ত খাদ্য - মানে, খোৱাবস্তু – লাগে। মোৰ দৰে অকমানি প্ৰাণী এটাই তো তোমাৰ ভোক নপলায়। মোক নো তুমি খাব খুজিছা কেলেই, বাঘ মামা ?"।

বাঘে ক'লে, "অ', তহঁতৰ দৰে প্ৰাণী মই কেতিয়াও নাখাও। কিন্তু মোৰ আজি যি মস্ত ভোক লাগিছে, কিবা এটা নাখালে মই ইয়াতেই মৰি থাকিম। সেই কাৰণেহে তোলৈ মোৰ বেয়া লাগিলেও তোক মই খাবই লাগিব।"

নিগনিয়ে হাঁহি ক'লে, "ধেৎ, বাঘ মামা, তুমি একো নাজানা। হাবিত থাকা, চহৰত কিমান ভাল ভাল খোৱাবস্তু পায় তুমি একো খবৰ নাৰাখা। মোৰ

লগত ব'লা, তোমাক ইমান বঢ়িয়া এঠাইলৈ লৈ যাম, তুমি মনৰ সুখত পেট ভৰাই খাব পাৰিবা, খাই খাই তোমাৰ আমুৱাই যাব।"

বাঘে ক'লে "ঠিক তো ? সেইটো যদি হয় তেন্তে মোৰ তোক নাখালেও হ'ব। কিন্তু সঁচা কথা কৈছ তো ? চাবি কিন্তু, কিবা দুষ্টালিৰ চেষ্টা কৰিলে তই সাৰি যাব নোৱাৰিবি মোৰ হাতৰ পৰা, মই নামবৰ হাবিৰ বাঘ, হুঃ !"

নিগনিয়ে আকৌ লাহেকৈ হাঁহি ক'লে "বাঘ মামা, তুমি যে ইমান সন্দেহ কৰা। হাবিত থাকি থাকি, তোমাৰ আউটলুক্ এতিয়াও বৰ নেৰ' – মানে একো নহয়। এইবোৰ কথা তুমি বুজি নাপাবা। ব'লা মোৰ লগত।"

বাঘে ক'লে, "আকৌ কৈছো কিন্তু, দুষ্টালিৰ চেষ্টা নকৰিবি"। নিগনিয়ে ক'লে, "তুমি নিৰ্ভয়ে মোৰ কথা মতে ব'লা। মইও গুৱাহাটী চহৰৰ কৃষ্টি সভ্যতাৰ বতাহ পোৱা নিগনি, মোৰ কথাৰো দাম আছে, হুঃ !"

এই বুলি নিগনি বাঘৰ কাণৰ ওপৰত উঠিল। বাঘে লাহে লাহে খোজ পেলাই যাব ধৰিলে। নিগনিয়ে বাঘৰ কাণে কাণে কেনি কেনি যাব লাগে কৈ যাব ধৰিলে : "বাওঁহাতে, বাঘ মামা, বাওঁহাতে। সোঁহাতে লাইটপষ্ট আছে। মানুহো আছে। আন্ধাৰে আন্ধাৰে ব'লা। সেই কেইটা চিপাহী, ট্ৰেজাৰি পহৰা দিছে, চাবা সিহঁতৰ চকুত নপৰিবা। এই বাটটোৰে সোমাই যোৱা। এইটো কলেজিয়েট স্কুলৰ বাট। এইটো বাটত পোহৰ-টোহৰ নাই, কিন্তু সৌ মূৰত কিছুমান ল'ৰা এখন বাছত উঠিব ধৰিছে কটন কলেজৰ গাৰ্লচ্ কমনৰুমৰ সমূখত। সেইখন ইঞ্জিনিয়াৰিং কলেজৰ বাছ। ৰ'বা, বাঘমামা, বাছখন পাৰ হৈ যাব দিয়া – যাক্। বাটৰ মূৰত এইখিনিত বৰ পোহৰ, এইখিনিতে আন্ধাৰত ৰোৱা। বাট ফাঁক হ'লেই কিন্তু একে জাপেই সিপিনে টেলিগ্ৰাফ অফিচৰ কম্পাউণ্ডৰ ভিতৰত সোমাব লাগিব –ৰ'বা, এই চিটি বাছখন যাওঁক - এইবাৰ নহয় – এখন চাইকেল আহিছে - অ, এইবাৰ – যাক্। বঢ়িয়া জাপটো মাৰিলা কিন্তু। সঁচাকৈয়ে, বাঘ মামা, তুমি কিজানি নামবৰ হাবিত লং জাম্প চেম্পিয়ন আছিলা, নহয় ?

ইমানদিন নোখোৱাকৈ থাকিও তুমি যিটো জাপ দেখুৱালা - সৰ্বনাশ, সৰ্বনাশ, বাঘমামা, তাৰাতাৰি নৰ্দমালৈ যোৱা। তাৰাতাৰি, এটা টেলিগ্ৰাফ পিয়ন এইপিনে আহিব ধৰিছে –"

এনেদৰে নিগনিয়ে বাঘক বহুত বিপদ-বিধিনিৰ পৰা ৰক্ষা কৰি কৰি নি নাককাটা পুখুৰীৰ কাষৰ গলিটো পাৰ কৰি গৌহাটী ডায়েৰীৰ কাষৰ গলিটোত সুমুৱালে, তাৰ পিচত গলিটোৰ সিটো মূৰে এটা চেগত ঘপ্‌কৈ ওলাই গৈ ষ্টেট্ বেঙ্কৰ পিছপিনেৰে একে ছোঁয়েই গৈ পানবজাৰৰ "ডিলাইটফুল্ ৰেষ্টুৰেন্ট"ৰ - য'ত সিদিনা আমি মাৰ লগত মিল্ক্ শ্বে'ক খাইছিলো – ডিলাইটফুল্ ৰেষ্টুৰেণ্টৰ পিছপিনৰ দুৱাৰলৈ আহিল। নিগনিয়ে বাঘৰ কাণৰ পৰা নামি এটা স্বস্তিৰ নিশ্বাস - মানে দীঘলকৈ উশাহ লৈ ক'লে, "বাচ্ আৰু কোনো চিন্তা নাই.. পাই গৈছো। মোৰ ফেভাৰিট্ দোকান – মানে মই ইয়াতেই খাব ভাল পাওঁ। ভাল বনায়। বাঘ মামা, তুমি ইয়াতে অলপ ৰোৱা, মই ভিতৰলৈ গৈ দুৱাৰখন খুলি দিওঁ। এতিয়া ৰেষ্টুৰেন্ট বন্ধ হৈছে, কোনো মানুহ নাই। ভয় নকৰিবা। মই আছোঁ।"

নিগনিয়ে দুৱাৰৰ তলৰ ফুটা এটাৰে কুট্ কুট্ কুট্ কুট্‌কৈ সোমাই গৈ ভিতৰৰপৰা দুৱাৰখন খুলি দিলে। দুৱাৰখন খুলি দিয়াৰ লগে লগে ভপ্‌কৈ বাঘৰ নাকত বহুত ৰকমৰ মাংসৰ আৰু মচলাৰ গোন্ধ আহি সোমাল। ভোকত বা পেটত কামোৰ দি ধৰিলে। সেইটো ডিলাইটফুল্ ৰেষ্টুৰেণ্টৰ পাকঘৰ। কিন্তু আন্ধাৰত বাঘে একো মনিব নোৱাৰিলে। এন্ধাৰৰ মাজৰ পৰা নিগনিয়ে ক'লে, "বাঘমামা, তোমাৰ বাওঁহাতে বেৰৰ পৰা ওলাই থকা সৰু বস্তু এটা পাবা, সেইটো টিপি দিয়া। মই ঢুকি নাপাওঁ।" বাঘে ঠেংখন দাঙি এন্ধাৰত খেপিয়াই খেপিয়াই চুইচটো টিপি দিলে, পাকঘৰটো এইবাৰ পোহৰ হ'ল।

পোহৰ হওতে বাঘহঁতে দেখিলে বেৰৰ হাকোটাবোৰত বিধে বিধে মাংস ওলোমাই থোৱা আছে - আৰু বহু কেইটা চৰিয়া আৰু মস্ত মস্ত থালত পিচদিনাৰ কাৰণে মচলা সানি বহুত ৰকমৰ আধা-ভজা আৰু সিজোৱা পাঠা আৰু মুৰ্গীৰ

মাংস, কলিজা, আলু, পিঁয়াজ, মটৰগুটি – এইবোৰ। বাঘৰ জিভাৰে টোপ টোপকৈ পানী পৰিব ধৰিলে আৰু বাঘৰ ভোক দহগুণ বাঢ়ি গ'ল। বাঘে থাপ মাৰি পাঠাৰ ঠেং এখন নমাই লৈ কামোৰ দিব ওলাল, এনেতে নিগনিয়ে আকৌ হাত দাঙি - মানে ঠেং দাঙি কৈ উঠিল, "ৰ'বা, বাঘমামা,ৰ'বা। ইয়াত এনেকৈ নাখায়। যস্মিন দেশে যদাচাৰ - মানে, য'ত যেনেকুৱা নিয়ম। তোমাৰ মস্ত ভোক লাগিছে, কিন্তু ডিলাইটফুল্ ৰেষ্টুৰেণ্টত তুমি হাবিত খোৱাৰ দৰে খাব নোৱাৰা। এই চকীখনত বহা, মই তোমাক চাৰ্ভ কৰিম। মানে, মই তোমাৰ খানচামা হ'ম।"

বাঘে অধৈৰ্য্য হৈ ক'লে, "কি কৰিবি সোনকালে কৰ,চকুৰ সমুখত ইমানবোৰ খোৱাবস্তু লৈ মই আৰু ৰৈ থাকিব নোৱাৰো।"

নিগনিয়ে বাঘৰ ডিঙিত নেপকিন এখন বান্ধি সমুখত নিমখ আৰু জলকীয়াৰ গুড়ি ডিব্বা দুটা থ'লে। গিলাচত পানী দিলে, কাষত টাৱেল এখন জাপি থলে আৰু টমেট' চচ্ এবটল খুলি দিলে। বাঘৰ সমুখত ফুলদানী এটা থলে আৰু বাওঁহাতে 'মেনু'খন ষ্টেণ্ডত থিয় কৰি দিলে। মাষ্টাৰ্ডো - মানে সৰিয়হো - দিছিল, কিন্তু বাঘে নল'লে। তাৰ পিচত বাঘৰ হাতত কাটা চামুচ আৰু কটাৰী এখন তুলি দি শীক্ কাবাব এক প্লেটেৰে খানা আৰম্ভ কৰিলে। নিজৰ বাবে নিগনিয়ে কাঁহী নসজালে, বাঘে খাওতে খাওতে ইপিনে সিপিনে যিবোৰ টুকুৰা পৰিব ধৰিলে, তাকেই কুট্ কুট্কৈ চোবাই চোবাই নিগনিৰ পেট ভৰি গ'ল। মাজে মাজে ডিব্বাকেইটাৰ পৰা বাঘৰ প্লেটত নিমখ জলকীয়া জোকাৰি দিলে। তাৰ পিচত মোগলাই পৰঠা আহিল,টণ্ডুৰী ছিকেন আহিল, শাহী কাবাব, লীভাৰ ফ্ৰাই, কিড্‌নি, বিৰিয়ানি, মাজতে কিবা মস্ত এক প্লেট চেলাড্, (কিন্তু বাঘে নেখালে) আফগানী কাটলেট, ছৌ ছৌ, শেষলৈ বঢ়িয়া এটা কাষ্টাৰ্ড পুডিং।

আৰু কিমান খাব ! বাঘেও আৰু খাব নোৱাৰা হৈ আহিব ধৰিলে। কেইবা গিলাচো পানী খাই গামোচাৰে মুখখন মচি মচি বাঘে সন্তুষ্ট হৈ ক'লে, "ভাগিন, তোক মই ভুল বুজিছিলো। বেয়া নাপাবি।"

নিগনিয়ে মাথোঁ লাজ লাজ কৰি মিচিকিয়াই হাঁহিলে, কিন্তু একো উত্তৰ দিব নোৱাৰিলে, কিয়নো তেতিয়া কোৰ্মাৰ টুকুৰাৰে নিগনিৰ মুখখন ভৰ্ত্তি হৈ আছিল।

"বৰ গৰম", বাঘে ক'লে।

"এঃ, ৰেফ্ৰিজাৰেটৰটোও বন্ধ কৰি থৈ গৈছে, নহ'লে তোমাক ক'ল্ড্ ড্ৰিঙ্ক দিব পাৰিলোহেঁতেন। তাৰ ভিতৰত মই কালি দেখাতে কেইবা বটলো "ককা-ক'লা" আছিল। কিন্তু কি কৰিবা বাঘ মামা, এতিয়া পানীকে খোৱা। অইন এদিন ভালকৈ ক'ল্ড ড্ৰিঙ্ক খুৱাম। হাতখন – ঠেংখন বঢ়াই সেই চুইচটোকে টিপি দিয়াছোন, বাঘমামা।"

বাঘে খাই বৈ চকীৰ পৰা গা দাঙিব নোৱাৰা হৈ উঠিছিল, কোনোমতে থাবাটো বঢ়াই চুইচটো টিপি দিলে। ফেনখন ঘূৰিব ধৰিলে। ফেনৰ চেঁচা বতাহত বাঘৰ গাটো জুৰ পৰি যাব ধৰিলে। চকু মুদ খাই আহিব ধৰিলে।

নিগনিয়ে ক'লে, "বাঘমামা ব'লা, এতিয়া ইয়াৰপৰা যাও।"

বাঘে ক'লে, "মোৰ টোপনি ধৰিছে। এতিয়া নাযাও, আগে এঘুমটি শুই লও। বতাহখিনিও বৰ আৰাম লাগিছে।"

নিগনিয়ে ব্যস্ত হৈ কৈ উঠিল, "নহয়, নহয়, বাঘমামা, ইয়াত তুমি তেনেকৈ শুই থাকিব নোৱাৰা। ইয়াত খাই বৈ উঠি গুচি যোৱাৰ নিয়ম। সকলোৱে খাই উঠি গুচি যায়, কোনেও শুই নাথাকে। মই জানো নহয়।"

বাঘে ক'লে, "নামবৰত আমি তেনেকুৱা নকৰো। য'তে খাওঁ ত'তে শুই পৰো। এতিয়া এই ৰাতিখন মই ক'লৈ যামগৈ ? তুমি যাব খুজিছা যদি যোৱা। মই হ'লে শুলো।"

এই বুলি কৈ ফেনৰ বতাহৰ তলত টেবুলত মূৰ থৈ বাঘে নাক ডাকি ডাকি টোপনি গ'ল। অলপ পিচত নিগনিৰো টোপনি আহিল।

খুব ৰাতিপুৱাই ডিলাইটফুলৰ মেনেজাৰে ৰেষ্টুৰেন্ট খুলিবলৈ আহি শুনিলে যেন কৰবাত ভিতৰত ফেন এখন চলি আছে। তেওঁ ভাবিলে যে যোৱা নিশা কিজানি বাবুৰ্ছিয়ে ফেন বন্ধ কৰি যাবলৈ পাহৰিলে। আজি ধমকি দিব লাগিব। তাৰ পিচতেই দেখিলে টেবুলত মূৰ থৈ এটা বাঘ, নাক ডাকিছে, গলত গামোছা বন্ধা। কাষৰ খালী প্লেটখনৰ ওপৰত এটা নিগনি, বাঘৰ নাক ডকাৰ বতাহৰ লগে লগে প্লেটখনৰ ওপৰত লাহে লাহে ইফালৰ পৰা সিফাললৈ লৰিছে। হুৰ-মূৰকৈ দৌৰ মাৰি মেনেজাৰে দোকানৰ পৰা ওলাই গৈ বাটৰ সিফালে থকা 'এড্‌ভ'কেট্‌চ বুক্ ষ্টল'ৰ দুৱাৰত ধাক্কা ধাক্কি কৰিব ধৰিলে। ইমান পুৱাই দুৱাৰ ধকিওৱাত 'এডভ'কেট বুক ষ্টল'ৰ ভিতৰত শোৱা গোমস্তাজনে বিৰক্ত হৈ ক'লে, "ইমান পুৱাই আমি কিতাপ বিক্ৰী নকৰো। আমাৰ মালিক বহুবিচিত্ৰবাবু গুৰগুৰিটো লৈ দোকানৰ বাৰান্দাত বহি টোৰোক্ টোৰোক্ শব্দ কৰি ধপাত খাব আৰম্ভ কৰিলেহে আমাৰ দোকানৰ কাম আৰম্ভ হয়। তেতিয়া আহিব।"

মেনেজাৰে ক'লে, "নহয়, নহয়, মোক কিতাপ নালাগে। মোৰ দোকানত এটা বাঘ শুই আছে ফোন কৰি পুলিচ মাতিব লাগে, ফোনটো দিয়ক।" এই বুলি কৈ মেনেজাৰে টেলিফোন কৰি ৰাইফল লোৱা পুলিচ মাতি আনিলে। পুলিচ অহাৰ শব্দ পাই নিগনিয়ে ক্ৰিং কৰি প্লেটৰপৰা জাপ মাৰি উঠিল, চকু মোহাৰি মোহাৰি দেখিলে পুলিচ। লৰালৰিকৈ বাঘৰ কাণত ফিচফিচাই ক'লে, "বাঘমামা, উঠা, উঠা, তোমাক ধৰিব আহিছে"। কিন্তু ভোজৰ পিছত পুৱতি নিশা বাঘৰ খুব টোপনি আহিছে, টোপনি নাভাঙিল। গতি বিষম দেখি নিগনিয়ে আকৌ ক্ৰিং কৰি জাপ এটা মাৰি কোনোবা পিনে কুট্ কুট্ কুট্ কুট্‌কৈ নোহোৱা হৈ গ'ল। পুলিচে বাঘক ৰেষ্টুৰেণ্টত খাই পইচা নিদিয়াৰ অপৰাধত ১২১ ধাৰামতে গ্ৰেপ্তাৰ কৰি চিড়িয়াখানাত থৈ দিলে। আজিকালি সকলোৱে তাক 'ডিলাইট্‌ফুল' নামে জানে। এদিন চিড়িয়াখানালৈ গৈ আমি 'ডিলাইট্‌ফুল'ক চাই আহিম, দেই ? অ – মাকো লৈ যাম।

বাৰু, কছোন এতিয়া মিতু, এই গল্পৰ পৰা আমি কি শিকিলোঁ ? ক'ব নোৱাৰ ? কিয়, খায় বৈ উঠি অইন মানুহৰ দৰে দোকানৰপৰা গুচি যোৱাহেঁতেন 'ডিলাইট্‌ফুল' ধৰা পৰিলহেঁতেন নে ? ঠিক, ধৰা নপৰিলেহেঁতেন। নামবৰ হাবিৰ নিয়ম মতে চলিবলৈ গৈহে সি ধৰা পৰিল। ইয়াৰপৰা আমি ইয়াকে শিকিলো, বুজিছ মিতু, যে যস্মিন দেশে যদাচাৰ, মানে যি দেশৰ যি আচাৰ-নিয়ম তাত সেইমতে চলিব লাগে।

===================================

তাৰ পাছত ? তাৰ পাছত – নাই। নিগনিটোৰ কি হ'ল ? কি আৰু হ'ব ? আছে আৰু তেনেকৈ। (বৰ দিগদাৰ কৰ তই !) মাজে মাজে চিড়িয়াখানালৈ গৈ বাঘমামাক চাই আহিব খোজে, কিন্তু নিগনিৰ নিজৰ মটৰগাড়ী নাই, বহুত দূৰত তো চিড়িয়াখানাটো, সেইকাৰণে আজিলৈকে যাব পৰা নাই। চিটি বাছতো ইমান ভিৰ যে তাতে যাবলৈ সুবিধা কৰিব পৰা কই। অ', এদিন সেইবাবে বাঘলৈ ডাকতে চিঠি এখন দিছিল : "পূজনীয় বাঘমামা, আশা কৰোঁ ভালে আছা। তোমাক আজিকালি সকলোৱে বৰ ভাল পায় আৰু তোমাক চাবলৈ বহু ল'ৰা-ছোৱালী যায় বুলি শুনিছো। কিন্তু তাতে সদায় সোমাই থাকি কিজানি তোমাৰ খুব বেয়া লাগে। মোৰ কথামতে চলাহেঁতেন কিন্তু তুমি এতিয়া মোৰ লগত বাহিৰত বহু ঠাইত নতুন নতুন খোৱাবস্তু চাখিব পাৰিলাহেঁতেন। এই কথা সোঁৱৰাই দিয়া বাবে বেয়া নাপাবা। মোৰ ভাল। সোনকালে উত্তৰ দিবা। সেৱা ল'বা। ইতি তোমাৰ মৰমৰ ভাগিন কুট্‌ কুট্‌"। বাঘে কি উত্তৰ দিলে ? নাই, তাক মাক-বাপেকে লিখা-পঢ়োৱাও শিকোৱা নাছিল তো, সি সেইকাৰণে উত্তৰ লিখিব পৰা নাই। (ডাঙৰ হৈ এই গল্পটোৰে কি যে কৰিবি তই হে জান। তোৰ মাই যেনেতেনে গল্পটোৰ শেষত এটা নীতিকথা লাগিব বুলি কৈছে কাৰণেহে তোক এইটো বনাই দিলো। বুজিছ মিতু, বাঘে চিঠিৰ উত্তৰ লিখা নাই যদিও, মনে মনে

সি ভাল উত্তৰ এটা ঠিক কৰি থৈছে, সেইটো তোক এতিয়া ক'ব নোৱাৰি, ক'লে নীতিকথাটো নষ্ট হৈ যাব। ডাঙৰ হ'লে নিজে নিজেই তোৰ মনত খেলাব। বাঘে কি কম বুলি ঠিক কৰি থৈছে জান ? বাঘে ভাবিছে, "মই তাক এই বুলি ক'ম : তইতো মোক এৰি পলালি, পুলিচ অহাৰ পিছত কি হ'ল তই নাজান। এটা চিপাহীয়ে মোৰ পিনে বন্দুকটো টোঁৱাই ক'লে 'হেন্সাপ্ !' পিছত শুনিছো তাৰ মানে হ'ল 'হাত দাঙি দে'। গুৱাহাটী চহৰত বোলে বন্দুক দেখুৱাই হেন্সাপ্ বুলি ক'লে হাত দাঙি দিব লাগে। মই সেইটো নকৰাৰ কাৰণে মোক সিহঁতে গ্ৰেপ্তাৰ কৰি পেলালে। কিন্তু যি দেশত যি নিয়ম বুলি ক'লেই তো আৰু নহ'ল। মই কি কৰিম, মোৰনো দাঙিবলৈ ক'ত এখন হাত আছে ?" নিগনি এদিন চিড়িয়াখানালৈ যাব পাৰিলে বাঘে তাক এনেকৈ কৈ দিব; কিন্তু চিটি বাছত ইমান ভিৰ ......)

# অন্য এখন প্ৰদৰ্শনীৰ ছবি

অৱয়ব আৰু অৱয়বহীনতা, ৰেখা আৰু বহুভূজ আৰু উপবৃত্ত, অবিশ্বাস্য আকৃতি-বিন্যাস আৰু ক্লান্তিকৰ ৰং সংযোজনা, হাজাৰ দৰ্শক-দৰ্শিকাৰ মুখত হাজাৰ প্ৰতিক্ৰিয়া, ঘনবাদৰ নবীনতম জটিলতা, পৰৱৰ্তী ছবিৰ বোলত আকস্মিক কৰুণতা, পৰৱৰ্তী প্ৰৱেশপথত এজন সমঝদাৰৰ অপ্ৰত্যাশিত কণ্ঠস্বৰ, উশ্বিৰ মুখত অদম্য আগ্ৰহ, ফ্ৰীৎচৰ মুখত দুখলগা দীৰ্ঘসূত্ৰতা, পিকাছ' আৰু কান্ডিন্স্কি আৰু অবাস্তৱ বাস্তৱবাদ, মন আৰু মস্তিষ্ক, গেস্টাল্ট্ উন্ট্ গেস্টাল্টুং (Form and Formation), "ডকুমেন্টা-মডাৰ্না-২"।

আমি এখন ছবিৰ তললৈ আহিলোঁ, তাৰ আকৃতি মজলীয়া আৰু তাৰ বৰ্ণ-ব্যঞ্জনা বিভ্ৰান্ত, তাৰ বিষয়বস্তু অবোধ্য, তাৰ নাম "প্ৰচেষ্টা (Versuch)" আৰু শিল্পীৰ নাম Mu-sic - কিদৰে উচ্চাৰণ কৰে, কোন দেশৰ মানুহ তেওঁ, বুজিব নোৱাৰিলোঁ। মই মনে মনে থাকিলোঁ, ফ্ৰীৎচ মনে মনে থাকিল। অৰ্থাৎ, আমি উশ্বিৰ অপেক্ষা কৰিলোঁ। উশ্বিয়ে ক'লে, "ফাৰ্জুখ্ ? ওহো ! চেষ্টাই নহয়, ছবিয়েই। বেছ ধুনীয়া, নহয় ?" মোৰ হাঁহিবৰ মন গ'ল, ফ্ৰীৎচে নিৰপেক্ষভাৱে মূৰ জোকাৰিলে, আৰু শিল্পীৰ নামটো পঢ়ি তাই নিৰ্ভয়ে যোগ দিলে, "মুজিছ্", আৰু তাৰ পিছৰ ছবিখনলৈ আগুৱাই গ'ল।

"তোমাৰ মুখখন দেখিলে দুখ হয়," মই ক'লো, "কিন্তু ময়ো এখনো ছবি বুজা নাই। বিৰক্ত হৈছা নে কি ?" "বিৰক্ত ? হাঃ" ফ্ৰীৎচে ক'লে, "জানাই দেখোন, মাত্ৰ এদিনৰ ছুটি, আজিয়েই আবেলি ইন্চ্ব্ৰুকলৈ উভতি যাব লাগিব। তাৰে তিনি ঘণ্টা এই উদ্ভট ছবিবোৰৰ মাজত – ।" মই ফ্ৰীৎচৰ মুখলৈ চালো আৰু লৰালৰিকৈ ফ্ৰীৎচে ক'লে, "বাৰু, বাৰু, মই আৰু একো নকওঁ, তোমাৰ ভনীৰ ইচ্ছাই পূৰ্ণ হওঁক !" মোৰ হাতখন তুলি লৈ ফ্ৰীৎচে কিবা এটা কৰি খুজিলে, মই ক'লো, "কি কৰিছা, অতবোৰ মানুহৰ মাজত —", আৰু মোৰ

হাতখন টানি আনিলোঁ ! “তোমাৰ ভনীয়ে কিন্তু প্ৰতিখন ছবি উপভোগ কৰিছে !” ফ্ৰীৎচে ক’লে আৰু হাঁহিলে। “তাইৰ বয়স আমাতকৈ বহুত কম,” মই ক’লোঁ। “এৰা, বোধকৰো সেয়ে হ’বগৈ,” ফ্ৰীৎচে ক’লে, “কিন্তু ইতিমধ্যে আমি এই বেঞ্চখনত দুই মিনিট বহিলে কেন হয় ? আমাৰ অবিহনেও আধুনিক কলা ঠিক জীয়াই থাকিব।” আমি বেঞ্চখনত বহি পৰিলোঁ আৰু বুজিব নোৱাৰা ছবিবোৰৰ মাজেৰে ‘শিল্প সচেতন’ মানুহবোৰ পাৰ হৈ গ’ল। মই বুজিলোঁ, ফ্ৰীৎচে কিবা এটা ক’ব খুজিছে গুৰুত্বপূৰ্ণ, এতিয়াই, কাৰণ আমাৰ বিয়াৰ আগেয়ে আমাৰ আৰু দেখা নহয়, ফ্ৰীৎচৰ ছুটী নাই, মোৰ পৰীক্ষা.....সমুখত এইবোৰ ছবি ... আৰু আনবোৰ ছবি ...

==================================

জোন ওলাবলৈ এতিয়াও দেৰি, আকাশত বেছি তৰা নাই, আৰু ওখ ওখ আইখে (অ’ক) আৰু টানেন্‌বাউম্ (ফাৰ গছ) বোৰৰ মাজেৰে বৈ যোৱা বতাহৰ শব্দ মাথোঁ এটা অস্পষ্ট মৰ্মৰধ্বনি। ঘনায়মান অন্ধকাৰত আমাৰ মুখবোৰ মনিব নোৱাৰা হৈ গ’ল, মাথোঁ আমাৰ কাপোৰৰ খচ্ খচ্ শব্দ আৰু ভৰিৰ তলত শুকান ঘাঁহত জোতাৰ ঘহনি। মোৰ আৰু উশ্বিৰ মাজত, আমাৰ দুয়োৰে হাতত ধৰি, ফ্ৰীৎচে বাৰে বাৰে উজুটি খাইছে। আমি আৰু এটা সৰু টিলা বগালোঁ, আৰু হঠাৎ আমাৰ তলত, কেইবা শ মিটাৰৰ নামনিত, অসংখ্য পোহৰৰ বিন্দু ভাঁহি উঠিল। “সেইয়া —” উশ্বিয়ে ক’লে, “নিকলাউচ্‌ডৰ্ফ্ ।”

নিকলাউচ্‌ডৰ্ফ, আমাৰ তলত পৰি ৰ’ল আৰু আমাৰ সৰু বিশ্ববিদ্যালয় - চহৰখনৰ শেষ আলোকিত খিড়িকীখন আমাৰ দৃষ্টিক্ষেত্ৰৰ বাহিৰলৈ আঁতৰি গ’ল। এই সকলোবোৰ আমি আমাৰ পাছত এৰি আহিলোঁ : সৰু ছোৱালীৰ পৰা তৰুণীলৈ, জীৱনৰ পৰা জীৱনলৈ। এন্ধাৰত ফ্ৰীৎচৰ হাতৰ চাপৰ তলত মোৰ

আঙুলিত আজি প্ৰথম বাৰলৈ পিন্ধা বাগদত্তাৰ আঙঠিটোৰ স্পৰ্শ মই অনুভৱ কৰিলোঁ শীতল আৰু উষ্ণ।

“না, উটে,” এন্ধাৰত উশ্বিৰ মাতে ক’লে, “কেনে লাগিছে তোমাৰ ?”

খুবেই ভাল লাগিছে মোৰ, বিশেষকৈ ওখ পাহাৰৰ এই মুকলি বতাহ, ক’ৰবাত এটা নিজৰাৰ শব্দ, দূৰৰ পোহৰৰ সমষ্টি, সেইয়া হয়তো এটা খেতিয়কৰ পঁজা, সেইয়া বোধকৰোঁ এখন ৰেলগাড়ীৰ চলমান ৰেখা, আৰু লাহে লাহে বাঢ়ি উঠিব ধৰা জিলিৰ মাত। Komisch, হাঁহি উঠা কথা, যে আজি আঢ়ৈ বছৰে চহৰৰ চাৰিওপিনৰ এই ধুনীয়া বনানীবোৰৰ লগত মই চিনাকি হোৱা নাই, অথচ তাইৰ প্ৰথম চেমেষ্টাৰৰ দুসপ্তাহৰ ভিতৰতে উশ্বিয়ে সকলো আৱিষ্কাৰ কৰি পেলাইছে। হিমে’ল্চ্গাচেৰ কাঠৰ কাম কৰা পোন্ধৰ শতিকাৰ সৰু ঘৰটো কতবাৰ পাৰ হৈ গৈছে, মাত্ৰ সিদিনাহে উশ্বিয়ে মোক প্ৰথমে দেখুৱালে যে ঘৰটো সঁচাকৈয়ে ছবিৰ দৰে মনোৰম, “মৰম লগা, নহয় নে ? (niedlich, nicht wahr ?)” অথবা অতদিনে লক্ষ্য নকৰা ফ্লীডাৰ্ষ্ট্ৰাচেৰ কেঁকুৰিৰ ঘৰটোৰ ওপৰতলাৰ খিড়িকীত সেই ৰুগ্ন শিশুটোৰ মুখ (neidlich, nicht wahr ?), এনেকি ৰঙা মোজা আৰু প্ৰকাণ্ড খোপাৰে সেই শকত ছোৱালীজনী, যে তাই জাৰ্মান নহয়, গ্ৰীক, আৰু তাইৰ ভোক বৰ বেছি ! এনেকি ফ্ৰীৎচৰ বিষয়েও তাই লক্ষ্য কৰিছে এনেবোৰ কথা, যিবোৰ মই অতদিনে –

আৰু এতিয়া, চহৰৰ আঙঠি-পিন্ধোৱা-উৎসৱৰ দিনটোৰ শেষত, এই হাইন্বাৰ্গৰ সিপিনে ৰ’জেন্ডৰ্ফ গাঁওখনৰ প্ৰান্তত উশ্বিয়ে আৱিষ্কাৰ কৰা বনানী-আবৃত ‘নীড্লিখ’ পান্থশালাখনত আমালৈ তাইৰ স্বকীয় নিমন্ত্ৰণ। তাৰ কফি অতি সুগন্ধি, চহৰত তেনে কফি পোৱা নাযায়, তাই ক’লে, আমেৰিকান ল’ৰাজনৰ লগত হেনো তাই তালৈ গৈছিল এদিন। বেছ শান্ত জনবিৰল ‘ল’কাল্’ সৌভাগ্যক্ৰমে চহৰৰ ছাত্ৰসকলে এতিয়াও দোকানখন আৱিষ্কাৰ কৰা নাই আৰু শনিবাৰে আবেলি গাঁৱৰ ডেকাসকলৰ সংগীত সংঘই মাজে মাজে তাত বাজনা

বজায়। (অন্যথায় ম্যুজিক বাকচৰ সংগীত)। হয়তো আমি কিছু নাচিবও পাৰিম, বেছ মজা হ'ব। এনেকুৱা বহির্গমনত ফ্ৰীৎচ বিশেষ উৎফুল্ল নহয়, কিন্তু অন্যান্য কথাৰ দৰে এইবাৰো "তোমাৰ ভনীৰ ইচ্ছাই পূৰ্ণ হওক, বেছ, ভগৱান-বিবৰ্জিত গণ্ডগ্ৰামৰ চৰাইখানাই আমাৰ লক্ষ্য হওক, উশ্বিলাইন !" ফ্ৰীৎচ সঁচাকৈ 'নিৰ্জু' মানুহ ! মাৰ্কিন ল'ৰাটোৰ কথা মনত পৰিল আকৌ, সিও বেছ 'নিৰ্জু' ল'ৰা, কিন্তু মই আচৰিত নহ'লোঁ যে চহৰৰ এই "শান্ত আমেৰিকান – ডেয়াৰ্ ৰুহিগে' অমেৰিকানাৰ্" – মোৰ উদ্দাম ভনীজনীৰ প্ৰতি আকৃষ্ট হ'ল। তাৰ নাম বব্ অৰ্থাৎ ৰবাৰ্ট| ববক মাত্ৰ এবাৰ তাই আমাৰ কোঠালিলৈ মাতি আনিছিল, মই দেখিলোঁ যে সি অতি তৰুণ, তাৰ শান্ত হাঁহিটো মোৰ বৰ মিঠা লাগিল, মোৰ ধাৰণা হ'ল যে তাৰ কথাই কথাই থতমত্ খোৱা মুখখনৰ চিৰবিব্ৰত ভঙ্গীমাই উশ্বিক ববলৈ টানিছে। দুয়ো সেইমাত্ৰ চিনেমাৰ পৰা উভতিছে, অপৰাধীৰ দৰে হাঁহি ববে ক'লে যে ছবিখন এখন মাৰ্কিন ডিটেকটিভ ছবি - উশ্বিৰ ভাল নালাগিল, ভয় লগা, গ্ৰাউচাম্। তাৰোপৰি, তাৰ লগৰ সংক্ষিপ্ত ছবিখন - ববে বিব্ৰত হাঁহিৰে ক'লে – সি আশা কৰিছিল উশ্বিয়ে আগ্ৰহেৰে চাব, কাৰণ সেইখন আছিল "নিউ ইয়ৰ্কৰ পথচ্ছবি," Strassenbild New Yorks, কিন্তু প্ৰেক্ষাগৃহৰ আধা পোহৰত ববে দেখিলে যে উশ্বিৰ মুখখন ওফোন্দা, তাই অসন্তুষ্টভাৱে ক'লে, "স্কাইক্ৰেপাৰবোৰ বাদ দিলে ঠিক যেন হাম্বুৰ্গ, বা বাৰ্লিন, সেই একেই চামে চামে মানুহ, কামলৈ যোৱা মানুহ, বজাৰ কৰিবলৈ যোৱা মূৰত কাপোৰ বন্ধা পেৰাম্বুলেটৰ ঠেলা শকত মাইকী মানুহ, lauter hassliche leute, চামে চামে আপচু মানুহ।' ববে স্বীকাৰ কৰিলে যে নিউইয়ৰ্কৰ ৰাস্তাত ধুনীয়া, elegant মানুহ দুৰ্লভ -

জিলিৰ মাত এতিয়া স্পষ্ট হৈ উঠিল, ফ্ৰীৎচে তেওঁৰ পাইপটো জ্বলালে আৰু উশ্বিৰ চছ্মাৰ পৰা জ্বলন্ত পাইপৰ পোহৰ মাজে মাজে প্ৰতিফলিত হ'ল। দূৰৰ অন্ধকাৰত ৰ'জেনডৰ্ফৰ সিঁচৰতি খিড়িকীবোৰৰ পোহৰ আমাৰ দৃষ্টিক্ষেত্ৰত

ভাঁহি উঠিব ধৰিছে, আৰু গছৰ ডাল-পাতবোৰ মাজেৰে পান্থশালাখনৰ আলোকিত আখৰবোৰ লাহে লাহে মনিব পৰা হৈ আহিছে। তাই নিশ্চয় চঞ্চল হৈ উঠিছে।

পান্থশালা "ৎচুম্ ভাল্ডব্রুনেন্" ("বন-প্ৰস্ৰবন")ত বেছি মানুহ নাছিল। কোঠালিৰ কেন্দ্ৰত প্ৰকাণ্ড চাকিটোৰ তলৰ গোল টেবুলখনত এটি কৃষক পৰিয়ালে – মাক, বাপেক, পুতেক, বোৱাৰীয়েক - বীয়াৰ খাইছে – আৰু স্থানীয় ডিয়ালে'ক্টত কিবা কাহিনী বৰ্ণাইছে, এচুকৰ এখন চাৰিকুণীয়া টেবুলত দুজন বিৰাট-বপু মানুহে পাশা খেলিছে, কান্ধত বগা গামোচাখনেৰে কামিজৰ হাত কোঁচাই পান্থশালাৰ মালিকে যন্ত্ৰটোৰপৰা পাশামোদী দুজনৰ বাবে বীয়াৰ বাকিব ধৰিছে, আৰু কাউণ্টাৰত ভৰ দি চেপেটা মুখেৰে গাভৰু পৰিচাৰিকাজনীয়ে দীৰ্ঘসূত্ৰতাৰ ভাৰত হামিয়াইছে আৰু এখন সচিত্ৰ আলোচনী – নিশ্চয় এটা প্ৰেমৰ গল্প – পঢ়িছে। ঘৰটো বৰ খালি খালি যেন লাগিল। এচুকৰ প্ৰকাণ্ড বিলিয়াৰ্ড টেবুলখনে আৰু তাৰ ওপৰৰ নিশ্চল ৰঙা আৰু সেউজীয়া বলবোৰে মোৰ মনত এটা নিৰ্জীৱতাৰ ভাৱ আনি দিলে, আৰু নিস্তব্ধ ম্যুজিক বাকচটোৰ পিনে চাই উশ্বিয়ে মুখ ওফোন্দালে। "তোমাৰ বিখ্যাত সংগীত সংঘৰ কি হ'ল ?" ফ্ৰীৎচে সুধিলে। মালিকে ক'লে যে সংঘটোৰ আটাইকেইজন যুৱক স্থানীয় ফুটবল ক্লাৱৰো সভ্য, কাষৰ গাঁওখনলৈ তেওঁলোকে আজি মেচ খেলিবলৈ গৈছে। (আজিহে সেইখন হ'বলৈ পালে !) যন্ত্ৰটোৰ ৰেকৰ্ডৰ সংগীত নিতান্ত বিসদৃশ হ'ব যেন লাগিল আমাৰ, আৰু কৃষক-পৰিয়ালৰ স্ফূৰ্তিৰ হাঁহিৰ উৎস আমি বুজিব নোৱাৰিলোঁ। "কফি ? বুঃ !" ফ্ৰীৎচে ক'লে আৰু উশ্বিৰ অনুমোদন মতে আমি 'বাৰ্লিনাৰ ভাইচ্' ল'লোঁ। শ্বাডে, (pity) আপচোচৰ কথা, উশ্বিয়ে ক'লে, যে অজি দোকানখন ইমান নিৰ্জীৱ। সিদিনা ইয়াত ইমান ধৰণৰ মানুহ আছিল, বিশেষকৈ তৰুণ বয়সৰ (vor allem, jugendlichen) - সন্তুষ্টভাৱে হাঁহি উশ্বিয়ে ক'লে - শেষ পৰ্যন্ত এনেকি বব্‌ও মুখৰ হৈ উঠিছিল। কিন্তু দমিবৰ পাত্ৰী উশ্বি নহয়, তাই

ক'লে, “যাওক, আমি নিজেই আমাৰ পৰিৱেশ সৃষ্টি কৰিম, নহয় জানো, ফ্ৰীৎচ ? দেখিবা, দোকানখন সঁচাকৈয়ে বেছ আৰামী, garZ gemutlich.”

আমি আমাৰ কথা পাতিলোঁ। তাইৰ বন্ধবোৰত তাই ইন্‌চ্‌ব্ৰুকলৈ যাব, মোৰ আৰু ফ্ৰীৎচৰ লগত কটাবলৈ, কি মজা হ'ব, তাই ক'লে। নীৰস ভাষাত ফ্ৰীৎচে ইন্‌চ্‌ব্ৰুকৰ জীৱনৰ বৰ্ণনা দিলে (“খুব উত্তেজনাৰ নহয়”) আৰু কথাৰ মাজতে – কাহিনীকাৰ হিচাবে ফ্ৰীৎচৰ অসামৰ্থ্যৰ আৰু এটা প্ৰমাণ - উশ্বিয়ে হঠাৎ কৈ উঠিল, “মৰিয়ানেক আমাৰ লগত আহিবলৈ ৰাজী কৰিব পৰা হ'লে সঁচাকৈয়ে ভাল হ'লহেঁতেন, নহয় ?” ফ্ৰীৎচে যেন টোপনিৰপৰা সাৰ পাই উঠিল আৰু পাইপটো জ্বলাই লৈ উশ্বিৰ বিষয়ে কথা জমোৱাত ব্যস্ত হৈ পৰিল। আমাৰ সৰু বিশ্ববিদ্যালয় – চহৰখন তাইৰ কেনে লাগিছে ? বেছ ধুনীয়া চহৰ, তাই ক'লে, কিন্তু কিছু জড়তা-দুষ্ট, steif, প্ৰচুৰ ইন্টেলেকচুয়াল বুলি, কিন্তু কি ৰকম যেন চেপা খোৱা, বাধহীন নহয়। মই মনে মনে হাঁহিলো, মই বুজিলোঁ তাই কি ক'ব খুজিছে – ফ্ৰীৎচৰ লগত পৰিচয় নোহোৱা হ'লে ময়ো হয়তো এই চহৰখন অতদিন ধৰি সহ্য কৰিব নোৱাৰিলোহেঁতেন। ফ্ৰীৎচে খোলাখুলিকৈ ক'লে, “অৰ্থাৎ মানুহবোৰ শিক্ষিত, জনাবুজা, খবৰ-ৰখা বিধৰ, কিন্তু সৰু চহৰৰ সংকীৰ্ণতাৰ পৰা সম্পূৰ্ণ মুক্ত নহয়, নহয় জানো ?” উৎসাহিত হৈ উশ্বিয়ে ক'লে, “অঁ, অঁ, একেবাৰে ক্লাইন্‌ব্যুৰ্গাৰ্ !” (সৰু নগৰৰ বাসিন্দা)। শব্দটো ব্যৱহাৰ কৰাৰ সুযোগ পাই তাই উৎফুল্ল হৈছে, মই বুজিলোঁ। “বাৰু সেইবোৰ কথা এতিয়া থাকক, ফ্ৰীৎচে ক'লে, “এতিয়া তোমাৰ গুণমুগ্ধ-সম্প্ৰদায়ৰ কথা আমাক নুশুনোৱা জানো ?” উশ্বিয়ে সলজ্জভাৱে হাঁহিলে। “ববৰ কথা আমি মোটামুটি জানো, কিন্তু তোমাৰ নিশ্চয় আৰু অন্যান্য আন্তৰ্জাতিক বিমুগ্ধ সংঘ আছে, eine internationale Verehrerschaft ...।” মই ক'লো, “ইংগৰ কথা নাজানা নে কি ?” নাই, ফ্ৰীৎচে ইংগৰ কথা নাজানে। ইংগৰ মুখত তৰোৱাল-খেলৰ কটা দাগ (পৌৰুষ সম্বন্ধে একাংশ জাৰ্মান ডেকাৰ ধাৰণা !) মই ক'লো, “ব্ৰ্যডাৰশ্বাফট গাৰ্মানীয়া” –

“ভ্ৰাতৃত্ব জাৰ্মানীয়া” – য'ত মঙ্গলবাৰে আৰু বৃহস্পতিবাৰে উশ্বিয়ে ভায়োলিন বজায়, তাৰ এজন মুখীয়াল, জাৰ্মান পৌৰুষৰ আদৰ্শানুযায়ী ‘ভ্ৰাতৃসকলৰ’ লগত শনিবাৰে আবেলি হৈ চৈ কৰি ‘ক্লাইপে’ত (pub) বীয়াৰ খায় যিমান গিলাচ পাৰে। Entsetzlich! (awful) ফ্ৰীৎচে ক’লে। মই বুজিলোঁ মোৰ প্ৰতি উশ্বি সন্তুষ্ট নহ'ল, তাই হহিব খুজি নাহাঁহিলে, মুখখন ওফোন্দাব খুজি বৈ গ’ল আৰু অসাৱধানভাৱে ক’লে, “আঃ, ইংগ !”

সঁচাকৈয়ে, এই শূন্য চুকটোত আমি আৰামেৰে আটিল হৈ বহি পৰিছো, হঠাৎ বুজিব পাৰিলোঁ, আৰু আচৰিত নহ’লোঁ যে উশ্বিয়ে নিজৰ পৰাই ফ্ৰীৎচক য়াচিপৰ কথা ক’ব ধৰিছে। কথাবোৰ মই কেইবাবাৰো শুনিছোঁ : ‘কস্ম’পলিটান চেণ্টাৰ’ৰ চেমেষ্টাৰ-আৰম্ভৰ-নাচত অকলে অকলে চোফা এখনত বহি য়াচিপে ভৰি দুলাই আছিল, চাৰিওপিনৰ সংগীত, নাচ আৰু হুলস্থূলৰ পৰা বিচ্ছিন্ন, মুখত সীমাহীন দীৰ্ঘসূত্ৰতা। দূৰৰ পৰা ল’ৰাজনক লক্ষ্য কৰি - তাই এটা হাঁহিৰে ক’লে – তাইৰ হাঁহি উঠি গৈছিল। এনেতে এটি নতুন নাচ আৰম্ভ হ’ল, এটা ঝলমল ছন্দময় দ্ৰুতগতি চুইং-বেগু, আৰু হঠাৎ একেজাপেই উঠি ল’ৰাজনে নাচ মজিয়ালৈ গৈ নাচিবলৈ আৰম্ভ কৰিলে এনেকুৱা প্ৰচণ্ড উৎসাহেৰে, এনেকুৱা টেম্পাৰামেন্টেৰে। সি লৰি গ'ল, ging mit solch einem tempeament los ... আৰু এনেকুৱা তৰুণসুলভ, so jugendlich (আকৌ এবাৰ তাই সন্তুষ্টভাৱে হাঁহিলে)! ফ্ৰীৎচে মোৰ পিনে চাই হাঁহিলে আৰু সুধিলে, ক’ৰপৰা আহিছে সি ? যুগোশ্লাভিয়া ? “এজন যুগশ্লাভ ! na, das ist ja allerhand ... আৰু এই টেম্পাৰামেণ্টাল্ যুগশ্লাভৰ লগত তোমাৰ নো পৰিচয় হ’ল কেনেকৈ ?” উশ্বিয়ে মৃদুভাৱে হাঁহি মোৰ পিনে চালে, মই ক’লো,“তাই হাঁহি দিলে” “আঃ” বুজাৰ দৰে ফ্ৰীৎচে ক’লে, “উশ্বিৰ সেই ‘সৰল’ হাঁহি -”

এনেতে পান্থশালাত এটা গোলমাল ভাঙি পৰিল, একেলগে কেইবাগৰাকী তিৰোতা মানুহৰ কটাকটি কণ্ঠস্বৰ, - কোনে কি কৈছে অন্য কাৰো

বুজাৰ অৱকাশ নাই – আৰু হু-হুকৈ কেঠালীটোত ক'ৰপৰা শকত আৰু নোদোকা মুখেৰে তিৰোতা মানুহ সোমাব খৰিলে, মালিক চকিত হৈ উঠিল, পৰিচাৰিকাজনীয়ে প্ৰেমৰ গল্পটো এৰি সন্ত্ৰস্তভাবে থিয় হ'ল আৰু কৃষক-পৰিয়াল আৰু পাশাখেলুৱৈ দুজনে কৌতূহলেৰে ডিঙি মেলি চালে। "এতিয়াহে কিবা এটা আৰম্ভ হ'ল" নীৰসভাৱে ফ্ৰীৎচে ক'লে, "nun fangt es an" - "কেনকুৱা আপচু তিৰোতাবোৰ !" মুখ ওফোন্দাই উশ্বিয়ে ক'লে। তেওঁলোকৰ প্ৰায় আটাইৰে বয়স ৫০/৫৫ ৰ ওপৰ, দগধা, গঢ় নোহোৱা গৰম কাপোৰ আৰু হলৌ চোলাৰে আবৃতা,গতানুগতিক নিম্ন-মধ্যবিত্ত গোল পূৰ্ঠ মুখ, ডাঠ গাল, কপালত ৰেখা, আভিজাত্যহীন নাক, জোতাবোৰৰ গেৰোৱা ঘহনি-খোৱা আৰু নিতান্তই গৃহিণী-মডেল(মাথোঁ অপক্ষাকৃত তৰুণী এগৰাকীৰ পৰা এছাটি ক্ষীণ সুগন্ধিৰ আভাষ নাই, সঁচাকৈয়ে কোনে Eleganz(elegance) ৰ নামগোন্ধ নাই, উশ্বি পুলকিত হোৱাৰ কথা নহয়| এগৰাকীয়ে এটি ক্ৰন্দনমত্ত শিশুও টোপোলা বান্ধি লৈ আহিছে – কথাৰ পৰা বুজা গ'ল তেওঁৰ নাতিয়েক – কিন্তু মহিলাসকলৰ কথাৰ কোবত বেচেৰাৰ কান্দোন নুশুনা হৈ অৱশেষত বন্ধ হৈ গৈছে। পোন্ধৰ মিনিট উচ্চ কণ্ঠে বহুতো পৰামৰ্শ আৰু অভিমত-প্ৰত্যাভিমত অদল-বদল কৰি অৱশেষত তেওঁলোকে ঠিক কৰিলে যে প্ৰথমে তেওঁলোকে একোগিলাচ 'ষ্টাইনহে' গাব্" ল'ব(তৰুণীগৰাকীয়ে সুমথিৰাৰ ৰস ল'ব) তাৰ পিছত কফি আৰু দুটুকুৰাকৈ ক্ষীৰ দিয়া বাদামৰ কে'ক, তাৰ পিছত দেখা যাব আৰু কি লোৱা হয়। তৰুণী গৰাকীয়ে বেছি সময় মাথো হা আৰু না কৰি গ'ল আৰু ইপিনে-সিপিনে চালে, আৰু চেপেটা নাকেৰে অতিৰঙা আৰু অতি মৰমীয়া মুখৰ মহিলা গৰাকী – কথা বতৰৰ পৰা বুজা গ'ল তেওঁৰ নাম ফ্ৰাউ ষ্টেখেমে'চাৰ আৰু তেওঁ দলটোৰ মুখপাত্ৰী। কৃষক-পৰিয়ালে নিজৰ কথা এৰি মহিলাসকলৰ কথোপকথনত মনোনিবেশ কৰিলে আৰু চুকৰ বিৰাটবপু মানুহ দুজনে মুখত হাত দি হামিয়াই পুনৰ তেওঁলোকৰ বীয়াৰ আৰু পাশাখেললৈ উভতি গ'ল। বুজিব পাৰিলোঁ যে

মহিলাসকলক “ছাংকট্ ষ্টেফানুছ্ক্ৰাংকেনহাউচ”(সন্ত ষ্টিফেন আস্পতাল)ৰ পৰা আহিছে - ধাত্ৰী আৰু আস্পতালৰ পাকঘৰৰ লগত সংশ্লিষ্টা। আজি আবেলি প্ৰাৰ্থনাৰ পিছত তেওঁলোকৰ ছুটি আৰু তেওঁলোকে ইয়ালৈ ‘এটি ধুনীয়া বহিৰ্গমন’ কৰিবলৈ আহিছে, “ein netter Ausflug –” বেছিভাগৰে মুখবোৰ ৰঙা পৰি আছে, বোধকৰোঁ বৰ বেছি লৰা-ধপৰা কৰাৰ কাৰণেই, আৰু হো-হো কৰি হাঁহিছে প্ৰাণখুলি (তৰুণী গৰাকীয়ে হাঁহিছে বেছি সময় মুখ চেপি চেপি)। কথা হৈছে প্ৰধানতঃ এবিধ নতুন কাপোৰ-ধোৱা গুড়িচাবন, পাৰস্যৰ ৰাণীৰ বিবাহ বিচ্ছেদ আৰু কোনে কি পানীয় ভাল পায়, ইত্যাদি বিষয়ে। “এই বিষয়বোৰত নো কি ইমান হাঁহিবলগীয়া আছে?” – ফিচ্-ফিচাই ফ্ৰীৎচে ক’লে।

হঠাৎ আমাৰ সমুখত তেওঁলোকৰে এগৰাকী আপচু বুঢ়ী, সমুখৰ দুটা দাঁত অদৃশ্য আৰু বুকুত ব্ৰঞ্জৰ ঘৰিয়ালাকৃতি ক্ৰচ্ছ, মোৰ আৰু উশ্বিৰ মুখলৈ শকত চছমাৰ মাজেৰে ঘোপাদৃষ্টিৰে চাব ধৰিলে, আমি দুয়ো থত্মত্ খালো, ফ্ৰীৎচে পাইপটো জ্বলাবলৈ আৰম্ভ কৰি চাই থাকিল, অৱশেষত বুঢ়ীজনীয়ে কৈ উঠিল, “ঈশ্বৰ দোহাই, কেলেই, তোমালোকেই মিডেলডৰ্ফ ভনী দুজনী নোহোৱা জানো –?’

==================================

এনেদৰে, ইমান অপ্ৰত্যাশিতভাৱে, আঢ়ৈ বছৰ আগেয়ে জীৱন বচোৱা বিধবা গৰাকী আজিৰ এই বিশেষ দিনটিত মোৰ সমুখত উপস্থিত হ’ল যে মই এটা তাৎপৰ্য্য বিচাৰিবলৈ বাধ্য হ’লো। মোৰ মনত পৰিল, সিদিনা মোৰ ধাৰণা হৈছিল (হয়তো ভাৱপ্ৰৱনতাৰ বশত) যে তেওঁৰ অতবোৰ সা-সম্পত্তি এৰি দি ‘ছোৱেষ্টাৰ মাৰ্গাৰেথা’ ধাত্ৰী হৈছিল মোৰ সেই সময়ত ঠিক তেনে এগৰাকী ধাত্ৰী প্ৰয়োজন থকা বাবেই, আৰু মোৰ মনত পৰিল যে অতদিনে আস্পতাল এৰাৰ পিছত মই তেওঁলৈ পোষ্টকাৰ্ড এখন পৰ্যন্ত লিখা নাই ! মহিলাৰ দলটিয়ে - কাৰণ

আমি তেওঁলোকৰ টেবুললৈ উঠি যাবলৈ বাধ্য হ'লো – প্ৰচুৰ কলৰৱৰ মাজত মোক আৰু ফ্ৰীৎচক কি দৰে অভিন্দন জনালে, কি পানীয়ৰে গিলাচত গিলাচ ঠুনুকাই আমাৰ শুভমিলন ইচ্ছা কৰা হ'ল, ফ্ৰাউ ষ্টেখেমেচাৰে নাটকীয় ভঙ্গীত কি বক্তৃতা দিলে, মই  মাথোঁ অস্পষ্টভাৱে ধৰিব পাৰিলোঁ, কাৰণ মই অভিভূত হ'লো। 'ভনী মাৰ্গাৰেথা'ই জোৰ কৰি নিজৰপৰা আটাইকে আৰু এটি শ্নাপ্চৰ নিমন্ত্ৰণ দি বহিল, ফ্ৰীৎচে বিব্ৰতভাৱে ইপিনে সিপিনে চাব ধৰিলে, আৰু হঠাৎ পাশাখেলুৱৈ দুজন উঠি আমাৰ কাষলৈ আহিল। "মহিলাসকলে আমাক অনুগ্ৰহকৈ অনুমতি দিব," তেওঁলোকৰ এজনে ক'লে, "আপোনালোকৰ কথা-বতৰা আমাৰ কাণত নপৰাকৈ থকা নাই... ভাগ্যবান তৰুণ-তৰুণী হালক আমাৰ শুভেচ্ছা জনাব পাৰোঁ নে ... আশা কৰোঁ আমাৰ দুয়োৰেপৰা আপোনালোকলৈ এই উপলক্ষ্যে সামান্য এই শ্নাপ্চ্ৰ নিমন্ত্ৰণ ....।" দেখিলো, কৃষক-পৰিয়াল কেতিয়া উঠি গুচি গৈছে, আৰু চোয়েষ্টাৰ মাৰ্গাৰেথা'ক নিৰ্দেশ কৰি উশ্বিয়ে মোলৈ চাই মুখি টিপি হাঁহিছে। মোৰ কাণত তাই ফিচফিচাই ক'লে যে বুঢ়ী যখিনীজনীয়ে – die alte Hexe - আজি প্ৰথমবাৰলৈ উশ্বিক তাইৰ চুলিৰ বিষয়ে গালি দিবলৈ পাহৰিছে ("তুমি, তুমি ! এই কুন্ধচ নিলাজ খোপাটোৰে তুমি ওৰে জীৱন এজন স্বামী যোগাৰ কৰিব নোৱাৰিবা, মই কৈছোঁ, চাবা..")। উশ্বিয়ে সুবিধা বিচাৰি মোৰ কাণে কাণে আকৌ কিবা এটা ক'ব খুজিলে, মই ক'লো, "শ্বুঃ ! আস্তে !" আৰু হঠাৎ মোৰ আৰু উশ্বিৰ চকুত পৰিল ক'লা চুলি, অবিন্যস্ত পোচাক আৰু শেঁতা মুখেৰে এজন ভাৰতীয় ছাত্ৰ –

===================================

ল'ৰাজন কেতিয়া সোমাইছে ক'ব নোৱাৰোঁ। অকলে অকলে কোঠাটোৰ সিমূৰে বিলিয়াৰ্ড টেবুলখনৰ আঁৰত বহি চিঠি (বা কিবা) লিখিছে আৰু কফিত চুমুক দিছে, সমুখত এটি জ্বলন্ত চিগাৰেট, মুখৰ ভাব যেন এজন হেৰোৱা মানুহ।

মোৰ মনত পৰিল উশ্বিয়ে অলপতে এদিন মোক দেখুৱাই দিছিল ল’ৰাজন, সি ভিলিকভ্স্কিৰ ঘড়ীৰ দোকানৰ প্ৰকাণ্ড ঘড়ীটোৰ তলত থিয় হৈ আছিল : “চোৱা চোৱা উটে, সি বোধকৰো এঘণ্টা ধৰি ভাবি ঠিক কৰি পৰ নাই ৰাস্তাটা পাৰ হ’ব নে নহ’ব... জানা উটে, ল’ৰাজনক যেতিয়াই দেখো বিশেষকৈ তাৰ ইমান কৰুণ চকু দুটা - মোৰ ইমান বেয়া লাগে ....” মই মনে মনে হাঁহিছিলোঁ। চাঙ্কট্ ষ্টেফান্‌ছ ফ্ৰাউয়েন-ফেৰাইন’ৰ মহিলাসকলেও এতিয়া ল’ৰাজনক লক্ষ্য কৰিলে। নিশ্চয় বিদেশী। ছাত্ৰ ? আ হা, অৱশ্যেই, নহলে নো আৰু কি হ’ব পাৰে! কিন্তু চহৰৰপৰা ইমান দূৰত এই গাওঁখনত নো সি কি কৰিছেহি ? ফ্ৰাউ ষ্টেখেমে’চাৰে ক’লে, “ইমান অকলশৰীয়া অকলশৰীয়া ভাব। দেখিবলৈ দেখোন মুঠেই বেয়া নহয়, বেছ sympathisch, তাৰ নো কোনো বান্ধৱী-চান্ধৱী নাই নে ? তৰুণী ধাত্ৰীজনীয়ে কৌতূহলেৰে ল’ৰাজনৰ পিনে চালে। এজনাই ক’লে, ঘৰৰপৰা বহুদূৰত, বেচেৰা, বোধকৰোঁ এই দেশত কোনো লগ-ভাগ পোৱা নাই। মোৰ আৰু ফ্ৰীৎচৰ কথা জানিব পাৰি দোকানৰ খৰচত মালিকে আমালৈ মজেল্-ভাইনৰ বটল আৰু গিলাচ লৈ আহিল, আৰু সেইবোৰ নমাই থৈ মৃদুকণ্ঠে ক’লে যে ছাত্ৰজন প্ৰায়েই আহে, সদায় অকলে, চাৰিওপিনৰ গণ্ডগোলৰ পৰা সদায় আঁতৰত থাকে, কফি খায় আৰু চিঠি (বা কিবা) লিখে ; তেওঁ নিজে দুই-এষাৰ কথা জানিবৰ চেষ্টা কৰিছিল, ল’ৰাজনৰ পক্ষৰপৰা কোনো উৎসাহ নাপাই সেই চেষ্টা এৰি দিছে। আমাৰ টেবুললৈ উঠি অহা পাশাখেলুৱৈ দুজনৰ এজনে হঠাৎ টেবুলত আঘাত কৰি উঠিল, “Zum Donnnerwetter nochmal (by thunder again), মই গৈ তেওঁক এগিলাচ বীয়াৰলৈ নিমন্ত্ৰণ কৰি আনোগৈ, কি কয় ?” মহিলাসকলৰ এগৰাকীয়ে ক’লে “নাই, ময়েই যাওঁ। মোৰ বিশ্বাস, আমি তাক তাৰ ঘৰৰ মাক বাপেক-ভায়েক-ভনীয়েকৰ কথা সুধিলে, ঘৰৰ পৰা চিঠি পাইছে নে নাই আৰু তেনেবোৰ কথা পাতিলে দুই মিনিটতে তাৰ আচহুৱা ভাব ঠিক কাটি যাব, চাবা। ডেকা ল’ৰা, কিয়নো এনেকুৱা বেজাৰ-মুখ তাৰ।”

মহিলাগৰাকী চকীৰ পৰা উঠিল আৰু ইমান সময় এই আলোচনাত মনে মনে থকা উশ্বিয়ে হঠাৎ কৈ উঠিল, “নাই, নাই , মোৰ বিশ্বাস, তেওঁক একো নোকোৱাই ভাল হ’ব – মুখখন চালেই দেখোন বুজিব পাৰি যে তেওঁৰ মন ভাল নহয়, কিন্তু ভীষণ গৰ্বিত। আমি তেওঁক কৰুণা দেখুৱাব খুজিছো বুলি যদি তেওঁৰ মনত খেলায় মোৰ ভয় হয় –”

মহিলাগৰাকী ৰৈ গল, আৰু আমি আটায়ে উশ্বিৰ মুখলৈ চালোঁ। উদ্যমশীল পাশা খেলুৱৈজনে লাহে লাহে ক’লে, “এৰা, হয়তো আপুনি ঠিকেই কৈছে, মোৰ ফ্ৰলাইন -।” বিজ্ঞভাবে মূৰ দুপিয়াই এগৰাকীয়ে ক’লে, “হওঁতে হয়, সদায় সাৱধানে ভৰি দিয়া উচিত, immer mit Vorsehen (always with carefulness), কাক কেতিয়া আঘাত দিয়া হয় বুজা টান।” মালিকে ক’লে,“বাৰু আপোনালোকে ভুল একো নকব, ময়েই তেওঁক মতি আনোগৈ আপোনালোকৰ হৈ ।”

এই সময়ত ছাত্ৰজন উঠিল, অস্থিৰ আৰু অসুস্থভাৱে চাৰিওপিনে চালে, মোক আৰু উশ্বিক দেখি যেন সি অলপ অবাক হৈ গ’ল। উশ্বিৰ ইচ্ছা মোৰ মনত পৰিল, “জানা উটে, ল’ৰাজনৰ লগত কথা হ’বলৈ, তাৰ বিষয়ে জানিবলৈ মোৰ ইমান মন যায় …।” মই ভাবিলোঁ, তাই হয়তো এদিন সঁচাকৈয়ে তাৰ পিনে চাই তাইৰ সৰল হাঁহিটো এৰি দিব। মালিকে কিবা ক’বলৈ পোৱাৰ আগেয়ে সি পকেটৰ পৰা পইচা উলিয়ালে ইমান গম্ভীৰভাৱে যে মালিকে আৰু একো নক’লে, ইচ্ছাকৃত ভঙ্গীমাশূন্য মুখেৰে পইচাখিনি ল’লে, নিৰ্বিকাৰ মুখেৰে ল’ৰাজনক কোটটো পিন্ধাত সহায় কৰি দিলে, আৰু তাৰ পিছত অস্পষ্টকণ্ঠে ‘শুভৰাত্ৰি’ জনাই চুচুক-চামাককৈ ল’ৰাজন বাহিৰৰ গাঁৱৰ অন্ধকাৰলৈ ওলাই গ’ল। “ছাঙ্কট্ ষ্টেফানুছ ফ্ৰাউয়েনফেৰাইন” হতাশ হ’ল, আৰু বাহিৰৰ চোতালত কুকুৰ এটাই ভুকিবলৈ আৰম্ভ কৰিলে –

==================================

হেমন্ত আহিল, খিড়িকীৰ বাহিৰেৰে হালধীয়া পাতবোৰ উৰি যাব ধৰিলে। মই মোৰ কিতাপখন জপাই টেবুলখন সৰিয়াব ধৰিলোঁ আৰু যুগশ্লাভ ল'ৰাজনে পেৰিছৰ কথা ক'লে, অন্যদিনতকৈ কম উচ্ছ্বসিত আৰু কম আঙুলি-ভঙ্গীৰে, কাৰণ উশ্বি এতিয়াও ঘৰ পোৱাহি নাই : ফবুৰ্ চাঁ জাৰ্মেৰ সৰু কাফেখনত শিল্পী আৰু লেখকসকলৰ অবিৰাম অহা-যোৱা .. মচিঅঁ ডেকোৱাই তেওঁৰ নতুন নাকচ হোৱা অতি-অস্তিত্ববাদী নাটকৰ পাণ্ডুলিপিৰ বোজাটো মোলৈ ঠেলি দি অন্য দিনাৰ দৰে ক'লে, “mon ami য়চিপ তেনেহলে আৰু এটি সৰু গিলাচ কনিয়াক হওঁক, শেষবাৰলৈ un petit vere .... কোনোবাই ক'বৰ দৰে, শুষ্ক-নীতিবাদী আবহাৱাত সমালোচনাৰ বিকাশ স্বচ্ছন্দ নহয় ...” জাঁ পল্ ছাট্ৰ্ আৰু অস্তিত্ববাদ; আঁৰি মুৰ্ঝেৰ দিনৰপৰা আজিলৈ বহেমীয়া জীৱনৰ ক্ৰমবিবৰ্তন ; পেৰিছৰ সাহিত্য-জগৎ আৰু জীৱনৰ আনন্দ, পেৰিছৰ সাহিত্য-জগৎ আৰু joie de vivre....আপোনাৰ ভনীজনী নো ক'ত লুকাল ? মই ক'লো, “এতিয়াই আহিব, মাৰিয়ানেৰে লগত থিয়েটাৰৰ টিকট কিনিবলৈ গৈছে। আপোনাক একাপ চাহ কৰি দিওঁ, বহক, মাই কালি কিছুমান ঘৰত কৰা কে'ক পঠিয়াই দিছে, চাওকচোন কেনে পায় !”

কাষৰ গাধোৱা ঘৰটোত মই মোৰ আৰু উশ্বিৰ লেতেৰা ব্লাউজ আৰু মোজাবোৰ ধুব ধৰিলোঁ আৰু সিটো কোঠাৰপৰা নিৰ্বিকাৰভাবে ভৰি মেলি চাহকাপ হাতত লৈ বহি চিঞৰি চিঞৰি য়চিপে বেপৰোৱাভাৱে মাৰিয়ানে আৰু যুদ্ধোত্তৰ জাৰ্মান থিয়েটাৰৰ বিষয়ে তাৰ অভিমত ব্যক্ত কৰিব ধৰিলে। দুয়ো typisch, সি ক'লে, জাৰ্মান স্বাচ্ছল্যৰ উৎপন্ন বা উদাহৰণ - পইচা প্ৰচুৰ বা যথেষ্ট, সেই অনুপাতে মৌলিকতা আৰু অভিনৱত্ব কম বা শূণ্য। এই কেই বছৰে জাৰ্মানসকলে অতিৰিক্ত ক্ষীৰ খাইছে, পেটবোৰ বৃহৎ, মুখত পঞ্চাশ ফেনিগ্ চিগাৰ, দুৰ্গন্ধ বীয়াৰৰ সাগৰ আৰু ভুৰ্ষ্টৰ পাহাৰ, মগজলৈ শৰ্কৰাৰ চালান বৰ্ধিত (বা হ্ৰাসীকৃত,মই ঠিক নজানো), banal-banal-banal! জাৰ্মান সাহিত্য আৰু

নাটকে জানে যে গয়েথে আৰু শ্বীলাৰৰ লগত শেষ অঙ্কৰ যৱনিকা পৰিছে, আৰু মাৰিয়ানেই জানে যে তাইৰ এটি স্বামী যোগাৰ কৰাৰ সম্ভাৱনা অতি ক্ষীণ - ইত্যাদি ইত্যাদি। মোৰ সুধিবৰ মন গ'ল, যুগশ্লাভিয়াত নো মানুহবোৰে কি খায় আৰু তাত নো কি ইমান অভিনৱ সাহিত্যৰ উৎপাত, আৰু সি নো তেনেহলে তাৰ পেৰিছলৈ বা ডুব্ৰভ্‌নিকলৈ বা ক'ৰবালৈ উভতি নাযায় কেলেই। কিন্তু উশ্বিয়েও এনেকুৱা কথাই কয়, আৰু আজি এশ বছৰ আগেয়ে হাইন্‌ৰিখ হাইনেই বিদ্ৰুপ কৰি যোৱা জাৰ্মান 'ইন্টেলিজেনচিয়া'ৰ steife বা জড়ভাব আজিও বেছি নহ'লেও কম নহয়। মই কথা ঘূৰাই তাক পেৰিছলৈ আকৌ টানি আনিলোঁ! আঃ, কিদৰে মই দিনে ৰাতিয়ে এই হেঁচা-মৰা জাৰ্মান বতাহত ছটফট্ কৰোঁ, আঃ, কিদৰে মই পেৰিছৰ ধীজগতৰ মুকলি বতাহৰ বাবে আকুল হওঁ... সচাঁকৈয়ে বাৰু উশ্বি ইয়াৰ পাছৰ চেমেষ্টাৰত পেৰিছত পঢ়িবলৈ যাব নে কি ? মই ক'লো, তাইৰতো খুবেই ইচ্ছা, ফৰাচীৰ l'ésprit প্ৰভাৱ আৰু আৰ্কষণ তাইৰ স্কুলৰেপৰা .... পেৰিচৰ ঘৰৰ চালবোৰৰ ওপৰত ছয় বা সাত মহলাত নিজৰ এখন খিড়িকী ... মই পেৰিচলৈ যোৱা নাই, অ'ত ত'ত ছবি দেখিছো, উশ্বিয়ে দেখুৱাইছে তাই পেৰিচত পঢ়িবলৈ গ'লে ক'লৈ ক'লৈ যাব ... মেট্ৰ'ষ্টেশ্যন শ্বাঁ মিশ্বে'লৰ পৰা ওলাই চাঁট্ জান্‌ভীভ্ বিব্লিয়'থেকত কিছু পাত লুটিওৱা, টোকা লোৱা... হয়তো লগৰ লগত অনতিদূৰৰ প্লাচ ড্যু পাথিয়ঁৰ ৰাস্তাৰ দাঁতিৰ কাফেত বহি ... কিন্তু ক'ব নোৱাৰো, মাহঁত মান্তি হয়তো নহ'ব শেষ পৰ্যন্ত, পেৰিছ সম্বন্ধে মা-দেউতাৰ ভয়ংকৰ ধাৰণা – মই এটা হাঁহি যোগ দিলো – তাইক অকলে পেৰিছত এৰি দিবলৈ মাৰ বৰ ভয়! "হাঃ, আপোনাৰ মা দেউতা !" গভীৰ তাচ্ছিল্যৰ ভঙ্গীত য়চিপে হাতেৰে এটা মুদ্ৰা দিলে, "তেওঁলোকৰ দুয়োকে আপোনালোকে ছবিৰ মাজত বন্ধাই বেৰত ওলোমাই থোৱা উচিত। আৰু উশ্বি – তাইও কম অদ্ভুত নহয়।" মই বুজিলোঁ, সেই দিনা আমি তিনিও একেলগে চোৱা ডকুমেন্টাৰী ছবিখনৰ কথা ভাবিছে সি, "Menschen in Pars", "পেৰিছৰ মানুহ" সি কৈছিল

“Hoffnungsloser Fall,” এটা আশাহীন কে’ছ – মপাৰ্ণচৰ জনস্ৰোতৰ গতিশীলতা আৰু প্ৰাণপ্ৰাচুৰ্য আৰু joie de vive উশ্বিৰ চকুত নপৰিল, তাইৰ চকুত পৰিল মাথোঁ চামে চামে ‘আপচু’ মানুহ। “তুমি নো পেৰিছলৈ কেলেই যাব লাগিছে ?” সি উশ্বিক সুধিলে বিৰক্তভাৱে, আৰু উশ্বিয়ে মোৰ পিনে চাই হাঁহি দিলে।

তথাপি, মই বুজিলোঁ, আৰু ধোৱা কাপোৰবোৰ ৰচিডালত মেলি দিব ধৰিলোঁ - তথাপি সকলো ৰকমৰ বিৰক্তি আৰু বিৰূপতা স্বত্বেও সি উশ্বিৰ অপেক্ষাত অধৈৰ্য্য হৈ উঠিছে, সি নিশ্চয় বাৰে বাৰে ঘড়ী চাইছে, মনে মনে অকথ্য যুগোশ্লাভীৰে মাৰিয়ানেক শাও দিছে আৰু বাৰে বাৰে ভৰিৰ স্থান সলাইছে। তাৰ কথাবোৰৰ বিষাক্ততা আৰু গতিবেগ লাহে লাহে স্তিমিত হৈ আহিছে। ধোৱা কাপোৰবোৰৰ পৰিষ্কাৰ গোন্ধ মোৰ ভাল লাগিল, আৰু মই আনন্দিত হলোঁ যে আজি আবেলি ধুনীয়া কাপোৰ পিন্ধি সিহঁত থিয়েটাৰলৈ যাব (মোৰ পৰীক্ষা নথকা হ’লে মোৰো যোৱাৰ ইচ্ছা আছিল খুব।) মই ঠিক কৰিলোঁ যে শেঁতা নীলা ৰঙৰ শ্বিফঁৰ পোছাকটি আৰু ‘মৰম লগা’ বগা ইটালীয় জোতাযোৰেৰেই উশ্বিক পঠিয়াই দিম, আৰু মই অনুমান কৰিব পাৰিলোঁ যে দ্বিতীয় অঙ্কৰ পাছৰ পোন্ধৰ মিনিট বিৰতিত থিয়েটাৰৰ ঝাড়-লৰ্ণ্ঠনেৰে আলোকিত মাৰ্বলৰ মজিয়াৰ চ’ৰাত থিয় হৈ হাত জোকাৰি জোকাৰি উচ্চকণ্ঠে য়চিপে অভিনয় আৰু মঞ্চসজ্জাৰ দোষবোৰ দাঙি ধৰিছে আৰু বুজাইছে কিদৰে “কমেডি ফ্ৰাঁছেইজে” এই ভুলবোৰ এৰালেহেঁতেন, মাৰিয়ানেই অসহায়ভাৱে মানুহবোৰৰ পিনে (বিশেষকৈ ডেকা মানুহবোৰৰ পিনে) চাইছে, আৰু সন্তুষ্টভাৱে উশ্বিয়ে চছমাযোৰ হাতত লৈ মুখ টিপি টিপি হাঁহিছে আৰু লক্ষ্য কৰিছে কোনে তাইক আৰু তাইৰ পোছাকলৈ লক্ষ্য কৰিছে – কাৰণ আজি সন্ধিয়া মহিলাসকলৰ কেশবিন্যাস ৰুচিপূৰ্ণ, তেওঁলোকৰ ডামাস্ক, জৰীৰ কামকৰা ৰেশম আৰু ব্ৰকে’ডৰ সজ্জাবোৰৰ ৰচনাভঙ্গী মাৰ্জিত, তেওঁলোকৰ ডিঙি, কাণ আৰু বুকুৰ সোণ, ৰূপ আৰু স্ফটিকৰ

পৰা বিচ্ছুৰিত ঝাড়-লণ্ঠনৰ পোহৰ কলঙ্কময় কিন্তু সংযত, থিয়েটাৰৰ চ'ৰাৰ বতাহত সুৰুচিৰ মৃদু, শিষ্ট সুবাস, আৰু পুৰুষসকলৰ মুখত কৃষ্টি, অমায়িকতা আৰু সৌজন্য, আৰু পুৰুষসকলৰ সান্ধ্য-পোছাক ক'লা আৰু elegant –

=====================================

শীতকাল আহিল, খিড়িকীৰ বাহিৰত গছত বৰফ পৰিব ধৰিলে। মই চৌকাটোত আৰু দুটুকুৰা কয়লা সুমুৱাই দিলোঁ আৰু ভাৰতীয় ল'ৰাজনে কলিকতাৰ কথা ক'লে (মই ভাবিলোঁ তাৰ কোটৰ জেপটো মই বা উশ্বিয়ে চিলাই কৰি দিয়া দৰকাৰ) : কলিকতাৰ জীৱন বৈচিত্র্য, সাহিত্যৰ কলিকতা আৰু কলিকতাৰ সাহিত্য, কলিকতাৰ স্বতঃস্ফূৰ্ত, উৰ্বৰ, অনুকৰণীয় হাস্যৰস। [প্রায় কৰুণ মুখেৰে মায়ুম্দাৰে বা মাঝুমদাৰে – কথাবোৰ ক'লে, উশ্বিয়ে ক'লে, fantastisch! অথবা wie neidlich (how pretty)! so jugendlich frnde ich das ... (I find it so youthful)] । মই আচৰিত হৈ ভাবিলোঁ যে পেৰিছ আৰু কলিকতা য়চিপ আৰু মাঝুমদাৰৰ আপোন চহৰ নহয়, অথচ দুয়োৰে একেই উৎসাহ। কিন্তু বোধকৰোঁ ভালেই হৈছে যে আজিলৈকে ৰুক্ষ - আৰু ক্ষীপ্র-মেজাজী – যুগশ্লাভজনৰ লগত তাৰ মুখামুখি হোৱা নাই – উশ্বি সম্বন্ধীয় কথাবোৰ বাদ দিলেও। জাৰ্মানীৰ আবহাৱাত সিও চট্‌ফট্ কৰে, বিকৃত চিন্তা, যুক্তিশূন্য যুক্তি-প্রয়োজনা - এক লাইনতে সি সমালোচনা শেষ কৰিলে - এটা ফেছন, এটা চৌখিন আৱাজ! (মই ভবিলোঁ, লম্বা লম্বা শব্দ ব্যৱহাৰ কৰাৰ আকাংক্ষা উশ্বিৰ, বা য়চিপৰ, বা মাঝুমদাৰৰ কাৰো কম নহয়।) নিজৰ কথা ল'ৰাজনে অন্য দিনৰ দৰে এৰাই গ'ল ... আপোনাৰ ভনীজনী নো ক'ত লুকাল ? মই ক'লো, "কাৰ্ল ভেয়াৰ্ণাৰ আৰু মৰিয়ানেৰ লগত ওলাই গৈছে এতিয়াই আহিব, বহা, তোমাক চাহ একাপ কৰি দিওঁ - ।" সি কুচিমুচি বহি ৰ'ল, চাহত 'চুম্‌ক' দিলে নিৰ্লিপ্তভাৱে আৰু দুৱাৰ পিনে চালে বাৰে বাৰে, আৰু য়চিপৰ লগত তাৰ

সাদৃশ্য আৰু অসাদৃশ্যবোৰ মই লাহে লাহে বুজিব ধৰিলোঁ।(বহেমীয় জীৱন ? মুৰ্ঝেই নিজেই কৈছে – সি ক'লে - এই জীৱন অনৰ্থক কষ্টপূৰ্ণ, দুখলগা, উৎকট, সৃষ্টিবৈৰী। ভাবিলে আচৰিত হ'ব লাগে - এজন ইংৰাজ সমালোচকে হেনো কৈছে - কেলেই, কিহৰ তাড়ণাত ইউৰোপৰ কিছুমান বিচক্ষণতম মস্তিষ্কই ইউৰোপৰ এই জঘন্যতম নৰ্দমাবোৰৰ মাজত নিজক ক্ষয় কৰি দিবলৈ – ইত্যদি ইত্যাদি আৰু বিভ্ৰান্ত হৈ অসন্তুষ্ট মুখেৰে "Scenes dela Vie de Boheme" খন লৈ উশ্বি বিছনালৈ গ'ল !) যদি "বয়ে'ম" নহ'লেই নহয় তেনেহ'লে হওক গৈ পুচ্ছিনিৰ অপেৰা 'লা বয়েম', সি ক'লে। পুচ্ছিনি তাৰ ভাল লাগে নে কি, আচৰিত হৈ মই সুধিলোঁ। কিন্তু মোৰ ধাৰণা হ'ল – নিজৰ বিষয়ে কথা নক'বলৈ সি দৃঢ়প্ৰতিজ্ঞ, অনাবশ্যক ধৰণে অন্তৰ্মুখী (সেই দিনা উশ্বিয়ে ক'ৰবাৰ পৰা মুচৰ্গস্কিৰ ৰেকৰ্ড এখন যোগাৰ কৰি আনিলে –Nacht auf dem Kahlenberge (ঠেৰঙা পাহাৰৰ ৰাতি) – মুচৰ্গ্স্কিৰ বিভীষিকা - সঞ্চাৰী সুৰ - সমন্বয় উশ্বিৰ ভাল নালাগিল, মোৰো ভাল নালাগিল, কিন্তু আমি দেখিলোঁ যে তাৰ মুখলৈ জটিল এটি উত্তেজনা নামি আহিল। উশ্বিয়ে সুধিলে, সি কি ভাবে মুচৰ্গ্স্কিৰ বিষয়ে, ৰেকৰ্ডৰ সিপিঠি –Bilder einer Ausstellung, (প্ৰদৰ্শনী এখনৰ ছবিৰাজি) - বহুৱাই দিলে। আমি সাগ্ৰহে তাৰ মুখলৈ চালোঁ, কিন্তু সি ক'লে যে 'মুচৰ্গ্স্কি' নামটোৰ তাৰ কাৰণে কোনো বিশেষ তাৎপৰ্য্য নাই, শ্লাভ আৰু অন্যান্য তেনে নামৰ দৰেই অ'ত-ত'ত শুনা এটা নাম মাত্ৰ : পেট্ৰভ্স্কি, ষ্টানিশ্লাভ্স্কি আৰু ছ'ডা-এণ্ড-হুইস্কি!

চিৰিত জোতাৰ শব্দ হ'ল, ভাৰতীয় ল'ৰাজনৰ মুখখন সজীৱ হৈ উঠিল। সেই একে ধৰণৰ কষ্টদায়ক সজীৱতা ভাঁহি আহিছিল তাৰ মুখলৈ – মোৰ মনত পৰিল – সিদিনা, যেতিয়া উশ্বিয়ে 'জঘন্যতম নদৰ্মবোৰৰ' উত্তৰ স্বৰূপে খবৰৰ কাগজখন খুলি ধৰিলে আৰু ক'লে, "কিন্তু তোমালোকৰ কৃষ্টিৰ কেন্দ্ৰ কলিকতাতো জানো নৰ্দমাৰ অভাৱ ?" সি দেখিলে কলিকতাৰ ৰাস্তাৰ ভগনীয়াৰ ছবি, আৱৰ্জনাৰ স্তূপত খোৱবস্তু বিচৰা দিয়াচলাই-কাঠিৰ দৰে ভৰিৰে

পেট-ওলোৱা শিশু, ফুটপাথত জন্তুৰ দৰে স্তূপীকৃত অবিশ্বাস্য মানৱ সমষ্টি, মাখি আৰু গোবৰ আৰু ৰাস্তাৰ মাজতে কোনোবাই এটা পাঠা বলি দিছে, তাৰ ৰক্তক্ষৰণ চাইছে নির্লিপ্তভাৱে নিবনুৱা যুবক দল, আৰু সি পঢ়িলে প্ৰৱন্ধটোৰ নাম – (ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰীক উদ্ধৃত কৰি) “কলিকতা এটা দুঃস্বপ্ন,”Kalkutta ist ein Alpdruck. সেইদিনা আবেলি সি যোৱাৰ পিছত তাইৰ পঢ়াৰ পৰা মূৰ তুলি উশ্বিয়ে ক'লে, “উটে, সি বেয়া পালে নেকি ?” মই ক’লো, “বেয়া পালে যদি পালে, কিন্তু কথাবোৰ সঁচা নহয় জানো ? সঁচা কথা নো তুমি নক’বা কেলেই ?” মই আকৌ মোৰ পঢ়াত মন দিলোঁ। তাই আকৌ ক’লে, “উটে”। মই ক’লো, “কি ? – এতিয়া নো এইবোৰ কথা লৈ মূৰ নঘমালে নহয় নে ? মোৰ বহুত পঢ়া বাকী আছে –” আৰু মই পুনৰ কিতাপত মন দিলোঁ। মই দেখিলোঁ, তাই কিন্তু মুঠেই মন দিব পৰা নাই, মোৰ কিবা এটা ক’বৰ মন গ’ল, কিন্তু মই মনে মনে থাকিলো। তাই কিছু সময় পেন্সিল কামুৰিলে, এটা আপেল খালে ভাবি ভাবি, আৰু তাৰ পিছত মোৰ কোটটো ব্ৰাছ কৰিব ধৰিলে। তাইক তিৰস্কাৰ কৰিম নে উৎসাহ দিম মই বুজিব নোৱাৰিলো, কাৰণ তাইৰ তৰুণ জিজ্ঞাসু মনে ল’ৰাটোৰ অশান্ত মনৰ ওপৰত আৰু অসংখ্য পীঢ়াদায়ক প্ৰশ্ন আৰু দ্বিধা জাপি দিছে। মই অনুমান কৰিব পাৰিলোঁ যে ভিলিকভ্‌স্কিৰ প্ৰকাণ্ড ঘড়ীটোৰ তলত উদ্বিগ্নভাৱে থিয় হৈ মনস্থিৰ কৰিব নোৱাৰি সি ক্লান্ত হৈ পৰিল, সন্দেহ আৰু অনিশ্চয়তাই তাৰ শক্তি নিজৰি পেলালে, তাৰ নিজৰ বিশ্বাস আৰ ধৰ্মৰ ওপৰত আশ্বাস ক্ৰমশঃ ক্ষীণ হৈ আহিল। আত্মাৰ মুক্তি ? নিৰ্বান ? তোমাৰ নিজৰ মুক্তি, মাথো তোমাৰ নিজৰ নিৰ্বাণ, তোমাৰ চাৰিওপিনৰ মানৱতা নিতান্তই গুৰুত্বহীন, গৌণ ? এটা স্বাৰ্থপৰ ধৰ্ম ? আৰু সেই বাবেই জানো হাজাৰ হাজাৰ নহয়, লাখ লাখ মানুহ ৰাস্তাৰ ওপৰত খাবলৈ নাপাই আৰু বিনা চিকিৎসাত মৰে ? আৰু ‘ভনী মাৰ্গাৰেথাই’ তেওঁৰ সকলো সম্পত্তি আৰু সম্ভাৱনা এৰি দি ক্লিষ্টৰ সেৱাত নিজক অৰ্পন কৰিলে, কাৰণ তেওঁৰ ধৰ্মই ক’লে : মানুহৰ সেৱা, প্ৰতিবেশীলৈ দয়া, আৰু

সেয়েই এই দেশৰ প্ৰগতি আৰু সৃষ্টিৰ আকৰ ? “Sympathisch” মুখখন বিকৃত কৰি সি কফি খালে, দোকান এখনত আৰু চিঠি (বা কিবা লিখিলে, আৰু শুকান, গতানুগতিক ৰুটিৰ টুকুৰা আৰু ভুৰ্ষ্ট চোবাই চোবাই সি ভাবিলে, সঁচাকৈয়ে, এই খাদ্য খুব অভিনৱ নহয়, উশ্বিয়ে ক'বৰ দৰে “gar nicht interessantes,” কিন্তু এই মানুহবোৰৰ আটায়ে তাকে খালে আৰু ভোকত নাথাকিল কোনো ..। “কালকুট্টা ইষ্ট্ আইন্ আল্প্‌ড্ৰুক, কালকুট্টা ইষ্ট্ আইন্ আল্প্‌ড্ৰুক,” তাৰ মনলৈ ভাঁহি আহিল,ভিলিকভ্‌স্কিৰ ঘড়ীটোৰ কাঁটা পুৰাৰ ব্যস্ততাৰপৰা মধ্যাহ্ন মন্থৰতালৈ আগুৱাই গ'ল, বাটত মানুহ পাতল হৈ আহিল, আৰু বোকা আৰু লেতেৰা বৰফৰ টুকুৰা চিটিকাই একোখন অকলশৰীয়া মটৰগাড়ী দ্ৰুতবেগে পাৰ হৈ গ'ল -

“জানা উটে,” ব্যস্তভাৱে উশ্বিয়ে কৈছিল, মোৰ মনত পৰিল, “অন্তৰে অন্তৰে সি হয়তো আচলতে বেছ স্ফুৰ্তিবান। আজি মোৰ অনুৰোধ এৰাব নোৱাৰি সি মোক ‘জাজ-ক্লাব’ৰ নাচলৈ লৈ গৈছিল... তাল বা গীতৰ বিষয়ে বিন্দুমাত্ৰ ধাৰণা নাই তাৰ, বিশ্বাস কৰা। কিন্তু ট্ৰাম্পেটৰ দীঘল ‘আলাপ’বোৰ যেতিয়া আৰম্ভ হ'ল .. তোমাতকৈ তাৰ বয়স বেছি, কিন্তু ইমান তৰুণ তৰুণ লাগিছিল তাৰ মুখখন, so jugendlich - তাক জোৰ কৰি তালৈ লৈ গৈ ভালেই কৰিছোঁ, নহয় উটে ?”

মোৰ হাঁহি উঠি গ'ল, মই বেছ অনুমান কৰিব পাৰিলোঁ উশ্বিৰ পাল্লাত পৰি ল'ৰাজনে সদম্ভে, সকৰুণ মুখে জনাইছে, “কিন্তু আচলতে মই এজন স্ফুৰ্তিবান মানুহ, bin ein lustiger Mensch....।'

==================================

শীত প্ৰায় শেষ হৈ আহিল আৰু আমাৰ খিড়িকীৰ কাঠত সৰু এটি ধূসৰ বৰণীয়া চৰাইয়ে ৰুটিৰ টুকুৰাবোৰত খুটিয়াব ধৰিলে। আমাৰ দৃষ্টিক্ষেত্ৰৰপৰা বব্ অদৃশ্য হ'ল (আমেৰিকলৈ উভটি গল)! হাঁহি মাৰি উশ্বিয়ে

ক'লে, "ববৰ কোনো ব্যক্তিত্বগঠন নাই, Keine Personlichkeitsstruktur, আৰু মই বুজিলো যে এই শব্দটো ব্যৱহাৰ কৰিবৰ অচিলা পাই তাই উল্লাসিত হৈছে। এদিন বৰষুণত কাৰ্ল-ভেয়াৰ্ণাৰে তাইক তাৰ ছাতিৰ তলত আবৰি ঘৰত থৈ গ'ল, তাই কাপোৰ সলাই তৎক্ষণাৎ বেহেলাখন টানি ল'লে আৰু ক'লে, "উটে, তুমি পঢ়িছা নেকি, মোৰ খুব মৎচাৰ্ট ডিভাৰ্টিমেন্ট'টো এবাৰ অভ্যাস কৰিব মন গৈছে।" মই একো নুবুজিলোঁ... তাৰ পিছত এদিন ৰাতি বহু দেৰী কৰি তাই ঘৰলৈ উভতিল, তাইৰ মুখৰ তন্ময় ভাবটো দেখি মোৰ ভয় লাগিল, মই টোপনিৰ জড়িমাৰপৰা সাৰ পাই উঠিলোঁ, মই সুধিলোঁ তাই ক'লঁ গৈছিল, মাই দঢ়াই দহাই কৈ পঠিয়াইছে ইমান ৰাতি কৰি নুভতিবলৈ, তাইৰ মনত নাই নে কি ? তাই ক'লে যে তাই মায়ুমদাৰৰ লগত হাইন্‌বাৰ্গলৈ ফুৰিবলৈ গৈছিল। মই সুধিলো, "আৰু ?" উশ্বি মনে মনে থাকিল। মই আকৌ সুধিলোঁ, "আৰু ? ..সি তোমাক চুমা খালে নে কি ?" তাই সন্মতিসূচকভাৱে মূৰ জোকাৰিলে। মই সুধিলোঁ, "আৰু ?" উশ্বিয়ে ক'লে, "আৰু ? আৰু কি ?" আৰু চাট মাৰি সিটো কোঠালৈ গৈ তৎক্ষণাৎ বিছনাত সোমাই পৰিল। মই কি কম ভাবি ঠিক কৰিব নোৱাৰিলোঁ, ময়ো চাকিটো নুমাই শুই পৰিলোঁ। মোৰ চিলমিলকৈ টোপনি আহিল, আৰু বুজিব পাৰিলোঁ কোনোবাই মোৰ গালত হাত দি মোক মৃদুভাবে জোকাৰিছে। হাত মেলি চাকিটো জ্বলাই দিলোঁ, দেখিলোঁ উশ্বি ওঠ কামুৰি থিয় হৈ আছে। তাই লাহে লাহে ক'লে, "সঁচাকৈ আমি আৰু একো কৰা নাই, তুমি মোক বিশ্বাস নকৰা জানো উটে " মই ক'লো, "বাৰু এতিয়া শোৱাগৈ।"

তাৰ পিচত মোৰ আৰু টোপনি নাহিল, ৰাতি আকৌ এবাৰ লাইটটো জ্বলাই উশ্বিৰ মুখলৈ চালোঁ, মোৰ ধাৰণা হ'ল, ফ্ৰীৎচে যিদিনা মোক প্ৰথমবাৰ চুমা খাইছিল সেইদিনা ময়ো নিশ্চয় এনেদৰে টোপনি গৈছিলো বহু সময়ৰ অনিদ্ৰাৰ পিছত, মোৰ সমস্ত শৰীৰত এটা আচৰিত উষ্ণতা। তাইৰ ভৰা বুকুখনৰ উঠা-নমা আৰু তাইৰ সুঠাম ভৰি দুখনলৈ মই কিছু সময় চাই থাকিলোঁ, মই বুজিলোঁ উশ্বি

আৰু সৰু ছোৱালী নহয়, মই বুজিলোঁ যে এই কম সময়ৰ ভিতৰতে তাইৰ জীৱন মোতকৈ বহু বেছি পূৰ্ণতৰ আৰু বৈচিত্ৰ্যময় ছন্দেৰে আগবাঢ়িছে – এজন তাৰোৱাল-খেলা সুগঠিত জাৰ্মান, এজন ‘ব্যক্তিত্ব-গঠনহীন’ মাৰ্কিন, এজন বেপৰোৱা বদমেজাজী যুগশ্লাভ, এজন শান্ত অন্তৰ্মুখী ভাৰতীয়, এনে কি শকত ছচমা আৰু জোঙা মুখেৰে ছাতি কঢ়িওৱা অধ্যয়ন-পিপাসী কাৰ্ল ভেয়াৰ্ণাৰ, এই সকলোবোৰৰ জীৱনৰ অন্ততঃ কেইটামান সংক্ষিপ্ত মুহূৰ্ত উশ্বিৰ কাৰণে দুখ, আনন্দ, খং, হতাশা, বিভ্ৰান্তি আৰু বিশ্বাসেৰে ভৰি উঠিছে। মই বুজিলোঁ যে এওঁলোকৰ কাৰোৰ লগত তাইৰ বিয়া হোৱাৰ সম্ভাৱনা নাই - তাইৰ পিনৰপৰা, সিহঁতৰ পিনৰপৰা, মা-দেউতাৰ পিনৰপৰা, বিভিন্ন দেশৰ “বিভিন্নতাৰ” পিনৰপৰা, কিন্তু এয়ে হয়তো বহুত, যে প্ৰতিজনকে কেইমুহূৰ্তৰ বাবে তৰুণ যেন দেখা গ’ল, “so jugendlich!”, প্ৰতিজনতে তাই joie de vivre বিচাৰি পালে –

=================================

বসন্ত আহিল আৰু খিড়িকীৰ কাঠত ধূসৰ বৰণীয়া চৰাইটোৱে কিচিৰ-মিচিৰ কৰিব ধৰিলে। ঘৰবোৰৰ খিড়িকীত মেলি দিয়া লেপ-তুলিবোৰৰ বগা ওৱাৰবোৰ সূৰ্য্যৰ পোহৰত আৰু বগা যেন লাগিল; আৰু পুৱাৰ বতাহত খিড়িকীৰ পৰ্দা কঁপিব ধৰিলে। মোৰ ধাৰণা হ’ল, নিশ্চয় ইন্‌চ্ব্ৰুকৰপৰা চিঠি আহিছে, আৰু নতুন পেন্টটো পিন্ধি চিৰিৰে উচ্চকণ্ঠে গান গাই গাই চিঠিৰ বাকচটোলৈ নামি যাওঁতে যাওঁতে মোৰ মনত পৰিল যে আজি মাৰিয়ানেৰ জন্মদিন... লাহে লাহে মাৰিয়ানেৰ কোঠাটো বন্ধু-বান্ধৱীৰে ভৰি পৰিল, উশ্বিয়ে যোগাৰ কৰা কাগজৰ জাপানী লণ্ঠনটো দুলোৱা হ’ল, হাঁহি মুখে মাৰিয়ানেই উপহাৰবোৰ ল’লে আৰু “ধন্যবাদ, ধন্যবাদ” কৰিলে, জন্মদিনৰ কে’কটোৰ ওপৰত মমবাতিবোৰ সজোৱা হ’ল, কোনোবাই ৰেকৰ্ড এখন বজাবলৈ আৰম্ভ কৰিলে, কিন্তু উশ্বি তেতিয়াও নোলালহি। উশ্বি ক’ত, উশ্বিৰ কি হৈছে, তেওঁলোকে

সুধিলে, আৰু ময়ো বুজিব নোৱাৰিলোঁ তাই “ক’ত লুকাল”। দুদিনমানৰ পৰা যেন তাই কিবা আচ্ছন্ন, মনমৰা হৈ আছে, ঢুলুঢুলু চকু, কোনো কথাত যেন আগ্ৰহ নাই, কিবা ক’লে যেন ঠিক বুজি নাপায়, কিবা ক’লে যেন কান্দি দিব, কিবা এটা হাতত লয় আৰু হতাশমুখে থৈ দিয়ে, কিবা এখন হাতত লয় আৰু তাচ্ছিল্যৰ ভংগীত দলিয়াই দিয়ে, অস্ফুটকণ্ঠে যেন বিৰবিৰাই নিজকে নিজে কয় ‘was nutzt das alles’, নাঃ, কি হ’ব এইবোৰ কৰি, অৰ্থহীন, অৰ্থহীন – মোৰ চকু কান্দো কান্দো হৈ আহে, মই যেন অনুভৱ কৰোঁ তাইৰ তৰুণ মনৰ তৰুণ পৃথিৱীৰ বিভিন্ন সান্নিধ্যৰ পুলক হয়তো সূক্ষ্মভাবে ৰূপান্তৰিত হ’বলৈ ধৰিছে সেই একোটা চিৰন্তন উপলব্ধিলৈ, যে একো একোটা তাৰুণ্য-ৰঞ্জিত অভিজ্ঞতাৰ শিহৰণ প্ৰকৃততে এটা এটা দুঃসহ স্মৃতি, এটা এটা আঘাত, এটা এটা ক্ষত... আজি পুৱাৰেপৰা যেন অনুভৱ কৰিছোঁ যে আচলতে তাইৰ আজি মাৰিয়ানেৰ জন্মদিনলৈ যোৱাৰ কোনো আগ্ৰহ নাই, তাইৰ তাৰুণ্য-সংপৃক্ত মনলৈও যেন অস্পষ্ট ভাবে, ৰিনি ৰিনি ভাঁহি আহিব ধৰিছে সংক্ৰমনৰ এই অসহনীয়, অনিবাৰ্য অভিজ্ঞতা.... হঠাৎ মই চিন্তিত হৈ উঠিলোঁ, মাৰিয়ানেৰ চাইকেলখন লৈ মই ল’ৰালৰিকৈ ওলাই আহিলোঁ। ঘৰ পাই দেখিলোঁ তাই গাৰুত মূৰ গুজি উচুপিব ধৰিছে, মই ক’লো, “উশ্বি, উশ্বিলাইন, কি হৈছে তোমাৰ” আৰু তাই উত্তৰ দিয়াৰ আগেয়েই মই নিশ্বাস পেলালোঁ যে তাই এই অভিজ্ঞতাৰ মাজেৰেও পাৰ হৈ গ’ল...

তাইক মুখ ধুৱাই, চুলি আচুৰি আৰু নতুন ‘ৰক্’ এটা পিন্ধাই মই জোৰকৈ ৰাস্তালৈ উলিয়াই আনিলোঁ। তাই আকৌ ৰুমালখন বিচাৰিবলৈ তাইৰ হাত-বেগটো খুলিলে অসংযতভাৱে, আৰু ৰাজ্যৰ বস্তু ৰাস্তাত সিঁচৰতি হৈ পৰিল – চাবি, লিপষ্টিক, ৰুমাল, চকলেটৰ টুকুৰা। দুয়ো হালি বস্তুবোৰ বুটলিব ধৰিলোঁ, আৰু উশ্বিৰ মুখলৈ চাই মই বুজিব পাৰিলোঁ যে তাইৰ লগত আৰু কিছুমান মানুহ বিভিন্ন ঠাইত - এখন হুলস্থুল - ভৰ্তি ছাত্ৰৰ সম্মিলন, ফবুৰ্ চাঁ জাৰ্মেৰ কাফে

এখনৰ টেবুলৰ আৰু এটি petit verreৰ সমুখত ; ৰাস্তাৰ প্ৰকাণ্ড এটা ঘড়ীৰ তলত - এটি নতুন পৰ্যায়লৈ অৱনীত হ'ল। পূবৰ "ব'য়েম্" ভাগি পৰিল, পশ্চিমৰ "ব'য়েম" ভাগি পৰিল, পেৰিছ এটা অনাৱশ্যক অৰ্থহীনতা, কলিকতা এটা দুঃস্বপ্ন, ধ্বংস আৰু ভাঙন, প্ৰতিক্ৰিয়া আৰু পৰিবৰ্দ্ধন, এটা নতুন স্তৰ, এটা নতুন আৰম্ভনি'।

আমি বস্তুবোৰ বোটলা শেষ কৰিলোঁ আৰু এখন ৰুটিৰ দোকানৰপৰা শকত গ্ৰীক ছোৱালীজনী ওলাই আহিল ; তাই কাগজৰ পেকেট এটাৰপৰা প্ৰকাণ্ড বিস্কুট এখন উলিয়াই খাই খাই যাব ধৰিলে। দুপৰীয়া খোৱাৰ পিছতো তাইক তেনে কৰা হেনো উশ্বিয়ে বহুত দিন দেখিছে। তাই হাঁহিব ধৰিলে আৰু ক'লে, "কি সাংঘাতিক ভোক ছোৱালীজনীৰ!"

===================================

'ডকুমেন্টা'ৰ পৰা উভতিবৰ সময় হ'ল, ফ্ৰীৎচে অধৈৰ্য্যভাৱে ঘড়ী চাব ধৰিলে। উশ্বিয়ে ছবি এখনৰ পুনৰ্মুদ্ৰণ এখন কিনিলে, ৰেখাৰে কটাকটি অবোধ্য এখন ছবি, তাৰ নাম Forces d'une rue de Paris... পেৰিছৰ ৰাস্তা এটাৰ শক্তিৰাশি। চিত্ৰামোদী মানুহবোৰৰ টুকুৰা টুকুৰ কথা আমাৰ কাণলৈ আহিল ..."তাহানিয়েই ভেন্ গঘৰ গভীৰ নিৰাশাবাদ ...", "Toll! (crazy)." "অথচ বাউহাউচ-সম্প্ৰদায়ৰ অতবোৰ অভিনবত্ব স্বত্বেও..", "ৰুমালখন কি কৰিলা ?", "এনে এটা বুজৰুকী, so ein quatsch!" .. মই উশ্বিৰ ছবিখনলৈ চালো, আৰু ফ্ৰীৎচে কপাল কোঁচালে। মই অনুমান কৰিব পাৰিলোঁ যে দুপৰীয়াৰ ছাঁবোৰ দীৰ্ঘতৰ হৈ আহিল, মেট্ৰ' ষ্টেচন শ্বাঁ মিশ্বেলৰ পৰা ওলাই আহিল আৰু এজাক মানুহ আৰু চলমান যানবাহনবোৰ পাৰ হৈ যোৱাৰ অপেক্ষাত ৰাস্তাৰ দুয়োপিনে ভিৰ বাঢ়ি উঠিল। ক'ৰবাৰপৰা এই ভিৰৰ মাজত চছমা-পিন্ধা এখন খোলা মুখৰ আবিৰ্ভাৱ হ'ল, তাইৰ হাতৰ কিতাপৰ বেগটোৰপৰা মই অনুমান কৰিলোঁ যে তাই

কাষৰ চাঁট্ জান্‌ভীভ্ পাঠাগাৰৰ পৰা ওলাই আহিছে, আৰু তাইৰ মুখৰ পৰা মই ধৰিব পাৰিলোঁ যে সিহঁতক তাই পাহৰি যোৱা নাই। আৰু মোৰ ভনী উশ্বি, এতিয়াও ভৰা তাৰুণ্য, এতিয়াও ভৰা দৰদ, আৰু এতিয়াও পৰিপূৰ্ণ joie de vivre, এই “আপচু” জনস্ৰোতৰ লগত “প্লাচ্ ড্যু পাথিয়ঁ” পাৰ হ’ল ....

# কবি

ট্ৰেন্ট’, ছেপ্টেম্বৰ ১১, ১৭৮৬, ভৰপুৱা :

আবেলিৰ পিনে পান্থশালাৰ গৰাকীয়ে ক’লে যে ৰাস্তা ভাল, সোনকালে জোন উঠিব, মই এতিয়াই যাত্ৰা আৰম্ভ কৰিব খোজোঁ নেকি। মই জানো যে কালিলৈ পুৱাই তেওঁক ঘোঁৰাকেইটা লাগে দ্বিতীয়টো ঘাঁহ-খেতি চপাই আনিবলৈ, অৰ্থাৎ তেওঁৰ পৰামৰ্শ নিঃস্বাৰ্থ নহয়, কিন্তু কথাটো যেতিয়া মোৰ আন্তৰিক ইচ্ছাৰে সৈতে একে, মই লৰালৰিকৈ গ্ৰহণ কৰিলোঁ। আকৌ বেলি ওলাল, বতৰ মৃদু-মধুৰ, বস্তু-বাহানি বান্ধিলোঁ, সাত বজাত পাৰি দিলোঁ। মেঘ আঁতৰি গৈছে, সন্ধিয়া এতিয়া অতি সুন্দৰ। বাগীচোৱাৰী শুই পৰিল, চিনাকি হেলনি ৰাস্তাৰে ঘোঁৰকেইটাই জোৰ কদমেৰে তললৈ নামি গ’ল। সমতল পালে সিহঁতে বেগ কমাই দিয়ে, তেতিয়া চালক শোৱাৰ পৰা উঠে আৰু আকৌ সিহঁতক তাড়া দিয়ে। অলপ পিছতেই পালোঁ আডিগে নৈ, ওখ ওখ পাহাৰৰ মাজেৰে সবেগে বৈ গৈছে। জোন উঠিল আৰু পাহাৰবোৰৰ দৈত্যাকাৰ অবয়ব আলোকিত কৰি দিলে। প্ৰাচীন পাইন কিছুমানৰ মাজত ফেনিল নৈখনৰ ওপৰত কিছুমান পানী কল, হুবহু যেন শিল্পী এফাৰডিংগেনে আঁকা এখন চিত্ৰ ... ৰাতি ন বজাত পালোঁ ভিপেটিন’, তাতো বুজা গ’ল যে তেওঁলোকে মই সেনকালে এৰাটোৱেই বিচাৰে... এইবাৰ নতুন চালক, তেওঁৰ বাহিৰে আন সকলো গভীৰ নিদ্ৰাত. মাজনিশাৰ ঘণ্টা বজাৰ লগে লগে পৌছিলোঁ মে’ৎছাছে’ল্‌ভা ... ব্ৰেছা’ননে ... পুৱা ফেহুঁজালি দিওঁতে পালোঁ কল্‌মা... ইমান জোৰে চুটাইছে বাগীচোৱাৰীয়ে যে মোৰ উশাহ হেৰাল, বেজাৰো লাগিছে যে ৰাতি ইমান হুৰমূৰকৈ এই ধুনীয়া দৃশ্যপটৰ মাজেৰে পাৰ হৈ গৈছে, কিন্তু মোৰ মনৰ গভীৰত মই ভালেই পাইছোঁ যে পাছপিনৰ পৰা সুলক্ষণীয়া বতাহে মোক ঠেলি নিছে, দ্ৰুতগতিত মোৰ লক্ষ্যৰ পিনে আগুৱাই গৈছোঁ ...

=====================================

ক্ষিপ্ৰগতিৰে পাৰ হৈ গৈছোঁ চহৰ-গাওঁ, পৰ্বত-ভৈয়াম,ৰাস্তা,নদী, গীৰ্জা, সংগ্ৰাহলয়.. লক্ষ্যস্থান বহুদিনৰ অদম্য আকাংক্ষ্যাৰ ইটালী, লক্ষ্য ৰোম – ৰাখি গৈছোঁ ভ্ৰমণপঞ্জী ফ্ৰাউ ফন্ ষ্টাইনৰ বাবে : ১৭৮৬ চনৰ হেমন্ত কাল, ফ্ৰাউ ফন্ ষ্টাইনৰ বাবে লিপিবদ্ধ কৰিছোঁ : “৩ ছেপ্টেম্বৰৰ পুৱা ৫ বজাতেই এৰিছোঁ কাৰ্লছ্বাদ্ কাকো একো নজনোৱাকৈ মনে মনে – নহ’লে তেওঁলোকেতো মোক এৰিয়েই নিদিলেহেঁতেন – কিন্তু মই আৰু সেই বাধা আহিব দিয়া নাই, কিয়নো এতিয়া সময় হৈছে, আৰু তো দেৰি কৰিব নোৱাৰি - লগত লৈছো মাথোঁ এটা ভ্ৰমণ বেগ আৰু এটা চামৰাৰ মোনা .. কি বঢ়িয়া কথা, এতিয়া মই সম্পূৰ্ণ অকলে, পৰিচয় গোপন ৰাখিবলৈ নাম লৈছোঁ ম্যলাৰ্...” কোনেও নাজানে ভাইমাৰৰ প্ৰধানমন্ত্ৰী, আইন-সচিব হে’ৰ ফন্ গয়েথে ক’লৈ গ’ল (মাথোঁ আগদিনা ভাইমাৰৰ ডিউক কাৰ্ল্ আউগুষ্টৰ পৰা লৈছোঁ দীৰ্ঘদিনীয়া বিদায়, তেওঁক তো জনাবই লাগিব যে কিছুদিন মই ৰাষ্ট্ৰীয় কৰ্তব্যত ৰত নাথাকিম), ভাইমাৰৰ টানবোৰ যেন হৈ আহিছে শিথিল (এটা টান হয়তো শ্বাৰ্লটে ফন্ ষ্টাইন), ভাইমাৰৰ বছৰবোৰৰ নিৰুপায় নৈৰাশ্যৰ বেদনা আৰু গধুৰ বোজাই ঠেলি দিছে মোক ইটালীৰ পিনে নৱজীৱনৰ দুৰন্ত তৃষ্ণাত –

সূক্ষ্ম সংবেদী ফৰাচী বিদ্বান আঁপেয়াৰে মোৰ পৰিৱৰ্তমান জীৱন-প্ৰৱাহ গভীৰভাৱে অধ্যয়ন কৰিছে, তেওঁৰ অন্তৰ্দৃষ্টিৰে তেওঁ পঢ়ি পেলাইছে মোৰ লেখাবোৰত প্ৰচ্ছন্ন হৈ থকা মই নিলিখা কথা, যে ভাইমাৰৰ ৰাজ-চ’ৰাত মোৰ কৰ্মজীৱনৰ প্ৰথম দহ বছৰত মই ক’বলৈ গ’লে একোৱেই কৰা নাই, যে এই নৈৰাশ্যই মোক ঠেলি দিছে ইটালীৰ পিনে, যাতে ইয়াতে মই নতুন উৎফুল্লতাৰে “টাছ’”’ৰ কাহিনীৰ (১৬ শতিকাৰ নৱজাগৰণৰ কবি টাছ’ৰ ওপৰত মোৰ অভীষ্ট নাটকৰ) সৃষ্টিপ্ৰয়াসত আকুৰি ধৰিব পাৰোঁ, মোৰ মনোমত এই কাৰ্য্যৰ সম্পাদনৰ

যোগে যেন মই মোক মুক্ত কৰিব পাৰোঁ ভাইমাৰৰ অভিজ্ঞতাৰ ৰেশ আৰু স্মৃতিৰাজিৰ পৰা, যিবোৰ এতিয়াও মোৰ বাবে হৈ আছে পীড়াদায়ক আৰু দুৰ্বহ। একেবাৰে ঠিক ধৰিছে তেওঁ, যে “টাছ’” হ’ল সেয়ে এক তীব্ৰতৰ স্তৰলৈ উন্নীত ‘ভেয়াৰ্থাৰ’ (১৭৭৪ চনৰ মোৰ উপন্যাস “তৰুণ ভেয়াৰ্থাৰৰ বেদনা”, য’ত মোৰ অতৃপ্ত প্ৰেমৰ যন্ত্ৰণাৰ পৰা মুক্ত হ’বলৈ ব্যৰ্থ প্ৰেমিক ‘ভেয়াৰ্থাৰ’ক কৰিবলৈ দিলোঁ আত্মহনন, আৰু তেনেকৈ ‘ভেয়াৰ্থাৰ’ক শেষ কৰি দি পৰোক্ষভাৱে মাৰি পেলালোঁ মোৰ নিজৰ দুঃসহ স্মৃতিজৰ্জৰ সত্তা - মোৰ প্ৰথম লেখক-জীৱনৰ এখন বহুনিন্দিত আৰু বহুপ্ৰশংসিত উপন্যাস, যিয়ে – আৰু একে সময়ৰে মোৰ নাটক ‘গ্যট্‌ছ ফন্ বাৰ্লিখিংগেন্’ – য়ে মোক কৰি পেলালে বুজন ধৰণে বিখ্যাত।)

তেওঁৰ অনুভৱ সঁচা : “গ্যট্‌ছ্” (যিখন মই লিখিলোঁ শ্বেক্সপীয়েৰৰ দ্বাৰা উদ্বুদ্ধ হৈ - আঃ, শ্বেক্সপীয়েৰ! মোৰ ওপৰত কি প্ৰভাৱেই তেওঁৰ পৰা নাই!) আৰু “ভেয়াৰ্থাৰ”ৰ পিছত মই আৰু একোকে লিখিব পৰা নাই।

অৱশ্যে প্ৰকৃত খ্যাতি আহিবলৈ তেতিয়াও মোৰ আছে বহু দেৰি, মোৰ জীৱনৰ প্ৰধান কাম “ফাউষ্ট্” লিখি উলিয়াবলৈ এতিয়াও বাকী, মোৰ ‘বিকাশ-উপন্যাস’, “ভিল্‌হেল্‌ম্ মাইষ্টাৰ্” লিখিবলৈ এতিয়াও বাকী, “এগ্‌মন্ট্”, “ইফিগেনী”, “টাছ’” এতিয়াও ভৱিষ্যতত, “ৰোমীয় ইলিজি”, “পশ্চিম-পূবৰ ডিভান্”... মোৰ ভিতৰত অংকুৰণৰ বাবে প্ৰতীক্ষমান মোৰ কবিতা, প্ৰেম-গাঁথা, গীতিনাট্য .. মোৰ কবি-সত্তাৰ পূৰ্ণ-প্ৰস্ফুটণ এতিয়াও ৰুদ্ধ .. বহু দেৰি ... ( আৰু নিশ্চয় আহিবলৈ আছে, মই বুজিছোঁ, ভৱিষ্যতলৈ আৰু কেইবাটাও বিষাদ মধুৰ প্ৰণয়ৰ মানসিক বোজা) ... আইন-অধ্যয়নৰ (‘ডক্টৰ য়ুৰিছ্’) অন্তত ভে’ল্ট্‌ছ্‌লাৰত কিছুদিন (য’ত মোৰ জীৱনলৈ আহিল শ্বাৰ্লটে বুফৰ প্ৰতি মোৰ অভিশপ্ত প্ৰেমৰ অভিজ্ঞতা) তাৰ ন্যায়ালয়ত, হয়তো আইনৰ পেশাতেই কাটি গ’লহেঁতেন মোৰ দিন, কিন্তু ইতিমধ্যে মোৰ সাহিত্যকৃতি আৰু মোৰ আইন-পটুতাৰ কথা গৈছে বিয়পি, আৰু ভাইমাৰৰ কলানুৰাগী ডিউক কাৰ্ল্ আউগুষ্টেই মোক আমন্ত্ৰণ কৰি

লৈ গৈছে ভাইমাৰৰ ৰাজ-চ'ৰালৈ ৰাজকাৰ্য্য-নিৰ্বাহ কৰাবলৈ ... পাৰ হৈ গৈছে দহটা বন্ধ্যা বছৰ -

তেওঁৰ অনুভৱ সঁচা : ৰোমৰপৰা ডিউক কাৰ্ল আউগুষ্টলৈ মই লিখিছোঁ : "মোৰ ভ্ৰমণৰ প্ৰধান উদ্দেশ্য আছিল জাৰ্মানীত মোক পীড়া দি থকা, আৰু ফলত মোক অকৰ্মণ্য কৰি পেলোৱা, শাৰীৰিক আৰু নৈতিক অসুস্থতাবোৰৰ পৰা মোক আৰোগ্য কৰা – আৰু এইটোও : প্ৰকৃত কলাকৃতিৰ প্ৰতি মোৰ উষ্ণ তৃষ্ণা প্ৰশমিত কৰা। প্ৰথমটো পূৰণ হৈছে বেছ কিছুদূৰ, পাছৰটো সম্পূৰ্ণভাৱে।"

বেছ কিছুদূৰ : বিস্তৃততৰ হ'ল মোৰ প্ৰেক্ষাপট, বিভিন্নতৰ আৰু গভীৰতৰ হ'ল মোৰ উপলব্ধি (যেনে, জাৰ্মানীত গদ্যৰূপত আৰম্ভ কৰা "টাছ'" ঢালিলোঁ মই পদ্য-ঠাচত, গাৰ্ডা হ্ৰদৰ পাৰত – পিছলৈ আৰম্ভ কৰিলোঁ পৰিৱৰ্তিত ৰূপত "ইফিগেনি আউফ্ টাউৰিছ"ৰ প্ৰথম কেইশাৰী..)। "ইটালী ঘূৰি অহা কোনো ভ্ৰমণকাৰীয়ে যেতিয়া উচ্ছসিতভাৱে বৰ্ণনা দিয়ে, তেওঁৰ কথাত মই বিতুষ্ট নহও, কিয়নো মই তো জানো মোৰ নিজৰে কেনেকুৱা লাগিছিল – এৰা, মই ক'ব পাৰোঁ, মাথোঁ ৰোমতেই মই অনুভৱ কৰিব পাৰিছোঁ, প্ৰকৃত মানুহ এজননো কি – উপলব্ধিৰ এই উচ্চতালৈ, সংবেদনশীলতাৰ এই আনন্দলৈ, মই আৰু পিছলৈ কোনোদিনেই উভতি আহিব পৰা নাই; ৰোমৰ মোৰ এই মানসিক অৱস্থাৰ তুলনাত আচলতে মই পুনৰায় আৰু কোনোদিনে সুখী অনুভৱ কৰি পোৱা নাই।" (সেয়ে মোৰ "ইটালীয় ভ্ৰমণ"ৰ আৰম্ভণিতেই উদ্ধৃত কৰিছোঁ সৌন্দৰ্য্য আৰু সুখ-স্বাধীনতাৰ প্ৰতীক - প্ৰদেশ আৰ্কাডিয়াৰ প্ৰশস্তিৰ লাটিন বাক্য "Et lo in Akadie!" – 'মইও (গৈছিলোঁ) আৰ্কাডিয়ালৈ!')

====================================

... ক্ষিপ্ৰগতিৰে পাৰ হৈ গৈছোঁ চহৰ-গাওঁ .. এতিয়া সময় হৈছে, আৰু তো দেৰি কৰিব নোৱাৰি .. গৈ পাব লাগে ইটালী! ৰোম!... ব্ৰে'নাৰ্ গিৰিসংকটৰ

ওপৰৰ পৰা যেতিয়া দেখিলোঁ তলত বিস্তৃত হৈ আছে মোৰ প্ৰত্যাশিত দেশ .. অৱশেষত যেতিয়া শুনিলোঁ মানুহৰ মুখত ইটালীয় ভাষা, কি যে শিহৰণ, যে এতিয়াৰপৰা এই প্ৰিয় ভাষা হৈ পৰিল মোৰ বাবেও দৈনন্দিন আদান-প্ৰদানৰ ভাষা ..ৰব'ৰ অৱকাশ নাই, গৈ পাব লাগে ৰোম.. কিন্তু তথাপিও মাজে মাজে বিৰতি দিছোঁ, যতি টানিবলৈ বাধ্য কৰিছে মোৰ প্ৰকৃতিয়ে, মোৰ বিভিন্ন ৰাপ আৰু আগ্ৰহে .. চিত্ৰকলা, ভাস্কৰ্য্য, সংগীত, সাহিত্য, মোৰ প্ৰকৃতি-প্ৰেম আৰু উদ্ভিদবিদ্যা, প্ৰাণীজগত, খনিজতত্ব অধ্যয়নৰ প্ৰৱণতাই.. কোনো চহৰৰ গীৰ্জাৰ অপূৰ্ব স্থপতিকাৰ্য্যত মুগ্ধ হৈ হয়তো ৰৈ গৈছোঁ বহুতো ঘণ্টা তাতে, কোনো চহৰৰ চিত্ৰশালাত সোমাই পৰি হয়তো তাৰ ছবিবোৰত পৰিছোঁ মগ্ন হৈ, ৰৈ গৈছোঁ কোনো এডাল আচহুৱা গছ দেখি, সংগ্ৰহ কৰিছোঁ তাৰ ডাল-পাতৰ নমুনা.. পাডুৱাৰ মানমন্দিৰৰ ওপৰলৈ উঠি গৈ নিৰীক্ষণ কৰিছোঁ চতুৰ্দিশৰ গ্ৰামাঞ্চল আৰু দৃশ্যপট .. ভেনিছৰ সমুদ্ৰৰ ৰূপ চাবলৈ গৈ ঘণ্টাৰ পিছত ঘণ্টা নিৰীক্ষণ কৰি কটাই দিছোঁ বিচিত্ৰ শামুক, শম্বুক, কেকোঁৰাৰ কৌতূহলী আচৰণ-অভ্যাস, কোনো কীৰ্তিচিহ্নৰ সন্মুখীন হৈ ফল্‌ক্‌মানৰ প্ৰদৰ্শক-পুথিত তাৰ বিৱৰণী বিচাৰি উলিয়াই লৈ দাগ দিছোঁ.. কিন্তু এই সকলোবোৰ বিপথনৰ মাজত লক্ষ্যস্থল-পিয়াসী চাঞ্চল্য অব্যাহত আছে, বলন্যাত সিদ্ধান্ত লৈছোঁ যে ফ্লৰেন্সৰ মাজেৰে যাম মাথোঁ পাৰ হৈ, ৰ'মগৈ একেবাৰে ৰোমত...

এই টোকাবোৰত, মই জানো, আছে বহুতো কথা যিবোৰ মই বৰ্ণাব লাগিছিল বেছি নিখুঁতভাৱে, আৰু বিশদভাৱে, আৰু ভালকৈ – কিন্তু যি লিখিছোঁ তাকে ৰাখিম, কিয়নো প্ৰথম প্ৰতিচ্ছাপবোৰ সদায় সঠিক নহ'লেও সেইবোৰ আমাৰ বাবে মূল্যবান আৰু উম্ সনা.. এইটোৱেই তেনেহ'লে লিখা আছিল ভাগ্য-পুথিৰ মোৰ পৃষ্ঠাত, যে ১৭৮৬ চনৰ ২৮ ছেপ্টেম্বৰৰ দিনা অপৰাহ্ন ৫ বজাত মই প্ৰথমবাৰৰ বাবে দেখিম ভেনিছ, যেতিয়া ব্ৰেণ্টাৰ পৰা উপহ্ৰদত – 'লেগুন'ত – সোমালোঁ, আৰু তাৰ অলপ পিছতেই ভৰি দিলোঁ এই ধুনীয়া

দ্বীপ-নগৰীত, এই ‘বীবৰ-গণৰাজ্য’ত। গতিকে এতিয়া ভেনিছ মোৰ বাবে শব্দ এটা মাথোঁ নহয়, নহয় এটা শূণ্যগৰ্ভ উদং নাম, এটা মানসিক আস্থান, যিটোৱে মোক – নিছক শব্দৰ যি ঘোৰ বৈৰী – প্ৰায়ে আতংকিত কৰি আহিছে।

আমাৰ তৰীখনৰ কাষত যেতিয়া আহি চাপিল প্ৰথমখন গণ্ডুলা – আৰু বেগাই ভেনিছ পাবলৈ যিসকলৰ খৰখেদা তেনেবোৰ যাত্ৰীক তেনেকৈ আনে - মোৰ মনত পৰিল প্ৰথম শৈশৱৰ এটা খেলনালৈ, যিটোৰ কথা বোধহয় যোৱা কুৰি বছৰে মই ভবাই নাই। ইটালী ভ্ৰমণৰপৰা মোৰ দেউতাই আনিছিল এখন গণ্ডুলাৰ এটা ধুনীয়া পুতলা; ই আছিল তেওঁৰ বৰ প্ৰিয়, আৰু কেতিয়াবা বিশেষ পুৰস্কাৰ হিচাবে তেওঁ মোক এইটোৰে উমলিব দিছিল। গণ্ডুলাবোৰ যেতিয়া দেখিলোঁ, সিহঁতৰ সমুখভাগৰ তীখাপাতৰ পোতাগ্ৰবোৰে আৰু ক’লা পিঞ্জৰাবোৰে মোক ওলগ জনালে যেন পুৰণি বন্ধুৰ দৰে। পিয়াৎছা ছান্ মাৰ্ক’ৰ পৰা অনতিদূৰত আৰামদায়ক কোঠালি পালোঁ পান্থনিবাস ‘ইংলণ্ডৰ ৰাণী’ত, খিৰিকীৰে দেখা যায় ওখ ওখ ঘৰবোৰৰ মাজেৰে সংকীৰ্ণ খাল ... অৱশেষত প্ৰকৃতাৰ্থত উপভোগ কৰি পৰা হ’লো মোৰ বাঞ্চিত নিঃসংগতা, কিয়নো ডাঙৰ ভিৰ ঠেলি সম্পূৰ্ণ অপৰিচিত ৰূপে গৈ থকাৰ দৰে অকলশৰীয়া অৱস্থা আৰু আন একো নাই –

চহৰৰ দৰ্শনীয় বস্তু আৰু সৰৱ সজীৱ জীৱনযাত্ৰা ঘূৰি ঘূৰি চালোঁ অকলে অকলে, কোনো পথপ্ৰদৰ্শক নলৈ। সংকীৰ্ণ ৰাস্তা, ৰাস্তা মানে ঠেক গলি, ইমান ঠেক যে দুই হাত মেলি দি তাৰ বেধ জুখিব পাৰি, একেবাৰে ঠেকবোৰত কঁকালত হাত ৰাখিলে দুয়োপিনে কিলকুটিত ঘঁহনি লাগে – অন্যথায় ‘ৰাস্তা’ মানে মাথো চহৰখন কটাকটি কৰি খালৰ পাছত খাল, সৰু সৰু চিড়িৱালা দলঙেৰে সংযুক্ত, কিয়নো ভেনিছ মানে হ’ল পানী আৰু পানী, খাল, ‘লে’গুন্’, সাগৰ – পানীৰ ওপৰতেই যেন ভাসমান বিভিন্ন প্ৰাসাদ, গীৰ্জা, ইমাৰত – চলাচলৰ যান হ’ল অসংখ্য গণ্ডুলা আৰু অন্যান্য নাও - বৃহত্তম খালটো হ’ল অৱশ্যেই সেই

প্ৰসিদ্ধ ‘বৃহৎ খাল’ – ‘কানাল্ গ্ৰাণ্ডে’ – যিটো পৃথিৱীৰ ভিতৰতে এটা অনন্য ‘ৰাস্তা’, সন্ত মাৰ্কুছৰ গীৰ্জাৰ সমুখৰ ‘স্কোৱেৰ’টোও অনন্য, অৰ্থাৎ পিয়াৎছা ছান্ মাৰ্ক’ৰ সমুখৰ সুবিস্তীৰ্ণ জলৰাশি - ভেনিছৰ দুই ঘাই দ্বীপক বিভক্ত কৰা ‘বৃহৎ খাল’ৰ ওপৰত মাথোঁ এখন দলং, ‘ৰিয়াল্ট’ দলং’ (বিখ্যাৎ ‘পন্টে’ ৰিয়াল্ট’), কিন্তু খোলা নাওৰেও বেলেগ বেলেগ ঠাইত খালটো পাৰ হ’ব পাৰি ..বহু বৰ্ণচ্ছটাৰে ঝলমল উচ্ছাসিত প্ৰাণচঞ্চল ভেনিছীয় নাগৰিকৰ ভিৰ... কিনিলোঁ ভেনিছৰ এখন মানচিত্ৰ, সেইখন সাৱধানে অধ্যয়ন কৰি বগালোঁ ছান্ মাৰ্ক’ গীৰ্জাৰ সুউচ্চ ঘন্টা-চূড়া (“কাম্পানিলে’”), ভৰ দুপৰীয়া, প্ৰখৰ সূৰ্য্যালোকত দূৰবীণ নোহোৱাকৈ দেখা যায় জোৱাৰত বুৰ গৈ থকা ‘লেগুন’, দূৰত সাগৰ, সাগৰত নাওৰ পাল আৰু জাহাজ, উত্তৰে আৰু পশ্চিমে পাডুৱা আৰু ভিচেন্জাৰ পাহাৰশ্ৰেণী, টিৰলীয় আল্পছ্... আকৌ উঠি গ’লো ঘণ্টাচূড়াৰ ওপৰলৈ পৰিৱৰ্তিত দৃশ্যপট চাবলৈ ভাটাৰ সময়ত ..ঠেক গলিবোৰেৰে ঘূৰি ঘূৰি ভাগৰ লাগিল, সিপাৰৰপৰা ভেনিছ কেনে দেখি চাবলৈ উঠি বহিলোঁ এখন গণ্ডলাত – নীল আকাশৰ পটভূমিত ৰং-বিৰং পোছাকেৰে লাস্যময় গণ্ডলিয়াৰসকলৰ প্ৰতিফলন লেগুনৰ পাতল সেউজীয়া পানীত .. পাৰ হ’লোঁ ছান্টা খিয়াৰা দ্বীপ, বিভিন্ন লে’গুন্, জ্যুডেক্কা খাল .. গণ্ডলাত হেলান দি বহি হঠাৎ অনুভৱ কৰিলোঁ – যিটো প্ৰতিজন ভেনিছবাসীয়ে কৰে যে আড্ৰিয়াটিকৰ মই একছত্ৰী অধিপতি। সমৰ্পিতচিত্তে মোৰ মনত পৰিল মোৰ দেউতাৰ কথা, কিয়নো দেউতাই এইবোৰ কথা ক’বলৈ পালে পাইছিল পৰম তৃপ্তি – আৰু মই বুজিছোঁ যে ভৱিষ্যতে মইও তাকেই কৰিম.....

...বলন্যা, ১৮ অক্টোবৰ নিশা : পুৱা সোনকালে ছে’ণ্ট’ এৰিলো, অলপ পিছতেই ইয়া আহি পৌছিলোঁ। যেই শুনিলে মোৰ পথপ্ৰদৰ্শকে – এজন সপ্ৰতিভ, ৱাকিবহাল মানুহ – যে মোৰ বেছি দেৰি থকাৰ ইচ্ছা নাই, তেওঁ মোক দৌৰাই লৈ গ’ল ৰাস্তাৰ পাছত ৰাস্তা পাৰ কৰি ইমানবোৰ গীৰ্জা আৰু প্ৰাসাদৰ মাজেৰে যে ঠাইবোৰ মোৰ ‘ফল্ক্মান্’খনত দাগ দিবলৈ মই প্ৰায় সময়েই নাপালোঁ, কোনে

জানে ভৱিষ্যতে দাগবোৰ দেখিলে কিবা মনত পৰিবনে নপৰে ... ৰাফায়েলৰ 'ছেছিলিয়া'... বিভিন্ন চিত্ৰকলা .. জনাকীৰ্ণ এখন প্ৰাচীন বিদ্বান নগৰি.. ভিৰৰ হাত সাৰিবলৈ আবেলিৰ পিনে বগাই উঠি গলোঁ স্তম্ভৰ ওপৰলৈ মুকলি বতাহ আৰু দৃশ্যপট উপভোগ কৰিবলৈ .. উত্তৰলৈ পাডুৱাৰ পৰ্বতমালা, তাৰ সিপিনে আল্প্‌ছ্ পৰ্বত (তেতিয়া কুঁৱলীয়ে ঢকা), পশ্চিমলৈ সীমাহীন দিগন্ত, পূবলৈ আড্ৰিয়াটিক সাগৰ পৰ্যন্ত বিস্তৃত উখৰ সমভূমি, দক্ষিণলৈ আপেনাইন পাহাৰৰ পাদদেশ, খেতিপথাৰ আৰু গ্ৰামাঞ্চলৰ ঘৰ আৰু গীৰ্জা ..

পেৰুজিয়া, অক্টোবৰ ২৫, সন্ধিয়া : দুদিন সন্ধিয়া একো লিখিব পৰা নাই, পান্থশালাবোৰ ইমান বেয়া যে কাগজখন মেলিবলৈকো জাগা নাই, দহ বজাত (আমাৰ সময়) আপেনাইনৰ পৰা ওলাই দেখিলোঁ বহল উপত্যকাত অৱস্থিত ফ্লৰেন্স, যিমানদূৰলৈ চকু যায় ঘৰ আৰু 'ভিলা' আৰু ঘনবসতি – চহৰখনৰ মাজেৰে লৰালৰিকৈ খোজকাঢ়ি চাবলৈ গ'লোঁ তাৰ গীৰ্জাগম্বুজ আৰু দীক্ষামণ্ডপ - আৰু এবাৰ এখন সম্পূৰ্ণ নতুন জগত মোৰ সমুখত উন্মুক্ত হ'ল, কিন্তু বেছি সময় মোৰ থকাৰ ইচ্ছা নাই .. ববলি উদ্যান .. যিমান ক্ষিপ্ৰভাৱে চহৰ সোমালোঁ তিমান ক্ষিপ্ৰভাৱে চহৰ এৰিলোঁ –

একোৰে আৰু স্পৃহা নাই, প্ৰথম প্ৰয়োজনটো যেতিয়ালৈকে প্ৰশমিত নহয় – মোৰ পদতলেৰে পাৰ হৈ গৈছে পৃথিৱী, অবৰ্ণনীয় অভীপ্সাই ঠেলি নিছে মোক সমুখলৈ ..

===================================

.. এই এতিয়াহে উপলব্ধি কৰিছোঁ কি সাহসৰ কাম কৰিছোঁ অসাজু আৰু অকলে এইদেশখনৰ মাজেৰে ভ্ৰমণ কৰি, বেলেগ বেলেগ ধৰণৰ ধন, কষ্টকৰ পুৰণিকলীয়া 'ভেটু'ৰিনি' গাড়ীৰ ভ্ৰমণ (টান, আৰামহীন এখন আসন, 'ভেটু'ৰিন'ৰ একমাত্ৰ ভাল কথা এয়ে যে তাৰপৰা নামি তাৰ লগে লগে গৈ

থাকিব পাৰি), চৰা দাম, জঘন্য পান্থশালা - এইবোৰ প্ৰাত্যহিক বিড়ম্বনা, আৰু অবিৰত আনন্দ আশা কৰি যেয়ে প্ৰথমবাৰৰ বাবে অকলে পাৰি দিয়ে তেওঁ প্ৰায়ে নিৰাশ হ'বলৈ বাধ্য, বহু জঞ্জাল মূৰ পাতি ল'বলৈ বাধ্য। কিন্তু সি যি নহওক, মোৰ একমাত্ৰ ইচ্ছা আছিল যিকোনো প্ৰকাৰে এই দেশখন চোৱা, আৰু যদি মোক ইক্সিয়নৰ চকাৰে চোঁচৰাইও ৰোমলৈ লৈ যোৱা হয়, মই বিন্দুমাত্ৰ আপত্তি নকৰোঁ..

২৭ অক্টোবৰ আবেলি, টাৰ্ণি' : ৰোম! ৰোম! আৰু মাথো দুটা নিশা! আৰু যদি প্ৰভুৰ কিন্নৰে বাটত কোনো বিঘিনি নঘটায়, আমি উপনীত হ'ম ৰোমত –

===================================

...অৱশেষত এতিয়া আহি পৌছিছোঁ পৃথিৱীৰ প্ৰথম নগৰীত ... টিৰলৰ পৰ্বতমালাৰ ওপৰেৰে যেন ভ্ৰমণ কৰি যোৱা নাই, গৈছোঁ উৰি। ভিচে'ন্জা , পাডুৱা, ভেনিছ চাইছোঁ তন্নতন্নকৈ, ফেৰাৰা, ছে'ন্ট', বলন্যা ওপৰে ওপৰে, আৰু ফ্লৰেন্স প্ৰায় নোচোৱাৰ দৰে। সোনকালে ৰোম গৈ পাবলৈ মোৰ উৎকণ্ঠা প্ৰতি মিনিটে তীব্ৰ হৈ আহিছে, অৱশেষত আৰু ক'তো ৰ'বলৈ মোক একোৱেই ৰাজী কৰাব পৰা নাই, সেয়ে তাত কটাইছোঁ মাথোঁ তিনি ঘণ্টা। এতিয়া যিহেতু মই লক্ষ্যত উপনীত, মই শান্ত হৈছোঁ, ধাৰণা হৈছে পাইছোঁ এনেকুৱা এটা প্ৰশান্তি, যিটো থাকিব মোৰ ওৰেটো জীৱন.. অতদিনে বিচ্ছিন্নভাৱে, বিপৰ্যস্ত-ভাৱে জানি অহা জগতখন যদি এতিয়া নিজ চকুৰে সামগ্ৰিক ৰূপত দেখে, আৰম্ভ হয় এটা নতুন জীৱন -...প্ৰকৃতি-ইতিহাসৰ সতে মোৰ অভিজ্ঞতা ইয়াত পুনৰুজ্জীৱিত হ'ব ধৰিছে, কিয়নো পৃথিৱীৰ ইতিহাস এই নগৰীৰ লগত বিজড়িত, আৰু মোৰ হিচাবত মোৰ দ্বিতীয় জনম, প্ৰকৃততে মোৰ নৱজন্ম, আৰম্ভ হৈছে মই ৰোমত প্ৰৱেশ কৰাৰ দিনৰেপৰা -

১ নৱেম্বৰ ১৭৮৬, ৰোম : মোৰ যৌৱনকালৰ সকলো সপোন আজি প্ৰাণ পাই উঠিছে, দেউতাই চ'ৰাঘৰৰ বেৰত আঁৰি থৈছিল ৰোমৰ বিভিন্ন দৃশ্য - মোৰ স্মৃতিৰ প্ৰথম দেখা নক্সাবোৰ, এ'নগ্ৰেভিংবোৰ; আজি দেখিছোঁ বাস্তৱত, ইমানদিনে যিবোৰ বস্তু জানিছিলোঁ ৰং-ছবি, অংকন-চিত্ৰ, এচিডত কটা 'এ'চিং' নক্সা, কাঠত খোদিত নক্সা, প্লাষ্টাৰ মূৰ্তি আৰু কাক আৰ্হিৰ ('কৰ্ক-মডেল')ৰ জৰিয়তে, সেইবোৰ এতিয়া মোৰ সমুখত সন্মিলিত; যলৈকে যাও পাওঁ এখন অচিনাকি জগতত চিনাকি বস্তু, যিদৰে কল্পনা কৰিছিলোঁ সকলো তেনেধৰণৰ, অথচ সকলো নতুন –

=====================================

... আঃ, মোৰ সুদূৰৰ বন্ধুসকললৈ যদি মই ইয়াৰ নিৰ্ভাবনাময় অস্তিত্বৰ মাথোঁ এটি বা পঠিয়াই দিব পাৰিলোঁহেঁতেন.. প্ৰথম শৈশৱত যিবোৰ কথা আছিল মোৰ বাবে গুৰুত্বপূৰ্ণ, সেই সকলোবোৰ, ঈশ্বৰক ধন্যবাদ, আকৌ মোৰ প্ৰিয় হৈ আহিছে আৰু সানন্দে মই গম পাইছোঁ যে মই আকৌ ধ্ৰুপদী ৰচনাৰাজিৰ কাষ চাপিবলৈ সাহস পাইছোঁ। অৱশেষত এতিয়া মোৰ এটা গোপন ব্যাধি বা বিকাৰৰ কথা মই খুলি ক'ব পাৰোঁ। বহুবছৰলৈ মই ইটালীৰ ছবি জগাই তোলা কোনো লাটিন লেখক বা আন কিবা চাবলৈ সাহ কৰিব পৰা নাছিলোঁ। যদি ঘটনাক্ৰমে তেনে ঘটিছে, মই যন্ত্ৰণাত ভুগিছোঁ। হাৰ্ডাৰে ধেমালি-ছলেৰে মোক প্ৰায়ে কৈছে যৈ মই লাটিন যি শিকিছোঁ, শিকিছোঁ স্পিন'জাৰ পৰা, কিয়নো তেওঁ মোক লাটিন গ্ৰন্থকাৰ পঢ়া দেখিছে একমাত্ৰ দাৰ্শনিক স্পিন'জ্জা। তেওঁতো বুজা নাই কি সাৱধানে মই ধ্ৰুপদী কিতাপবোৰৰ বিৰুদ্ধে মোৰ প্ৰতিৰক্ষা গঢ়ি তুলিবলগীয়া হৈছে, যে উদ্বেগৰ অবিমিশ্ৰ তাড়নাতেই মই স্পিন'জাৰ বিমূৰ্ত চিন্তাৰাজ্যত আশ্ৰয় ল''লৈ বাধ্য হৈছোঁ। মাথোঁ সেই সিদিনা হৰে'ছৰ ব্যংগৰচনাৰ – 'ছেটায়াৰ'ৰ -

ভীলাণ্ডে কৰা অনুবাদে মোক কৰি তুলিছে অসুখী; মাথোঁ দুটামান পঢ়িয়েই মই উত্রাৱল হৈ পৰিছোঁ।

এই বস্তুবোৰ নিজ-চকুৰে চাবলৈ মোৰ দুৰ্বাৰ অভীপ্সাই এনে এটা অৱস্থালৈ আহিছে যে যি সিদ্ধান্তলৈ আহি এতিয়া সেইমতে কৰি গৈছোঁ, সেইটো যদি মই নকৰিলোঁহেঁতেন, মই সম্পূৰ্ণৰূপে থান্-বান্ হৈ গ'লোঁহেতেন .. এতিয়া মোৰ ভাব হৈছে যে এইবোৰ মই দেখিছোঁ প্ৰথমবাৰৰ বাবে নহয়, দেখিছোঁ আৰু এবাৰ।

বস্তুবোৰ নিজ-চকুৰে চোৱাৰ এই প্ৰবল তাড়নাই ৰোম-পিয়াসী মোৰ অধৈৰ্য্য যাত্ৰাত বাৰে বাৰে টানি দিছে যতি, ইটালীৰ ছবি জগাই তোলা লাটিন কবিৰ শাৰীৰ দুৰ্বাৰ আকৰ্ষণে অপ্ৰতিৰোধ্য কৰি তুলিছে মোৰ যাত্ৰাপথৰ বিৰতি .. প্ৰিয় কবি ভাৰ্জিলৰ গাৰ্ডা-হ্ৰদৰ বৰ্ণনা আহি গৈছে স্মৰণলৈ, যেতিয়া আহি পাইছোঁ তাৰ সমীপ – অতদিনে মাথো শুনি আহিছোঁ 'লাগ' ডি গাৰ্ডা'ৰ অপৰূপ সৌন্দৰ্যৰ কথা, লম্বাৰ্ডি আৰু ভেনেট' অঞ্চলৰ সীমাৰেখাৰ মাজত ইটালীৰ বৃহত্তম জলাধাৰ গাৰ্ডা হ্ৰদ ১৪৩ বৰ্গমাইল ব্যাপী, গভীৰ নীলা জলৰাশি, প্ৰচুৰ মাছ আৰু জলজীৱনেৰে পৰিপূৰ্ণ, পাৰত প্ৰায় গ্ৰীষ্মদেশৰ লেখীয়া গছ-গছনি-উদ্ভিদ ... মোৰ যাত্ৰাপথত নপৰে, চাবলৈ গ'লে দেৰি হৈ যাব, কিন্তু আহি পৰিছোঁ ইমান ওচৰত, ইমান কাষতে আছে ভাৰ্জিলে বৰ্ণাই যোৱা এই নীলিম সলিল সাগৰ সদৃশ –

টৰ্বলে', ছেপ্টেম্বৰ ১২, অপৰাহ্ন :

"আজি ৰাতি মই ভেৰণা গৈ পাব পাৰিলোঁহেঁতেন, কিন্তু গাৰ্ডা হ্ৰদ আৰু তাৰ পাৰৰ চমৎকাৰ প্ৰাকৃতিক দৃশ্য নোচোৱাকৈ এৰি যোৱাৰ ইচ্ছা নকৰিলোঁ, আৰু এই বিপথনৰ বাবে মই প্ৰভূতভাৱে পুৰস্কৃত হৈছোঁ। পাঁচটাৰ পিছত মই ৰভাৰেট'ৰ পৰা এটা পাৰ্শ্ব-উপত্যকাৰে উঠিলোঁ, তাৰ পানী আডিগেত গৈ পৰে.. অৱৰোহণৰ অন্তত পোৱা যায় এখন সৰু গাওঁ, তাৰ উত্তৰ-প্ৰান্তত এটা সৰু

পোত, বা বৰং, এটা পাৰঘাট, তাৰ নাম টৰ্‌বলে'.. দেখিলোঁ মোৰ প্ৰথম অলিভ্ গছ, অলিভৰ ভাৰত নত.. সৰু সৰু বগা ডিমৰু..

যিটো কোঠালিত মই এতিয়া বহি আছোঁ, তাৰ এখন দুৱাৰেৰে বাহিৰত দেখা যায় তলৰ চোতাল। তাৰ সমুখত মোৰ মেজখন বহালোঁ, আৰু দৃশ্যটোৰ এখন দ্ৰুত ছবি আঁকিলোঁ। মোৰ বাওঁপিনৰ চুক এটাৰ বাহিৰে হ্ৰদটোৰ প্ৰায় গোটেই দীঘটোৱেই মই দেখা পাইছোঁ। পাহাৰ আৰু পৰ্বতেৰে অৱৰুদ্ধ অসংখ্য সৰু সৰু গাওঁ হ্ৰদটোৰ দুয়োপাৰে ঝলমল কৰিছে।

মাজনিশাৰ পাছত বতাহ ব'ব ধৰে উত্তৰৰপৰা দক্ষিণলৈ। যদি কোনোবাই হ্ৰদটোৰে ভটিয়াই যাব খোজে তেওঁ এই সময়তেই পাৰি দিব লাগে, কিয়নো সুৰ্য্যোদয়ৰ কেইঘণ্টামান আগেয়ে বায়ুৰ সোঁত ওলোটাপিনে ঘূৰি বয়। এতিয়া অপৰাহ্ন, আৰু বতাহ মাৰিছে জোৰে জোৰে মোৰ মুখত শীতল আৰু জুৰ-পেলোৱা। 'ফল্ক্‌মান'খনত পাওঁ যে আগেয়ে হ্ৰদটোৰ নাম আছিল বেনাকুছ্, আৰু তাৰ উল্লেখ থকা ভাৰ্জিলৰ শাৰী এটা তাত উদ্ধৃত কৰিছে :

'ফেনে-ফোটোকাৰে উঠিছে অনুৰণি বিনাকা হ্ৰদৰ বোৱতী ধল'

(Fluctibus et fremitu resonans Benace marino)

লাটিন কাব্যৰ এইটোৱেই প্ৰথম শাৰী, যিটোৰ বিষয়বস্তু মই নিজ চকুৰে দেখিলোঁ। আজি যেতিয়া বতাহৰ কোব বাঢ়ি আহিছে আৰু উচ্চৰ পৰা উচ্চতৰ ঢৌ পাৰঘাটত আছাৰ খাই পৰিছে, কবিতাশাৰী বহু শতিকাৰ আগেয়ে যেনেকুৱা যথাৰ্থ আছিল, আজিও তেনেকুৱাই সঁচা। কত কি বস্তুৰ পৰিৱৰ্তন হৈছে, কিন্তু ভাৰ্জিলৰ শাৰী এটিয়ে মহীয়ান কৰি থৈ যোৱা এই হ্ৰদটোৰ পানী বতাহে আজিও ফেনাই তুলি আছে তেনেকৈয়ে।"

# সমাপ্তি

ব্লগ অসম (blogasom.blogspot.com) ৰ দ্বাৰা প্ৰকাশিত।

প্ৰকাশ : ১৫-০৪-২০১৮

এই কিতাপখনৰ লগত জড়িত যিকোনো বিষয়ৰ বাবে নাইবা অসমীয়া ই-কিতাপ সংক্ৰান্তীয় অন্যান্য কোনো বিষয়ৰ বাবে অনুগ্ৰহ কৰি "nibirborpuzari@gmail.com" ত যোগাযোগ কৰক। অসমীয়া ই-কিতাপৰ প্ৰসাৰ আৰু প্ৰচাৰত সহায় কৰাৰ বাবে ধন্যবাদ।